নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

নৱবিংশতিতম্ আলোচনী

# নৱজ্যোতি

ইং ২০১৬-১৭ বৰ্ষ।



তত্বাৱধায়ক অধ্যাপকদ্বয়-

হানিফ মোস্তাক আহমেদ

মাছুদ হাছান

সম্পাদক,

ৰফিকুল ইছলাম



শ্বহীদ বেদীত মাল্যাৰ্পণৰ এটি মুহূৰ্ত

# নৱজ্যোতি

## নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

(নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ বাৰ্ষিক পুঁজিৰে প্ৰকাশিত)

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

**নৱবিংশতিতম্ আলোচনী**
**ইং ২০১৬-১৭ বৰ্ষ।**

*শ্ৰদ্ধাৰে/মৰমেৰে,*

*শ্ৰী/শ্ৰীমতী*...........................................................................

...........................................................................

...........................................................................*ৰ হাতত তুলি দিয়া হ'ল।* ধন্যবাদ।


সম্পাদক
**ৰফিকুল ইছলাম**

তত্ত্বাৱধায়ক অধ্যাপকদ্বয়
**হানিফ মোস্তাক আহমেদ**
**মাছুদ্দ হাছান**

'Nabajyoti' An Annual Magazine, Published by Editorial Board, Magazine
Nabajyoti College, Kalgachia

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° ছাহজাহান আলী আহমেদ |
| তত্ত্বাৱধায়কদ্বয় | ঃ | হানিফ মোস্তাক আহমেদ<br>মাছুদ হাছান |
| সম্পাদক | ঃ | ৰফিকুল ইছলাম |
| সদস্য/সদস্যা | ঃ | ড° এম.এছ. শ্বেখ<br>ড° নিতু চহৰীয়া<br>আকতাৰ হুছেইন<br>দিলদাৰ হুছেইন |
| বেটুপাত পৰিকল্পনা | ঃ | হানিফ মোস্তাক আহমেদ<br>মাছুদ হাছান |
| অংগ সজ্জা | ঃ | খাইৰুল আলম খান |
| ফটোগ্ৰাফী | ঃ | ৰফিকুল ইছলাম |
| বেটুপাত অংকন | ঃ | মিলন গ্ৰাফিকচ্, কলগাছিয়া |
| অক্ষৰ বিন্যাস | ঃ | আমিৰুল ইছলাম |
| মুদ্ৰণ | ঃ | মিলন অফছেট প্ৰেছ, কলগাছিয়া<br>+91 9957125654 |

# উৎসৰ্গা

নৱজ্যোতি মহাবিদ্যালয়ৰ
সমূহ পৃষ্ঠপোষক
আৰু
শুভাকাংক্ষীসকলৰ
কৰকমলত
উৎসৰ্গিত...






মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক




মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা গায়িকা

ড° হিমন্ত বিশ্ব শৰ্মা, এল.এল.বি.
মন্ত্ৰী, অসম

সত্যমেব জয়তে

বিত্ত, শিক্ষা, পৰিকল্পনা আৰু উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, গুৱাহাটী উন্নয়ন, পৰ্যটন সমবায়, হস্ততাঁত আৰু বস্ত্ৰ শিল্প (খাদী আৰু গ্ৰামোদ্যোগ), পেঞ্চন আৰু ৰাজহুৱা অভিযোগ।

# শুভেচ্ছা বাণী



বৰপেটা জিলাৰ কলগাছিয়াস্থিত নৰজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নৰজ্যোতি'ৰ ২০১৬-১৭ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছোঁ আৰু এনে উদ্যোগ লোৱাৰ বাবে সংশ্লিষ্ট সকলোৰে শলাগ লৈছোঁ।

বাৰ্ষিক আলোচনী এখনে শিক্ষানুষ্ঠান এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, সাহিত্যিক আৰু বৌদ্ধিক উত্তৰণত প্ৰভূত অৰিহণা যোগায়। আশা ৰাখিছোঁ নৰজ্যোতি মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে আলোচনীখনৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ পোৱাৰ লগতে এই আলোচনীখনত শিক্ষা, সাহিত্য, সমাজ সম্পৰ্কীয় মূল্যৱান লিখনি প্ৰকাশ পাব। আলোচনীখনিৰ সৌষ্ঠৱ বৃদ্ধিত শিক্ষানুষ্ঠানখনৰ শিক্ষক সমাজেও নিজ নিজ লিখনিৰ দ্বাৰা অৰিহণা আগবঢ়াব বুলি আশা প্ৰকাশ কৰিলোঁ।

সদৌ শেষত নৰজ্যোতি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী তথা কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

ই-ব্লক তৃতীয় মহলা, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, অসম
দূৰভাষ নং- (০৩৬১) ২২৩৭৩১৫, ফেক্স ঃ ০৩৬১-২২৩৭০১২
ই-মেইল- himantab@hotmail.com / himantabsarmaoffice@gmail.com

*Abdul Khaleque*, M.A. (DOUBLE)
**MLA, 44 Jania Constituency**
E-mail: makhaleque@yahoo.com
Call: 94351-15864

सत्यमेव जयते

# শুভেচ্ছা বাণী



নৰজ্যোতি মহাবিদ্যালয় কলগাছিয়া, অকল জনীয়া সমষ্টিৰে নহয়, সমগ্ৰ অসমৰ বঙ্গমূলীয়া অসমীয়া মুছলমান অধ্যুষিত এলেকাৰ উচ্চ শিক্ষাৰ প্ৰথমখন শিক্ষা অনুষ্ঠান। ১৯৭১ চনত স্থাপিত এই মহাবিদ্যালয়খনে বৰ্তমানৰ পৰ্যায়ত উপনীত হোৱাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা সকলো জ্ঞাত- অজ্ঞাত ব্যক্তিলৈ এই ছেগতে মই মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

প্ৰতি বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ যো-জা কৰাৰ কথা জানিব পাৰি মই নথৈ আনন্দিত হৈছোঁ। মই গভীৰ আশাবাদী, এই আলোচনীখনে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল আৰু বৌদ্ধিক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হ'ব। অধ্যাপক-অধ্যাপিকা, অভিভাৱক, পৰিচালনা সমিতি আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে সহযোগিতাত মহাবিদ্যালয়খন উৎকৃষ্টতাৰ এক কেন্দ্ৰ হোৱাৰ দিশে ধাৱমান হ'ব বুলিও আমি আশা কৰিছোঁ।

সকলোটিলৈ আন্তৰিক শুভেচ্ছাৰে—

২৫/১/১৮

(আব্দুল খালেক)
বিধায়ক, জনীয়া সমষ্টি।

# শুভেচ্ছা বাণী



নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়াৰ ২০১৬-১৭ বৰ্ষৰ বাৰ্ষিক আলোচনী "নৰজ্যোতি" খনৰ প্ৰকাশৰ যো-জা চলিছে বুলি জানিবলৈ পাই অতিশয় আনন্দিত হৈছোঁ।

নৰজ্যোতি মহাবিদ্যালয় খনে ইয়াৰ জন্ম লগ্নৰে পৰা গুণগত উচ্চ শিক্ষাৰে শিক্ষাজগত খনত এক বৌদ্ধিক উত্তৰণৰ প্ৰয়াস অব্যাহত ৰাখিছে। প্ৰজ্ঞাৰ সাধনাৰে প্ৰজ্জ্বল মহাবিদ্যালয়খনৰ এই যাত্ৰা বোৱতী নৈৰ দৰে চিৰ প্ৰবাহিত হওঁক তাৰেই কামনা কৰিছোঁ।

প্ৰকাশিত আলোচনীখনে শিক্ষাৰ্থী সকলৰ সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ পৰিস্ফুৰণ ঘটাব। লিখনি সমূহত অঞ্চলটোৰ শিক্ষা, সাহিত্য-সংস্কৃতি আদিৰ সমৃদ্ধিশালী ৰূপত প্ৰকাশ ঘটিব আৰু সৰ্বস্তৰৰ পঢ়ুৱৈ সমাজৰ দ্বাৰা সমাদৃত হ'ব বুলি মোৰ দৃঢ় বিশ্বাস।

নৰজ্যোতি মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যাপক-অধ্যাপিকা, শিক্ষাৰ্থী তথা সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(মহঃ আলাউদ্দিন)

# অধ্যক্ষৰ মেজৰ পৰা......



১৯৭১ চনত তেতিয়াৰ কামৰূপ জিলাৰ বৰপেটা মহকুমাৰ কলগাছিয়াত এই অঞ্চলৰ উচ্চ শিক্ষানুৰাগী ব্যক্তিসকলৰ আশাসুধিয়া চেষ্টাৰ ফলত স্থাপিত হৈছিল নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া। আৰম্ভণিৰ পৰাই বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি আগবাঢ়ি গৈ বৰ্তমান মহাবিদ্যালয়খনে অসমৰ শৈক্ষিক জগতত এক বিশিষ্ট ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে। অতি ভিতৰুৱা গ্ৰাম্যঞ্চলত স্থাপিত মহাবিদ্যালয়খনে ইতিমধ্যে দুকুৰিৰ দেওঁনা পাৰ কৰিছে। বৰ্তমান মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫৪৭। প্ৰতিটো বিষয়তে গুৰু পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা থকাৰ লগতে সুবিশাল গ্ৰন্থাগাৰ, ছাত্ৰী-নিবাস, ছাত্ৰাবাস আৰু সকলো প্ৰকাৰ আধুনিক সা-সুবিধা আছে। মহাবিদ্যালয়খনত ৪৬ জন স্থায়ী শিক্ষক-শিক্ষয়িত্ৰী আৰু ২১ জন কৰ্মচাৰীয়ে ছাত্ৰ-ছাত্ৰীক সেৱা আগবঢ়াই আছে।

আন আন বছৰৰ দৰে এই বেলিও ২০১৬-১৭ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ আলোচনী "নৱজ্যোতি" প্ৰকাশৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি জানি নথৈ আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়ৰ বাবে দাপোন স্বৰূপ। নৱ-প্ৰস্থ যুগৰ গুহাত খোদিত চিত্ৰকলাৰ পৰা আৰম্ভ কৰি আধুনিক গগনচুম্বী অট্টালিকালৈকে মানুহৰ বহু হাজাৰ বছৰৰ শিল্প সৃষ্টি আৰু তাৰ মাজত প্ৰতিফলিত আশা-আকাংক্ষাৰ বিপুল বিচিত্ৰ ইতিহাস সামৰি লিখা আদ্ৰেঁ মেলৰ'ৰ উপন্যাস *'The voice of silence'* ৰ দৰে নৱজ্যোতি মহাবিদ্যালয়ৰ আলোচনী "নৱজ্যোতি"য়ে মহাবিদ্যালয়ৰ ইতিহাস, এই অঞ্চলৰ পৰিৱেশ, কলা-সংস্কৃতি, ছাত্ৰ-ছাত্ৰীৰ সুযোগ সুবিধা, অভাৱ-অভিযোগৰ উপৰিও ভূমিহীন কৃষক, বান-গৰাখহনীয়াত মাটি হেৰুৱাই উদ্বাস্তু হোৱা খেতিয়ক, চহৰ-নগৰ, নিৰ্মাণ এলেকা, কয়লাখনি আৰু শিলৰ কুয়েৰিত গেবাৰি মাটিত জীয়াই থকা বিধৱা মহিলা আৰু শিশু শ্ৰমিকসকলৰ কথাও প্ৰতিফলিত কৰিব বুলি আশা ৰাখিছোঁ।

নবে'ল বঁটা বিজয়ী স্পেনিছ উপন্যাসিক গেব্ৰিয়েল গাৰ্ছিয়া মাৰ্কোজে তেওঁৰ আত্ম জীৱনী *'Living to tell the tale'* ত উল্লেখ কৰিছে *'If you can live without writing, don't write'* মাৰ্কোজৰ এই উক্তিৰ পৰাই বুজিব পাৰি যে, লিখা কাম কিমান কঠিন আৰু কষ্ট সাধ্য। তৎসত্বেও যিসকল ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাই অশেষ কষ্ট স্বীকাৰ কৰি লিখনি আগবঢ়াই আলোচনীখন প্ৰকাশ কৰাত সহযোগ কৰিছে, তেওঁলোকলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। শেষত এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ পোৱাৰ কামনাৰে।

**(ড° এছ. এ. আহমেদ)**
অধ্যক্ষ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

# সম্পাদকীয় প্ৰতিবেদন......



বৰ্তমান সমাজ যিমানেই উন্নতিৰ বাটত ধাৱমান নহওঁক কিয়, ই অতি দ্ৰুতভাৱে ধ্বংসৰ মুখলৈ গতি কৰিছে। মানুহ শ্ৰেষ্ঠ হৈয়ো মানৱ সমাজে ক্ৰমান্বয়ে হেৰুৱাব ধৰিছে বিশ্বাস, দয়া-মমতা, মৰম সহানুভূতি। সময়ৰ ধ্বংসমুখী প্ৰবাহে আমাৰ নতুন প্ৰজন্মক উটুৱাই নিব ধৰিছে। মিছা অভিজাত্যৰ কাল গৰাহত পৰি বহুতেই হেৰুৱাইছে চিন্তা শক্তি, বুদ্ধিমত্তা। বিশ্বৰ অগ্ৰগামী দেশবোৰে যিসময়ত মহাকাশত মানুহৰ বাসস্থানৰ চিন্তা কৰিছে, সেই সময়ত আমাৰ নিচিনাবোৰে ক্ষুদ্ৰ স্বাৰ্থৰ হেতু সকলো বিসৰ্জন দিছো। আমি সকলো হৈ পৰিছো আত্মকেন্দ্ৰিক। অনিশ্চিত ভৱিষ্যতে আমাক গ্ৰাস কৰিব ধৰিছে। এই ধ্বংসৰ কবলৰ পৰা ৰক্ষা পাবলৈ হ'লে প্ৰথমতে আমাৰ নিজৰ ওপৰত বিশ্বাস বৰ্তি থাকিব লাগিব। নহ'লে কোন মূহুৰ্ত্ত আমাৰ অস্তিত্ব কেতিয়াবা নিঃশেষ হয় তাৰ কোনো ঠিকনা নাই।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন মহাবিদ্যালয়ৰ বাবে এক অবিচ্ছেদ্য অংগ। কিয়নো, মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ বৌদ্ধিক উত্তৰণ ঘটোৱাত তথা দাপোণৰ দৰে মহাবিদ্যালয়খনৰ প্ৰতিচ্ছবি দাঙি ধৰাত আলোচনীখনে গুৰুত্বপূৰ্ম ভূমিকা পালন কৰে। এই ছেগতে সেইসকল মহান স্বনামধন্য ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ যাচিছোঁ যিসকল মহান দূৰদৰ্শী ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম, ত্যাগ, অৱিহণা আৰু আশাশুধীয়া প্ৰয়াসৰ ফলশ্ৰুতিত সংখ্যালঘু অধ্যুষিত কলগাছিয়াৰ নিচিনা পিছপৰা অঞ্চলত এনেকুৱা এখন বিদ্যা মন্দিৰ নৱজ্যোতি মহাবিদ্যালয়খন গঢ়লৈ উঠিছে। সেই সকল স্বনামধন্য ব্যক্তিসকলৰ মাজত যিসকল জীয়াই আছে সেইসকল ব্যক্তিৰ দীৰ্ঘায়ু কামনা কৰিছোঁ আৰু যিসকলে এই জন্ম ভূমিৰ পৰা চিৰ বিদায় লৈছে, সেই সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিৰ অশেষ প্ৰচেষ্টা আৰু বিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস, ছাত্ৰী নিবাস আৰু আন আন হোষ্টেল, মেছত থকা ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতাৰ ফলত মই নৱজ্যোতি মহাবিদ্যালয়ৰ ইং ২০১৬-২০১৭ বৰ্ষৰ ছাত্ৰ একতা সভাত নৱজ্যোতি মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ পদ অলংকৃত কৰিব পাৰিছোঁ, তেখেতসকললৈ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা যাচিছোঁ।

অইন অইন বছৰ দৰে এই বছৰো সীমিত সময়ৰ ভিতৰত "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপনত আলোচনী বিভাগৰ অধীনত নানা ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশ গ্ৰহণ আছিল লেখত লবলগীয়া। এই বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ জৰিয়তে জানিব পৰা যায় যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰসৰ হৈছে। যিয়েই নহওঁক যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰিছিল তেওঁলোকক আৰু যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে বিচাৰকৰ আসন অলংকৃত কৰি মোক কৃতাৰ্থ কৰিছিল তেখেত সকলক মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই প্ৰতিযোগিতাসমূহৰ উপৰিও "মহাবিদ্যালয়ৰ সপ্তাহ" উদ্‌যাপনৰ সময়তে প্ৰাচীৰ পত্ৰিকাখন সফলভাৱে উন্মোচন কৰা হয়।

নৱজ্যোতি মহাবিদ্যালয়ৰ যোৱা বছৰৰ দৰে এই বেলিও মই 'ইভেন্ট মেগাজিন' এখন প্ৰকাশ কৰিবলৈ সক্ষম হৈছো। যিহেতু মহাবিদ্যালয়ৰ কৃতিত্ব তথা অনুষ্ঠান আদিৰ আলোকচিত্ৰ এই আলোচনীত দিয়া হৈছে আৰু এইখন ছমাহৰ মূৰে মূৰে নতুনকৈ সজোৱা

হ'ব সেয়েহে ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাৰ উপৰিও বিভিন্ন খেল-ধেমালি আৰু মহাবিদ্যালয় বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ প্ৰেৰণা পাব।

এইবেলি সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকাশ আৰু ব্যক্তিত্ব প্ৰকাশৰ বাবে চৰকাৰে প্ৰদান কৰা বাৰ্ষিক পুঁজিৰ দ্বাৰা মহাবিদ্যালয়ৰ এই আলোচনী 'নৱজ্যোতি' প্ৰকাশ কৰা হৈছে। এই ছেগতে সন্মানীয় শিক্ষা মন্ত্ৰী মহোদয়ক মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

নৱজ্যোতি মহাবিদ্যালয় বাৰ্ষিক আলোচনী নৱজ্যোতি প্ৰকাশৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষয়িত্ৰী তথা কৰ্মচাৰীয়ে তেখেত সকলৰ স্বৰচিত কবিতা/চুটিগল্প/চিন্তাশীল প্ৰবন্ধ আদি মোৰ হাতত জমা দিছিল তেখেত সকলক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লিখনিৰ জৰিয়তে বৌদ্ধিক চিন্তা তথা সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিছে। সকলো ছাত্ৰ-ছাত্ৰীৰ লিখনিবোৰ অতি আকৰ্ষণীয় হৈছে যদিও কিছুমান ছাত্ৰ-ছাত্ৰীৰ লিখনি আলোচনীত প্ৰকাশ পোৱা নাই। তেখেত সকলৰ ওচৰত মই ক্ষমা প্ৰাৰ্থী।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সৎ উপদেশ আৰু সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তত্বাৱধায়কদ্বয় অধ্যাপক হানিফ মোস্তাক আহমেদ আৰু মাছুদ হাছান মহোদয়ৰ লগতে সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাকে মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ মাননীয় অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, মাছুদ হাছান, ড° মহঃ শ্বাহাজামাল শ্বেইখ, ড° নিতু চহৰীয়া ডাঙৰীয়াই যি সৎ পৰামৰ্শ সহায়-সহযোগিতা আগবঢ়াইছিল তাৰ বাবে মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভূলবোৰৰ শুধৰণি, ক্ষমা-প্ৰাৰ্থনা আৰু আশীৰ্বাদ বিচাৰি, মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কল্পনা কৰি আৰু মাননীয় শিক্ষাগুৰু সকলৰ ওচৰত মোৰ ভৱিষ্যত জীৱনৰ বাবে আশীৰ্বাদ বিচাৰি ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়।"
"জয়তু ছাত্ৰ একতা সভা।"

ধন্যবাদেৰে-
ৰফিকুল ইছলাম
সম্পাদক, আলোচনী বিভাগ
ছাত্ৰ একতা সভা




কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ
ড° ছাহজাহান আলী আহমেদ



অধ্যক্ষ সমন্বিতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰ্যাবেক্ষক সকল

# সূচীপত্ৰ

## প্ৰবন্ধ সম্ভাৰঃ


| | | |
|---|---|---|
| যৌতুক আৰু নাৰী নিৰ্যাতন | শিৰাজুল হক | 01 |
| কন্যা সন্তান জন্মৰ বাবে মাতৃ দায়ী নহয় | মীৰ ৰবিউল আউৱাল | 02 |
| পৃথিৱীৰ জৈৱ-বৈচিত্ৰৰ প্ৰভাৱ | জাকিৰুল ইছলাম | 03 |
| কাঁচৰ কথা | খাদিজা ইয়াছমিন | 05 |
| অসমৰ সাংস্কৃতিক পৰম্পৰা সংৰক্ষণ আৰু সংবৰ্দ্ধন | মাছুমা মৰজিনা ৰহমান | 07 |
| জুইশলা বাহ (ছেফ্‌টি মেট্‌চ) | নাৰ্জিনা আহমেদ | 10 |
| মানৱতাৰ সংকট | ইনিয়াৰা খাতুন | 11 |
| বৰ্তমান সময়ত মোবাইলৰ গুৰুত্ব | জ্যোতিস্মিতা তালুকদাৰ | 13 |
| হাওঁফাওঁত চিগাৰেটৰ ধোৱা | মোস্তাফা মোবাৰক মুৰ্শ্বেদ | 14 |
| নীলা খামৰ চিঠি | আমিনুল হক ছিদ্দিকি | 15 |
| গোলকীয় উষ্ণতা বৃদ্ধি আৰু কৃষি উৎপাদনৰ গোপন বিৰ্তক | হানিফ মোস্তাক আহমেদ | 16 |
| প্ৰসঙ্গ ঃ আত্ম সমালোচনা কলেজ শিক্ষকৰ কৰ্ম-সংস্কৃতি | এ. কদ্দুচ | 19 |
| মহাত্মা গান্ধীৰ "সমাজ দৰ্শনৰ" এটি চমু বিশ্লেষণ | আব্দুল ওৱাহাব সৰকাৰ | 23 |
| আদৰ্শ পৰিয়াল ঃ এটি পৰ্যালোচনা | এ. আজিজ দেৱান | 26 |
| জিনীয়ভাৱে ৰূপান্তৰিত উদ্ভিদ ইয়াৰ ধনাত্মকআৰু ঋণাত্মক দিশ | ড° চৈয়দা জাহানাৰা বেগম | 28 |
| পৰিৱেশত গধুৰ ধাতু | হাইদৰ আলী আহমেদ | 30 |
| পাকাশয়ৰ বায়ু বা গেছিং সমস্যা আৰু সমাধান | ড° এম. এছ. শ্বেইখ | 32 |
| সপোন | ড° ইমৰুল হুছেইন | 34 |
| বিশ্বাস বিড়ম্বনা | শামছুল আলম | 35 |
| অসমীয়া ফকৰা-যোজনা, ডাকৰ বচন আৰু লোকবিশ্বাসত খাদ্য তথা স্বাস্থ্যৰ দিহা | ড° নিতু চহৰীয়া | 38 |
| শিক্ষাৰ্থীৰ অনুশাসনহীনতা এক সামাজিক ব্যাধি | মোস্তাফিজুৰ ৰহমান | 41 |

## কবিতা শিতানঃ


| | | |
|---|---|---|
| ঠিকনা | ➪ ছেয়দা হামিদা খাতুন | 45 |
| তাজমহল | ➪ মাছুমা মৰ্জিনা ৰহমান | 46 |
| জীৱন কি? | ➪ ছৈয়দ নছিম আখতাৰ | 47 |
| সমাজৰ দৃষ্টিত নাৰী | ➪ মোস্তাফা মোবাৰক মুৰ্শ্বেদ | 48 |
| প্ৰেমৰ স্মৃতি | ➪ খাইৰুল ইছলাম | 49 |
| অসম তুমি কাৰ? | ➪ মীৰ ৰবিউল আউৱাল | 50 |
| মনৰ অজানিতে | ➪ মহিবুল ইছলাম আহমেদ (সাহিদ) | 51 |
| ল'ৰালিৰ আবেলি | ➪ আমিনুল ইছলাম ছিদ্দিকী | 52 |
| আমাৰ শিক্ষাগুৰু | ➪ ছাইফ উদ্দিন | 53 |
| আঁৰে আঁৰে | ➪ মোজাম্মেল হক | 54 |
| তুমি কোন? | ➪ মইনুল হক | 55 |
| নৱজ্যোতি | ➪ ইলিয়াচ হুছইন | 56 |
| পোহৰ বিচাৰি অবিৰত যাত্ৰা | ➪ নুৰ আফৰুজা বেগম | 57 |
| নৱজ্যোতি মহাবিদ্যালয় | ➪ নুৰ নাহাৰ ৰহমান | 58 |
| কিতাপ | ➪ ৰফিকুল হক | 59 |
| তোমাক লৈ মোৰ অনুভৱ | ➪ ফাৰুক আব্দুলাহ | 60 |
| প্ৰতিশ্ৰুতি | ➪ জ্যোতিস্মিতা তালুকদাৰ | 61 |


## ENGLISH SECTION:


| | | |
|---|---|---|
| Role of NCC in Nation Building | ➪ Prof. Masud Hasan | 62 |
| Hypertension/HBP | ➪ Dr Yogendra Jha | 64 |
| E-Learning and Academic Libraries | ➪ Merina Ahmed | 66 |
| Education as an investment and its return | ➪ Basiron Nessa | 68 |
| XNA – New twist in Molecular Genetics | ➪ Mamoni Aktar Moni | 70 |
| Environmental Degradation and Man-Animal Conflict: A burning tragedy in Environmental Crisis | ➪ Dhrubajyoti Das | 71 |
| Human Relation Movement in Management | ➪ Md. Ramzan Ali | 76 |
| Chocolate : The new health food. | ➪ Nurul Amin Shikder | 79 |


## POEM:


| | | |
|---|---|---|
| I LOVE HATSINGIMARI | ➪ Zahidul Islam | 80 |
| MY HEARTLAND | ➪ Nurul Amin Shikder | 81 |
| YOU AND ME; AND OUR THINKING | ➪ Faruk Abdullah | 82 |

| | |
|---|---|
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | 83 |
| সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | 85 |
| সংগীত আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন | 86 |
| সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন | 87 |
| গুৰু খেল সম্পাদকৰ প্ৰতিবেদন | 88 |
| লঘু খেল সম্পাদকৰ প্ৰতিবেদন | 89 |
| তৰ্ক আৰু সুকুমাৰ কলা সম্পাদকৰ প্ৰতিবেদন | 90 |
| শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন | 91 |
| ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | 92 |
| ছাত্ৰী জিৰণীকোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | 93 |

# যৌতুক আৰু নাৰী নিৰ্যাতন

**শিৰাজুল হক**
তৃতীয় যান্মাসিক (বিজ্ঞান শাখা)

আজিৰ যুগৰ মানুহে নিজৰ স্বাৰ্থ পূৰণ কৰিবৰ বাবে বিভিন্ন ধৰণৰ নীতি-নিয়ম সৃষ্টি কৰি লৈছে। দেখা যায় আজি কোনো এখন ঘৰত ল'ৰাৰ বিয়া পাতিবলৈ হ'লে প্ৰথমে ছোৱালীৰ ঘৰৰ পৰা কি দিব নিদিব সিটোকেই আলোচনা কৰে। যদিহে ছোৱালী ঘৰে কোৱা অনুযায়ী বস্তু-বাহানি দিব নোৱাৰে, তেতিয়া হ'লে বিয়াখন ভাঙি দিয়ে, যদিও ছোৱালীজনীৰ এজনী আদৰ্শ বোৱাৰী হোৱাৰ যিখিনি গুণ লাগে, গোটেইখিনি থাকে। তথাপিও সেইখন ঘৰলৈ বোৱাৰী হৈ যোৱাৰ সৌভাগ্য নহয়। কাৰণ ছোৱালীৰ ঘৰৰ পৰা যৌতুক দিয়াৰ সামৰ্থ নাই।

বৰ্তমান সমাজত বাতৰি-কাকত, Facebook, Whatsapp আদিতো প্ৰায় যৌতুক আৰু নাৰী নিৰ্যাতনৰ কথা পোৱা যায়। আজি কালি সমাজত তিনি শ্ৰেণীৰ মানুহ আছে। যেনে- ধনী, মধ্যবিত্ত আৰু দুখীয়া।

ধনী মানুহৰ ঘৰত যদি মধ্যবিত্ত বা দুখীয়া ঘৰৰ ছোৱালী এজনী বোৱাৰী হৈ যাব বিচাৰে, সেয়া বহুসময়ত অসম্ভৱ হৈ পৰে আৰু যদি কিবা কাৰণত বোৱাৰী হৈ যায়, তেতিয়া যৌতুকৰ কাৰণে শাৰীৰিক নিৰ্যাতনৰ বলি হ'বলগীয়া হয়। এটা সময়ত সেইজনী বোৱাৰীয়ে এনেকুৱা পৰিস্থিতিত থিয় দিবলগীয়া হয় যে মৃত্যুক সাৱটি লোৱাৰ বাহিৰে আন পথ নেথাকে। এনেকুৱা ঘটনা আমাৰ সমাজত প্ৰায়ে দেখা যায়। কাৰণ ধনী মানুহে ভাবে আমি আৰু ধনী হ'ব লাগিব।

মধ্যবিত্ত শ্ৰেণীৰ মানুহেওঁ দুখীয়া ঘৰৰ ছোৱালী বিয়া পাতিব নিবিচাৰে। মধ্যবিত্ত শ্ৰেণীৰ মানুহে ধনী মানুহৰ লগত ফেৰ মাৰি চলিব বিচাৰে। সেই কাৰণে মধ্যবিত্ত মানুহৰ মাজত যৌতুকৰ প্ৰৱণতা বেছি। মধ্যবিত্ত ঘৰৰ ল'ৰা এজনে যদি দুখীয়া ঘৰৰ ছোৱালী এজনীক বিয়া পাতিব বিচাৰে, তেতিয়া ল'ৰাজনৰ ঘৰৰ পৰা সোধে সিহঁতে কি কি যৌতুক দিব পাৰিব। যদি নোৱাৰে তেতিয়া হ'লে নহ'ব। ল'ৰাজনে যদি মানি নলয়, কিবা কাৰণত ছোৱালীজনীক বিয়া পাতি দিয়ে। কিছুদিন যোৱাৰ পিছত দেখা যায় শশুৰৰ ঘৰৰ পৰা যৌতুকৰ কাৰণে বোৱাৰীজনীক ভাল চকুৰে নাচায়। ল'ৰাজনক ঘৰৰ পৰা ভয় দেখুৱাই কয়, তই যদি এই বোৱাৰীক নেখেদ তোক ঘৰৰ পৰা উলিয়াই দিয়া হ'ব আৰু কয় তোক ইয়াতকৈ ভাল ছোৱালীৰ লগত পাতি দিম। এনেকুৱা পৰিস্থিতিত ল'ৰাজনে ঘৰৰ কথা মানি লয়।

সকলোৰে মিলি বোৱাৰীজনীক খেদিব বিচাৰে, যদি ভালে ভালে নেযায়, তেতিয়া মাৰি পেলোৱাৰ ভাবুকি দিয়ে। তথাপিও যদি নেযায়, সচাঁ অৰ্থত বোৱাৰীজনীক হত্যা কৰে। এনেকুৱা ঘটনা আমাৰ সমাজত প্ৰায়ে দেখা যায়। এইবোৰ ঘটনা আমাৰ সকলোৰে বাবে বৰ দুৰ্ভাগ্যপূৰ্ণ।

# কন্যা সন্তান জন্মৰ বাবে মাতৃ দায়ী নহয়

মীৰ ৰবিউল আউৱাল
চতুৰ্থ যান্মাসিক (কলা শাখা)

নিজৰ দৰে একে জীৱ জন্ম দিয়াটো সকলো জীৱৰে এটা বৈশিষ্ট্য। এটা প্ৰজাতিৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ প্ৰজনন অতি প্ৰয়োজন। জীৱৰ ভিতৰত শ্ৰেষ্ঠ জীৱ মানুহৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু জীৱশ্ৰেষ্ঠ মানুহে বংশগতিৰ এই ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ গৈ কিছুমান ক্ষেত্ৰত অজ্ঞতাৰ পৰিচয় দি আছে। যি সময়ত মানুহে উন্নতিৰ জখলাৰ শীৰ্ষত স্থান ল'বলৈ সক্ষম হৈছে, মহাকাশত স্থায়ীভাৱে বসবাস কৰিবলৈ প্ৰয়াস কৰি আছে আৰু অত্যাধুনিক কম্পিউটাৰ সাজিবলৈ সক্ষম হৈছে, সেই সময়তে আমি কিছুমানে বিজ্ঞানৰ জ্ঞান নথকাৰ পৰিচয় দিছো। বিজ্ঞানৰ জ্ঞান নথকাৰ কাৰণেই আমি কিছুমান ক্ষেত্ৰত অন্যায় কৰি আছো। এতিয়াও আমি কন্যা সন্তানক ল'ৰাৰ সম-মৰ্য্যদা দিব পৰা নাই। এতিয়াও আমাৰ সমাজত কোনোবা মাতৃয়ে কন্যা সন্তান জন্ম দিলে মাতৃজনীক সমাজৰ একাংশই ঘৃণাৰ চকুৰে চায়। কন্যা সন্তান জন্ম দি মাতৃজনীয়ে যেন ডাঙৰ এটা অপৰাধহে কৰিছে। কিছুমান পৰিয়ালত মাতৃজনীক বিভিন্ন ধৰণে নিৰ্যাতন কৰা হয়। আনকি ল'ৰা সন্তান পোৱাৰ আশাত পুৰুষজনে দ্বিতীয় বিয়া পতাও দেখা যায়। কন্যা সন্তান জন্ম দিয়াৰ বাবে মাতৃজনীক জগৰীয়া কৰা হয়। আচলতে কন্যা সন্তান জন্ম দিয়াৰ বাবে মাতৃজনী দায়ী নে?

পিতৃৰ ক্ষেত্ৰত অণ্ডকোষ পুংজনন কোষ উৎপন্ন কৰে যিবোৰক শুক্ৰাণু বোলে। মাতৃৰ ক্ষেত্ৰত ডিম্বাশয়ে স্ত্ৰীজনন কোষ উৎপন্ন কৰে, ইয়াক ডিম্বক বা ডিম্বাণু বোলে। স্বামী আৰু স্ত্ৰীৰ উপযুক্ত সময়ত মিলনৰ পিছত যোজন কোষ গঠন হয়। নিষিক্ত ডিম্বাণু বা যোজন কোষেই কেচুৱাটোৰ লিংগ কি হ'ব তাৰ সংকেত দিয়ে। যোজন কোষৰ ভিতৰত থকা সুতাৰ নিচিনা ক্ৰমজমত এই সংকেতবোৰ থাকে। মানুহৰ দেহৰ প্ৰতিটো কোষৰ কোষ কেন্দ্ৰত ২৩ যোৰ ক্ৰমজম থাকে। ইয়াৰে এযোৰ ক্ৰমজমক x আৰু y বা যৌন ক্ৰমজম বোলে। মহিলাৰ ক্ষেত্ৰত দুডাল x ক্ৰমজম থাকে আৰু পুৰুষৰ ক্ষেত্ৰত এডাল x আৰু y ক্ৰমজম থাকে। নিষিক্ত নোহোৱা ডিম্বাণুত মাত্ৰ এডাল x ক্ৰমজম থাকে। কিন্তু শুক্ৰাণুবিলাকত দুই প্ৰকাৰ ক্ৰমজমেই থাকে। এবিধ x ক্ৰমজম আৰু আনবিধ y ক্ৰমজম। যেতিয়া x ক্ৰমজমযুক্ত এটা শুক্ৰাণুৱে ডিম্বাণুক নিষিক্ত কৰে তেতিয়া তাৰ পৰা সৃষ্টি হোৱা যোজন কোষটোত দুডাল x ক্ৰমজম থাকিব আৰু ই এটি কন্যা সন্তানলৈ বিকশিত হ'ব। যদি শুক্ৰাণুটোৱে y ক্ৰমজম যুক্ত হৈ ডিম্বাণুক নিষিক্ত কৰে তেতিয়াৰ তাৰ পৰা সৃষ্টি হোৱা যোজন কোষটোত দুডাল ক্ৰমজম ক্ৰমে y আৰু x থাকিব আৰু ই এটি ল'ৰা সন্তানলৈ বিকশিত হ'ব।

এতিয়া দেখা গ'ল যে পিতৃৰ যৌন ক্ৰমজমে ভৱিষ্যতৰ শিশুৰ লিংগ নিৰ্ণয় কৰে। মাতৃজনী শিশুৰ লিংগ নিৰ্ণয়ৰ বাবে দায়ী নহয়। কন্যা সন্তানৰ বাবে যদি জগৰীয়া কৰিবলগীয়া হয়, তেন্তে সেয়া পিতৃজনক জগৰীয়া কৰিব লাগিব; মাতৃজনীক নহয়। গতিকে কোনো মাতৃয়ে কন্যা সন্তান জন্ম দিয়াৰ বাবে স্বামী বা পৰিয়ালৰ আন সদস্যৰ পৰা যদি অমানসিক অত্যাচাৰ ভূগিবলগীয়া হয়, সেয়া অন্যায়। এই ভূল ধাৰণা দূৰ কৰিবৰ কাৰণে আমাৰ সমাজৰ প্ৰত্যেকজন ব্যক্তি শিক্ষিত হ'ব লাগিব। শিশুৰ লিংগ নিৰ্ণয়ত যে মাতৃজনী দায়ী নহয় তাক বিভিন্ন উপায়ে মানুহক বুজাব লাগিব।





# পৃথিৱীৰ জৈৱ-বৈচিত্ৰৰ প্ৰভাৱ

জাকিৰুল ইছলাম
উঃ মাঃ দ্বিতীয় বাৰ্ষিক (বিজ্ঞান শাখা)

পৃথিৱীত কিমান প্ৰকাৰৰ প্ৰজাতি আছে কোৱা টান। ইয়াৰে মাত্ৰ ৩-৪ শতাংশহে চিনাক্ত কৰা হৈছে। আমাৰ প্ৰয়োজনীয় সকলো ধৰণৰ বস্তু এইবিলাকৰ পৰা আহৰণ কৰো। আমি মনত ৰাখিব লাগিব যে, প্ৰতিটো প্ৰজাতিয়ে পৰিৱেশৰ বাবে প্ৰয়োজনীয় কাম কৰি আছে আৰু প্ৰত্যেকেই বিৱৰ্তনৰ বাহক। আমি এইবিলাক ধ্বংস নকৰি সংৰক্ষণ কৰা উচিত। কাৰণ এটা সময়ত দেখা যাব যে, এইবিলাকৰ বেছিভাগেই আমাৰ কিমান প্ৰয়োজন হয়।

একোটা প্ৰজাতিৰ ভিতৰত অসংখ্য ধৰণৰ অনুবংশীয় বৈচিত্ৰ থকা দেখা যায়। প্ৰজাতিৰ ফালৰ পৰা যদিও এইবিলাক দেখাত একেই কিন্তু এইবিলাকৰ কাম বেলেগ বেলেগ। পৃথিৱীৰ বৰ্তমানলৈকে চিনাক্ত কৰা প্ৰজাতি সমূহৰ ৮.১ শতাংশ ভাৰতবৰ্ষত পোৱা যায়। ভাৰতবৰ্ষত প্ৰায় ৪৫,০০০ উদ্ভিদ প্ৰজাতি আৰু প্ৰায় ৫ লাখ প্ৰাণী প্ৰজাতি পোৱা যায়। সেইবাবে ভাৰতবৰ্ষ পৃথিৱীৰ ১২ টা বৃহৎ জৈৱ বৈচিত্ৰ অঞ্চলৰ অন্যতম বুলি কোৱা হয়।

পৃথিৱীৰ সকলো ঠাইৰ জৈৱ বৈচিত্ৰ একে নহয়। বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ উদ্ভিদ আৰু প্ৰাণী দেখা যায়। জৈৱ বৈচিত্ৰৰ এনে তাৰতম্যৰ কিছুমান আৰ্হি আছে। ইয়াৰ ভিতৰত বিষুৱীয় ঢাল অন্যতম। দেখা যায় যে, বিষুৱীয় অঞ্চলত জৈৱ বৈচিত্ৰ আটাইতকৈ বেছি। আকৌ মেৰু অঞ্চলত ইয়াৰ প্ৰৱণতা কম। অক্ষৰেখাৰ ওপৰত জৈৱ বৈচিত্ৰ কেনেকৈ নিৰ্ভৰ কৰে তাৰ উদাহৰণ হিচাপে কব পাৰি যে বিষুবীয় অঞ্চলত অৱস্থিত কলম্বিয়াত প্ৰায় ১৪০০ চৰাইৰ প্ৰজাতি পোৱা যায়। ৪১° N ত অৱস্থিত নিউইয়ৰ্কত ১০৫ চৰাইৰ প্ৰজাতি আৰু ৭১°N অৱস্থিত গ্ৰীণলেণ্ডত ৫৬ চৰাইৰ প্ৰজাতি পোৱা যায়। ভাৰতবৰ্ষ ক্ৰান্তীয় অঞ্চলত পৰা বাবে ইয়াত প্ৰায় ১২০০ চৰাইৰ প্ৰজাতি পোৱা যায়। ক্ৰান্তীয় আমাজন উপত্যকা অঞ্চল জৈৱ বৈচিত্ৰৰ বাবে পৃথিৱী বিখ্যাত। তাত প্ৰায় ৪০০০০ উদ্ভিদৰ প্ৰজাতি, ৩০০০ মাছৰ প্ৰজাতি, ১৩০০ চৰাইৰ প্ৰজাতি, ৪২৭ স্তন্যপায়ীৰ প্ৰজাতি, ৪২৭ উভচৰ প্ৰজাতি, ৩৭৮ সৰ্প প্ৰজাতি আৰু ১২৫০০০ অমেৰুদণ্ডী প্ৰাণীৰ প্ৰজাতি বাস কৰে।

মানুহৰ কাৰ্যকলাপৰ ফলত অনবৰত জৈৱ বৈচিত্ৰ্য ধ্বংস হৈ গৈ আছে। মানুহৰ খাদ্যৰ বাবে, ঔষধৰ বাবে, বাট-পথ, কল-কাৰখানা, নদী-বান্ধ, নগৰ-চহৰ পতন ইত্যাদিৰ বাবে বননি ধ্বংস কৰাৰ ফলত প্ৰাণীৰ বাসস্থানো ধ্বংসহৈ গৈ আছে। ফলত উদ্ভিদ প্ৰজাতি ধ্বংস হোৱাৰ উপৰিও প্ৰাণীৰ অনেক প্ৰজাতিও অৱলুপ্ত হৈছে। পৃথিৱীত মানুহ আৱিৰ্ভাৱ হোৱাৰ পূৰ্বেও ব্যাপকভাৱে প্ৰজাতিৰ অৱলুপ্তি ঘটিছিল প্ৰাকৃতিক কাৰণত কিন্তু, বৰ্তমানৰ অৱলুপ্তিৰ হাৰ সেই সময়ৰ হাৰতকৈ প্ৰায় ১০০ ৰ পৰা ১০০০০ গুণ অধিক। এনে ধৰণে প্ৰজাতি অৱলুপ্ত হৈ গৈ থাকিলে ভৱিষ্যতে বৰ্তমানৰ প্ৰজাতিসমূহৰ আধা বিলুপ্ত হ'ব।

যিবিলাক প্ৰাকৃতিক পৰিৱেশত যথেষ্ট সংখ্যক থলুৱা প্ৰজাতি সমূহ পোৱা যায় আৰু যিবিলাক অঞ্চলৰ জৈৱ বৈচিত্ৰা মানুহৰ কাৰ্য কলাপৰ ফলত এতিয়াও ক্ষতিগ্ৰস্ত হোৱা নাই তেনে কিছুমান অঞ্চল গোটেই পৃথিৱীৰ বিভিন্ন দেশত চিনাক্ত কৰি লোৱা হৈছে আৰু এই অঞ্চল সমূহ যাতে কোনোভাৱে ক্ষতিগ্ৰস্থ নহয় তাৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমান পৃথিৱীত ৩৪ টা তেনে স্থান চিনাক্ত কৰা হৈছে। এই বিলাকক HOTSPOTS বোলা হয়। আমাৰ

দেশত তিনিটা HOTSPOTS চিনাক্ত কৰা হৈছে। এই বিলাক হ'ল- পশ্চিমঘাট, হিমালয় আৰু ভাৰত-ম্যানমাৰ সংলগ্ন অঞ্চল। ইয়াৰ উপৰিও আমাৰ দেশৰ বহুতো ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আৰু সংৰক্ষিত বনাঞ্চলত আদিম কালৰে পৰা উদ্ভিদ আৰু প্ৰাণী সংৰক্ষণ কৰা হয়।

এতিয়া সমগ্ৰ পৃথিৱীৰ জৈৱ বৈচিত্ৰ্য ৰক্ষাৰ বাবে প্ৰচেষ্টা কৰা হৈছে। জৈৱ বৈচিত্ৰ্য কোনো দেশ বা অঞ্চলৰ সম্পদ নহয়। ই সমগ্ৰ মানৱ জাতিৰ সম্পদ। ইয়াৰ কোনো ভৌগলিক বা ৰাজনৈতিক সীমাৰেখা নাই। জৈৱ বৈচিত্ৰ্য সমগ্ৰ জীৱ-জগতৰ পৰম্পৰাগত ধাৰা যি কোটি কোটি বছৰ ক্ৰম বিৱৰ্তনৰ ফলত আজিৰ অৱস্থাত উপনীত হৈছে। আমি ইয়াক ধ্বংসৰ পৰা ৰক্ষা কৰি চলিলে ই ক্ৰম বিৱৰ্তনৰ যোগেদি অধিক উন্নত জাতৰ প্ৰজাতিৰ সৃষ্টি কৰিব। সেয়ে আমাৰ ভৱিষ্যত বংশধৰৰ বাবে জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আমাৰ প্ৰধান কৰ্তব্য হোৱা উচিত।





# কাঁচৰ কথা

**খাদিজা ইয়াছমিন**
ষষ্ঠ ষান্মাসিক (বিজ্ঞান শাখা)

কাঁচ এবিধ বহুমুখী ব্যৱহাৰযুক্ত সামগ্ৰী, দৈনন্দিন ব্যৱহাৰৰ লগতে কাঁচ প্ৰযুক্তিবিদ্যা আৰু চিকিৎসা বিজ্ঞানৰ এবিধ অপৰিহাৰ্য সামগ্ৰী। খ্ৰীষ্টপূৰ্ব তিনি হাজাৰ পাঁচশ বছৰ আগতে ইজিপ্তৰ বাসিন্দা সকলে কাঁচৰ সামগ্ৰী ব্যৱহাৰৰ কৰাৰ প্ৰমাণ পোৱা যায়। মেছ'পটেমিয়ান সকলেও কাঁচৰ সামগ্ৰী ব্যৱহাৰ প্ৰমাণ আছে। কাঁচৰ উৎপত্তি স্থল দক্ষিণ ছিৰিয়া বুলি বিশেষজ্ঞসকলে অনুমান কৰে। কাঁচ একেটা যৌগিক পদাৰ্থ নহয়। কাঁচ কিছুমান ছিলিকেট যৌগৰ সংমিশ্ৰণ। সাধাৰণতে এটা ক্ষাৰ ধাতু, ছডিয়াম বা পটাছিয়াম আৰু এটা দ্বিযোজী ধাতুৰ ছিলিকেট (যেনে- কেলছিয়াম নতুবা লেডৰ) মিশ্ৰিত হৈ কাঁচ উৎপন্ন হয়। কাঁচ সাধাৰণতে স্বচ্ছ বা অৰ্ধস্বচ্ছ হ'ব পাৰে। কাঁচৰ কোনো নিৰ্দিষ্ট গলনাংক নাই আৰু ই অনিয়তাকাৰ। সেইবাবে কাঁচক অধিশীতলীকৃত তৰল বুলি কোৱা হয়। তাপ প্ৰয়োগ কৰিলে কাঁচ প্ৰথমতে কোমল হয় আৰু উষ্ণতা বৃদ্ধিৰ লগে লগে অধিকতৰ কোমল হৈ শেষত জুলীয়া পদাৰ্থত পৰিণত হয়। জুলীয়া কাঁচ চেঁচা অৱস্থালৈ আহোতে দানা নবন্ধাকৈ কঠিন অৱস্থালৈ আহে। চেঁচা কৰাৰ সময়ত উষ্ণতা হ্ৰাস হোৱাৰ লগে লগে কাঁচৰ সান্দ্ৰতা বাঢ়িবলৈ ধৰে আৰু শেষত সান্দ্ৰতা ইমান বেছি হয় যে গোটাবস্তুৰ দৰেই কঠিন আৰু দৃঢ় হৈ পৰে। গতিকে কাঁচক ক্ষাৰ ধাতুৰ ছিলিকেট আৰু আন এটা ধাতুৰ ছিলিকেটৰ গলিত অৱস্থাৰ সমসত্ব মিশ্ৰ অধিশীতলীকৃত হোৱাৰ ফলত যি অনিয়তাকাৰ অতিসান্দ্ৰ সুদৃঢ় তৰল উৎপন্ন হয় তাকে কাঁচ বোলে।

কাঁচ বহু প্ৰকাৰ হ'ব পাৰে, কাঁচ ভেদে ইয়াৰ সংযুতিও বেলেগ বেলেগ হয়। সাধাৰণতে আমাৰ দৈনন্দিন জীৱনত বিভিন্ন কামৰ বাবে ব্যৱহাৰ হোৱা কাঁচ সমূহৰ নাম আৰু সংযুক্তি এনে ধৰণৰ- ছ'ডালাইম কাঁচ ($Na_2OCaO6SiO_3$), পটাচ লাইম কাঁচ ($K_2OCaO6SiO_3$), পটাছ লেড কাঁচ ($K_2OPbO6SiO_3$) ইত্যাদি।

ভিন ভিন বৰণ আৰু মানৰ কাঁচ উৎপাদনৰ বাবে ব্যৱহাৰ হোৱা সামগ্ৰী সমূহ হ'ল- কালি, কোৱাৰ্টজ বা টিডিৰি শীল, পোৰা চুন, ছ'ডাভস্ম, পটাছিয়াম কাৰ্বনেট, পটাছিয়াম নাইট্ৰেট, লেড অক্সাইড বা লিৰ্থাজ, ৰক্ত লেড আৰু শ্বেতলেড। কিন্তু ৰঙীন কাঁচ উৎপাদনৰ বাবে ওপৰত নাম দিয়া পদাৰ্থ সমূহৰ উপৰিও আন কিছুমান সামগ্ৰী (ধাতুৰ অক্সাইড আৰু লৱণ) ব্যৱহাৰ কৰিব লাগে। ছোডলাইম কাঁচ উৎপাদনৰ বাবে চক, ছ'ডাভস্ম আৰু পৰিস্কাৰ বালি, পটাছলাইম কাঁচ উৎপাদনৰ বাবে চক, পটাছিয়াম কাৰ্বনেট আৰু পৰিস্কাৰ বালি, পটাছলেড কাঁচ উৎপাদনৰ বাবে লিৰ্থাজ অথবা ৰক্তলেড, পটাছিয়াম কাৰ্বনে আৰু পৰিস্কাৰ বালি ব্যৱহাৰ কৰা হয়।

সাধাৰণ কাঁচ উৎপাদনৰ বাবে চক, ছ'ডাভস্ম আৰু পৰিস্কাৰ বালি প্ৰথমে বেলেগে বেলেগে অতি মিহিকৈ গুৰি কৰি লৈ প্ৰয়োজনীয় জোখত মিহলাই লোৱা হয়। এই মিশ্ৰনৰ লগত কিছুমান ভগা কাঁচৰ টুকুৰা মিহলাই দিয়া হয়। সেইবোৰক কিউলেট বোলে। ভগা কাঁচৰ টুকুৰাই মিশ্ৰণটো কম উষ্ণতাত গলাত সহায় কৰে। তাৰ পিছত মিশ্ৰণটো এটা বিশেষ ভাৱে নিৰ্মিত অগ্নিসহী চুল্লিত প্ৰায় ১৪০০ ছেঃগ্ৰেঃ উত্তাপিত কৰা হয়। মিশ্ৰণটো গলি যোৱা পাছত পদাৰ্থ বিলাকৰ মাজত বিক্ৰিয়া ঘটি ছিলিকেট উৎপন্ন হয় আৰু উদ্বায়ী পদাৰ্থ সমূহ আঁতৰি যায়। ব্যৱহাৰ কৰা কেঁচা মাল সমূহত থকা অপদ্ৰব্য বিশেষকৈ লৌহ যৌগৰ বাবে কাঁচ সম্পূৰ্ণ স্বচ্ছ নহয়। সেইবোৰ আঁতৰাবলৈ কিছুমান বিৰঞ্জক পদাৰ্থ-

মেংগানিজ ডাই অক্সাইড, পটাছিয়াম নাইট্রেট, ৰেডলেড আদি গলিত কাঁচত মিহলি কৰি কাঁচ স্বচ্চ কৰা হয়। গেছ ওলোৱা শেষ হোৱাৰ পিছত গলিত মিশ্ৰিত গেছ আৱদ্ধ হৈ আছে নাই পৰীক্ষা কৰি চোৱা হয়। তাৰ পাছত মিশ্ৰিনটো চেঁচা হ'বলৈ দি যেতিয়া লালিৰ নিচিনা হয়, তেতিয়া সাঁচত ঢালি, ৰলাৰত চেপি, অথবা ফুৱাই বেলেগ গঢ় দিয়া হয়।

ৰঙীন কাঁচ উৎপাদনৰ বাবে ধাতৱ অক্সাইড লৱণ অথবা অন্যান্য পদাৰ্থ কাঁচত মিহলাই মিশ্ৰণটো সমসত্ব নোহোৱালৈ উত্তাপিত কৰা হয়। নীলা কাঁচৰ বাবে কবাল্ট অক্সাইড, কিউপ্ৰিক অক্সাইড, ৰঙা কাঁচৰ বাবে কিউগ্ৰাছ অক্সাইড, ক'লডীয় সোণ, সেউজীয়া কাঁচৰ বাবে ক্ৰমিয়াম অক্সাইড, ফেৰ'ছ'ফেৰিক অক্সাইড, হালধীয়া কাঁচৰ বাবে এন্টিমনি ছালফাইড, ছিলভাৰ ব'ৰেট, বেঙুনীয়া কাঁচৰ বাবে মেংগানিজ ডাই অক্সাইড, অস্বচ্ছ বগা কাঁচৰ বাবে টিন অক্সাইড, জাংফাই ৰঙৰ কাঁচৰ বাবে কাৰ্বন আৰু ফেৰাছ ছালফাইড ব্যৱহাৰ কৰা হয়। সম্পূৰ্ণ কলা কাঁচ পোৱা নাযায়।

কাঁচৰ উপাদান আৰু সংযুক্তিৰ ওপৰত ভিত্তি কৰি ভিন ভিন প্ৰকাৰৰ কাঁচ পোৱা যায়। সেইবোৰৰ শ্ৰেণী বিভাজন আৰু ব্যৱহাৰৰ ক্ষেত্ৰ অতি বিশাল। সাধাৰণতে কোমল কাঁচ বা ছ'ডা কাঁচ, কাঁচৰ নলী আৰু প্ৰয়োগশালাত কিছুমান সঁজুলি নিৰ্মাণৰ বাবে ব্যৱহাৰ হয়। পটাছ কাঁচ টান আৰু এইবোৰ উচ্চ উষ্ণতাত ব্যৱহাৰ হোৱা সঁজুলি নিৰ্মাণৰ বাবে ব্যৱহাৰ হয়। লেন্স, প্ৰিজম, কৃত্ৰিমৰত্ন, ইলেকট্ৰিক বাল্ব, আদি পটাছ লেড কাঁচেৰে তৈয়াৰ কৰা হয়। পৰীক্ষাগাৰৰ সঁজুলি, ঘৰুৱা ব্যৱহাৰৰ বাবে লগা, পাত্ৰ জেনা বা পাইৰেক্সা কাঁচেৰে আৰু সাধাৰণ বটল সমূহ ছ'ডা কাঁচেৰে তৈয়াৰ কৰা হয়।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে কাঁচৰ ব্যৱহাৰ অতি বিস্তৃত হৈ পৰিছে। পেকেজিং সামগ্ৰীৰ পৰা আৰম্ভ কৰি ঘৰৰ দৰ্জা, খিৰিকি, গাড়ী মটৰ, এৰোপ্লেন আদি সকলো ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হৈছে কাঁচৰ ব্যৱহাৰ। চিকিৎসা বিজ্ঞানত অভূতপূৰ্ব উন্নতি সাধন হৈছে, কাঁচৰ ব্যৱহাৰৰ যোগেদি। যোগা-যোগৰ ক্ষেত্ৰতো কাঁচৰ ব্যৱহাৰ উল্লেখনীয়। কাঁচৰ ব্যৱহাৰে আধুনিক মানুহৰ জীৱনলৈ সুদূৰ প্ৰসাৰী পৰিবৰ্তন সাধন কৰিছে। বন্ধুকৰ গুলী প্ৰতিৰোধী আৱৰণ, চিকিৎসা বিজ্ঞানৰ এণ্ডস্কপি, অণুবীক্ষণ যন্ত্ৰ, দূৰবীণ আদিৰ নিৰ্মাণ কাঁচৰ ব্যৱহাৰতে সম্ভৱ হৈছে। তৎসত্বেও কাঁচৰ ব্যৱহাৰত আমি সদায় সৰ্তক হ'ব লাগে। কাঁচ পৰিৱেশ প্ৰদূষক, কাঁচ নপচে, গতিকে কাঁচৰ ব্যৱহাৰ সীমিত পুনঃ ব্যৱহাৰ আৰু পুনঃ চালিত কাৰণ নীতিৰে কৰিব লাগে। ভগা কাঁচৰ টুকুৰা য'তে ত'তে পেলাব নালাগে।





# অসমৰ সাংস্কৃতিক পৰম্পৰা সংৰক্ষণ আৰু সংবৰ্দ্ধন

**মাছুমা মৰজিনা ৰহমান**
পঞ্চম যান্মাসিক

**আৰম্ভণিঃ** কৃষ্টি, কৰ্ষন, সংস্কৃতি। মানৱ মনৰ কৰ্ষণ হৈ সৃজনশীলতা, সৌন্দৰ্য্যবোধ আদি সম-কৃতিৰ সৃষ্টিয়েই হ'ল সংস্কৃতি। সংস্কৃতি বোৱঁতী নৈ। নৈৰ ধৰ্ম সংস্কৃতিৰ ধৰ্মৰ লগত একে। সৰু বৰ জান-জুৰি গোট খাই নৈ বৈ যায়। নৈৰ খহনীয়া হয়, পাৰত চাপৰি পৰে, গৰা খহে, বলুকা পাতে, কিন্তু নৈ বৈ থাকে নিৰবধি। সৰু বৰ জাতিৰ সাংস্কৃতিক উপাদানৰ জান-জুৰিৰে এক জাতীয় সংস্কৃতি গঢ় লৈ উঠে। সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্ম লৈ সংস্কৃতিয়ে যোগ বিয়োগৰ চিৰা চৰিত ৰীতি মানি আগবাঢ়ি যায়। সংস্কৃতি সমাজৰ দান। মানুহ যেতিয়াৰ পৰা গোষ্ঠীবদ্ধভাৱে সমাজপাতি বাস কৰিবলৈ ল'লে, তেতিয়াৰ পৰাই তেওঁলোকে কিছু নিয়ম মানি চলিব লগা হ'ল। গোষ্ঠীবদ্ধ হৈ থাকোতে মানুহৰ যি কৰ্মসূচী গঢ়ি উঠিল, দৈহিক আৰু মানসিক যি বিৱৰ্তন সাধিত হ'ল আৰু তাৰ ফলত মানুহ যি নতুন চৰিত্ৰ লাভ কৰিলে তাৰ পৰিচয় তেওঁলোকৰ ভাষা সাহিত্য নাট, গীত-মাত, পূজা-পাৰ্বন, স্থাপত্য-ভাস্কৰ্য, লিপি লেখন কলা শিল্পকলা আচাৰ-বিচাৰ আদিত প্ৰকাশ হ'ল তাকেই তেওঁলোকক সংস্কৃতি বোলে। পশুত্বৰ পৰা মনুষত্বলৈ উধোৱা দেৱসম কৃতিয়েই হ'ল সংস্কৃতি। সংস্কৃতি এটা জাতিৰ জাতীয়, জীৱনৰ বোৱতী সুঁতি।

**অসমৰ সংস্কৃতি পৰম্পৰাঃ** অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। ই কোনো নিৰ্দিষ্ট গোষ্ঠীৰ সংস্কৃতি নহয়। আৰ্য্য, কিৰাত, নিষাদ, দ্ৰাবিড় সকলো সংস্কৃতিৰ উপাদান সংমিশ্ৰিত হৈ বহুযুগৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে অসমীয়া সংস্কৃতিৰ গঢ় লৈ উঠিছে।

প্ৰাগৈতিহাসিক যুগত গঢ় ল'বলৈ আৰম্ভ কৰা এই অনামী সংস্কৃতিয়ে বহুতো স্তৰ গৰকি আধুনিক যুগত ভৰি দিছেহি। আহোমযুগত এই সংস্কৃতিয়ে অসমীয়া সংস্কৃতিৰ নাম লয়। অসমীয়া সংস্কৃতি কৃষিকাৰ্যৰ লগত ওতপ্ৰোতঃ ভাৱে জড়িত। অসম মৌচুমী অঞ্চলত অৱস্থিত, গতিকে ই খেতিপ্ৰধান। ইয়াৰ লোক সংস্কৃতিও কৃষিমুখী। উৎসৱ পাৰ্বন, লৌকিক আচাৰ ব্যৱহাৰ সকলোতে কৃষিমুখিতা। বিহু অসমৰ জাতীয় উৎসৱ। বিহু হ'ল কৃষিৰ লগত সম্পৰ্কিত উৎসৱ। বিহুৰ মাজেৰে অসমীয়া জাতিৰ আচাৰ- বিচাৰ, বিশ্বাস কৃষ্টি-কলাৰ প্ৰতিফলন হয়। বিহুগীত আৰু বিহু নাচ অসমীয়া সংস্কৃতিৰ এটা অংগ। বিহুৰ আধ্যাত্মিক অনুষ্ঠানৰ মাজত শান্তি আৰু ডেকা-গাভৰুৰ মুকলিমূৰীয়া নৃত্য-গীতৰ মাজত শক্তি আৰু মুক্তিৰ সহাঁৰি পোৱা যায়।

মিছিং সকলেও আহুধান সিচিবৰ দিনা বসন্তোৎসৱ পাতে যাকে জানজাতিয়ে ভাষাত আলি-আই- লৃগাং কয়। এই উৎসৱৰ বিহুৰ নিচিনা ঢোল, পেপা, গগণা লৈ ৰং ধেমালি কৰে।

ৰাভা সকলেও 'বৈশাখু' উৎসৱ পালন কৰে। এই উৎসৱত সিঁহতে লোকাচাৰ সন্মত দেৱ-দেৱী সকলক পূজা দিয়ে। গৰুক গা-ধুৱায়, কিন্তু হুঁচৰি নাগায়। অসমৰ চাহ বণুৱাসকলে বাগিছাৰ দাঁতি কাষৰ পতিত মাটিত থিতাপি লয় আৰু বিভিন্ন ঠাইৰ পৰা অহা বণুৱাৰ সংস্কৃতিও ভিন্ন। সেয়েহে বিভিন্ন সংস্কৃতিৰ সংমিশ্ৰণ ঘটি এক সমন্বয়ী সংস্কৃতিৰ সৃষ্টি হয়। চাহ বণুৱাৰ জন জীৱনত যিবোৰ উৎসৱ পাৰ্বনৰ পয়োভৰ তাত মূল অষ্ট্ৰিক উৰ্বৰা বিশ্বাসৰ প্ৰভাৱ স্পষ্ট। কৰমপূজা, টুচু পূজা, গৰয় পূজা, গ্ৰাম পূজা আদি কৃষিধৰ্মী উৰ্বৰা বিশ্বাস জড়িত অনুষ্ঠান। ভাদ মাহত অনুষ্ঠিত কৰম পূজাৰ সময়ত নিজৰ ঘৰত মৃতকৰ সকাম পতা, দেওধনি উঠা ঝুমুৰৰ দৰে সমৱেত নাচৰ আয়োজন অসমৰ অন্যান্য অনুষ্ঠানৰ উপলক্ষ্যত দেখা যায়। বিহু নাচৰ যৌন আবেদন চাহ জনগোষ্ঠীৰ ঝুমুৰ নাচতো আছে।

শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সংস্কৃতিৰ ভেটি টনকিয়াল কৰি থৈ গৈছে। কীৰ্তনঘোষা শংকৰদেৱৰ অমৰ সৃষ্টি। শংকৰদেৱে সৃষ্টি কৰি থৈ যোৱা শংকৰী সংস্কৃতিত কাব্যৰস, দৰ্শন, ধৰ্মাদৰ্শন, মানৱীয় অনুভূতি সমানে থূপ খাই আছে। শংকৰী সংস্কৃতিৰ মূল দুটি উপাদান হ'ল নামঘৰ আৰু সত্ৰ। নামঘৰ কেৱল উপাসনা গৃহই নহয় ই এটি সামাজিক অনুষ্ঠান। নামঘৰত ধৰ্মীয় আলোচনাৰ উপৰিও গাৱৰ নামঘৰত বায়নে গীত, নাটৰ আখৰা কৰি প্ৰশিক্ষণ দিয়ে। নামঘৰত উৎসৱ পাৰ্বন অনুষ্ঠিত হয়। অপূৰ্ব সাংস্কৃতিক নিদৰ্শন।

শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ দ্বাৰা অসমীয়া সংস্কৃতিৰ বাবে দুৱাৰ মুকলি কৰি দিয়ে। শংকৰদেৱে উপলব্ধি কৰা একশৰণ বৈষ্ণৱ আদৰ্শৰ প্ৰতিষ্ঠা প্ৰচাৰ আৰু প্ৰকাশ কৰিবলৈ চিত্ৰ আঁকিছিল, ভাওঁনা কৰিছিল আৰু গীত ৰচনা কৰি গীত গাইছিল। ফলত বৰগীত নামক উচ্চখাপৰ গীতসমূহ সৃষ্টি হৈছিল। শংকৰদেৱে অংকীয়া নাট সৃষ্টি কৰি চৰিত্ৰ আৰু সংলাপৰ মাধ্যমত কৃষ্ণৰ ঐশ্বৰিক অভিব্যক্তি প্ৰকাশ কৰি শ্ৰোতা দৰ্শকৰ কোমল মনত ভক্তিৰ কঠীয়া সিঁচিছিল। অংকীয়া নাট ৰচনা আৰু ইয়াৰ অভিনয়ৰ অন্তৰালত যদিও ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য নিহিত হৈ আছিল, আনহাতে ইয়েই সুদূৰ চতুৰ্দশ শতিকাতে অসমীয়া সংস্কৃতিক চহকী কৰি তুলিছিল।

অসমীয়া সংস্কৃতিৰ পৰিৱৰ্তনঃ- সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্ম লৈ সংস্কৃতিয়ে যোগ বিয়োগৰ চিৰাচৰিত ৰীতি মানি আগবাঢ়ি যায়। অসমীয়া সংস্কৃতিৰ এই নিয়মৰ ব্যতিক্ৰম নহয়। ছশ বছৰীয়া আহোম ৰাজত্ব আৰু শংকৰদেৱৰ অতুলনীয় প্ৰতিভাই অসমীয়া সংস্কৃতিৰ যি ভেঁটি বান্ধিছিল সি প্ৰায় তিনিশ বছৰ কাল কোবাল গতিৰে আগবাঢ়ি গৈছিল, কিন্তু মান-মৰাণৰ উৎপাতত সেই গতিলৈ স্থৱিৰতা আহিল আৰু ইংৰাজৰ আগমনৰ লগে লগেই সেই সুঁতিত খহনীয়া হ'বলৈ ধৰিলে। তথাৰ্থতে আধুনিক অসমীয়া, সংস্কৃতি পৰিৱৰ্তনৰ সংস্কৃতি। আধুনিক অসমীয়া সংস্কৃতিৰ পৰিবৰ্তনৰ গতি খৰতৰ কৰিছে ঘাইকৈ তিনিটা বস্তুৱে- ১। আধুনিক শিক্ষা, ২। নগৰমুখিতা আৰু ৩। উদ্যোগমুখিতা।

আধুনিক শিক্ষাই কম বেছি পৰিমাণে মানুহৰ মতি-গতি সলনি কৰিলে। পিন্ধন, উৰণ, খাৱন, বোৱন আদিত ৰীতি-নীতি সোমাল। অসমীয়া সংস্কৃতিৰ বাহিৰ ভাগটো বাহিৰৰ সম্পদেৰে উপচি পৰিছে। পশ্চিমীয়া বলীয়া বতাহে প্ৰাচীন সংস্কৃতিৰ ভেটি লৰাই পেলাইছে, বিয়াৰ আয়োজন, নিমন্ত্ৰণ, অভ্যৰ্থনাত আগৰ আন্তৰিকতা আৰু সামাজিকতা নাই।

বিহু মূলতে গাওঁমূখী কৃষিমুখী উৎসৱ, কিন্তু আধুনিক বিহু নগৰমুখী হৈছে। বিহু উৎসৱৰ ভোজ- ভাত আৰু হুচৰি বিহু নামৰ বাদে বাকী অনুষ্ঠান নাইকিয়া হৈছে। বিহুৱে গছৰ তল, পথাৰ আৰু নৈৰ পাৰ এৰি নগৰীয়া মঞ্চত উঠিছেহি। বিহুৰ নামত গীতৰ উশৃংখল, চিঞৰ-বাখৰ, পেঁপা, গগনাৰ ঠাই অধিকাৰ কৰিলে গীতাৰ, ড্ৰাম আদি বাদ্যযন্ত্ৰই। প্ৰাচীন অসমীয়া সংস্কৃতি আছিল গাওঁমুখী আধুনিক অসমীয়া সংস্কৃতি হ'ল নগৰমুখী। একালৰ কৃষিমুখী অসম লাহে লাহে উদ্যোগমুখীতাই পুৰণি অসমীয়া কুছিয়াৰ-শাল তেলী-শাল, আখল শালৰ স্বৰূপ সলনি কৰিছে। তাঁত শালেও মেলানি মাগিবলৈ ক্ষণ গণি আছে। কৃষি মুখী সমাজত ভাঙন ধৰাৰ লগে লগে এৰী, মুগা, পাটৰ খেতি কমি আহিছে। আজিকালি ৰিহা, মেখেলাৰ আদৰো কমি আহিছে। এতিয়া পশ্চিমীয়া চুটি কাপোৰ চলে। অৰ্থাৎ এইবোৰত নৱ সংস্কৃতিৰ নামত পাশ্চাত্যৰ অপ-সংস্কৃতি দ্ৰুত গতিত সোমাই পৰিছে। তথাৰ্থতে এই কোবাল পৰিবৰ্তনশীল অসমীয়া সংস্কৃতিৰ ইতিহাসত এক প্ৰত্যাহ্বানস্বৰূপে থিয় দিছে।

**অসমীয়া সংস্কৃতিৰ সংৰক্ষণ আৰু সমবৰ্দ্ধনাঃ** অসমীয়া সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ এটি অবিচ্ছেদ্য অংগ। সংস্কৃতি হ'ল কোনো এটা জাতিৰ দাপোন স্বৰূপ। হীনাৰ্থবোধক উপসৰ্গৰ প্ৰাধান্য প্ৰৱল হ'লে সংস্কৃতিয়ে তাৰ স্ব-ধৰ্ম হেৰুৱায়। অৱশ্যে সমাজৰ সৰ্বাংগীন বিকাশৰ কাৰণে পাশ্চাত্যৰ জ্ঞান-বিজ্ঞান, শিক্ষা, সংস্কৃতিৰ সন্মানাৰ্থে মূল্যবোধক আমি গ্ৰহণ কৰিবই লাগিব। কিন্তু যিবোৰে আমাক নুশুজে সেই অপসংস্কৃত সমূহ বাদ দিব লাগিব। তেতিয়াহে আমাৰ সংস্কৃতি সংৰক্ষিত আৰু সংবৰ্দ্ধিত হ'ব। ইউৰোপ, আমেৰিকা কিম্বা চীন আদিত যিবোৰ খাদ্য, পানীয় দৈহিক আৰু মানসিক পুষ্টিৰ কাৰণে অনুকূল ভাৰতৰ অঞ্চল বিশেষত সেইবোৰ স্বাস্থ্যৰ পক্ষে প্ৰতিকূল হ'ব পাৰে। অথচ অন্ধ অনুকৰণৰ বশৱৰ্ত্তী হৈ কিছুমানে নিজৰ সংস্কৃতি জলাঞ্জলি দিয়ে। এনে কৰা অনুচিত। পাশ্চাত্যক অনুকৰণ কৰি আজিকালি প্ৰায় সকলোৱে পোছাক-পৰিচ্ছেদ সলনি কৰিছে যাৰ ফলত বিভিন্ন ঠাইত বিভিন্ন অপৰাধ সংঘটিত হ'বলৈ পাইছে।





আমাৰ জাতীয় উৎসৱ বিহু যেন কৃত্ৰিমতাৰ পিনে ধাৱিত হৈছে। বিহুক জীয়াই ৰাখিবলৈ হ'লে ইয়াৰ আনুসঙ্গিক লোকাচাৰ সমূহ বিশ্লেষণ কৰিব লাগিব। তেতিয়াহে বিহুৰ মাজেৰে অসমীয়া সংস্কৃতিৰ ইতিহাসত এচেৰেঙা উজ্জ্বল পোহৰ পেলাব পৰা যাব।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে অসমীয়া সংস্কৃতিত বহুতো ভাঙোন আৰম্ভ হৈছে। গাঁৱলীয়া পৰম্পৰা, ঘৰ-দুৱাৰ, আচাৰ-ব্যৱহাৰ পৰিবৰ্তন হ'ব ধৰিছে। সকলো নগৰমুখী হ'ব ধৰিছে। কিছু অপ-সংস্কৃতিয়ে ছানি ধৰিছে। প্ৰত্যেকটো জাতিৰ স্ব-কীয়তা হেৰাই মিশ্ৰিত ভেজাল সংস্কৃতিৰ সৃষ্টি হৈ আছে। ঘৰ-দুৱাৰ, কাপোৰ-কানি, খোৱা-বোৱাত ভাগে ভাগে যি সংস্কৃতি আছিল সেইবোৰ যে একো একোখন ৰঙীন দলিচাৰ সৃষ্টি কৰিছিল। কিন্তু বৰ্তমান সকলো ৰং মিহলি হৈ এক ধুসৰ বৰণ লাভ কৰিছে। গতিকে আমাৰ সংস্কৃতিক ধৰি ৰখা বা সংৰক্ষণ কৰা বৰ জৰুৰী হৈ পৰিছে।

আমাৰ সংস্কৃতিৰ সংবৰ্ধনৰ ক্ষেত্ৰত সাধাৰণ ৰাইজৰ লগতেও চৰকাৰেও গুৰুত্ব আৰোপ কৰিব লাগিব। উৎসাহিত কৰিব লাগিব সকলোৱে সংস্কৃতি ধৰি ৰখাৰ ক্ষেত্ৰত অনৈক্যৰ মাজত ঐক্যৰ যি সংস্কৃতি তাত যাতে অপ-সংস্কৃতি সোমাই ধুসৰ পৰিৱেশৰ সৃষ্টি কৰিব নোৱাৰে, তাৰ প্ৰতি যথেষ্ট গুৰুত্ব প্ৰদান কৰিব লাগিব।

অসমীয়া সংস্কৃতি অসমৰ সকলো জাতি জন-জাতিৰ বাপতিসাহোন। অসমীয়া সংস্কৃতি উদাৰ আৰু গুণগ্ৰাহী। বিশেষকৈ শ্ৰীমন্ত শংকৰদেৱে যি মহান আদৰ্শৰে অসমত বৈষ্ণৱ পৰম্পৰা আৰু শংকৰী সংস্কৃতিৰ বৰগছৰ পুলিটো ৰুইছিল সেই আদৰ্শৰ ধ্বজাবাহী অনেক অনুষ্ঠান পিছলৈ বৰগছৰ জোপা আৱৰি ধৰিবলৈ যত্ন কৰি আহিছে। শংকৰী সংস্কৃতিৰ শিপা অসমৰ জন-জীৱনৰ দলৈকে শিপাই আছে। শংকৰী সংস্কৃতি অসমৰ জনসাধাৰণৰ মনত মনিকূটৰ সাঁচিথোৱা ৰাজহুৱা সম্পত্তি যি অক্ষয়, অব্যয়।

সামৰণিঃ অসমীয়া সংস্কৃতি বিশ্ব দৰবাৰতে বিৰল। সহজ সৰল অসমীয়া মানুহ অতিথি পৰায়ন জাতি-মাটি-ভেটি আৰু নিজা সংস্কৃতিৰ ক্ষেত্ৰত আপোচহীন। বিভিন্ন জাতি, ধৰ্মৰ মানুহে যেতিয়া ভিন্নতাৰ মাজতো ঐক্যতাৰ অসমীয়া সংস্কৃতিৰে উজ্জলি উঠে বিশ্বই তধা লাগি চায়। যেন অসমৰ সংস্কৃতি বাৰে-বৰণীয়া ফুলৰ বাগিছাহে। শত্ৰুকো তামোল-পাণেৰে আপ্যায়ন কৰি মিত্ৰ বনোৱা অসমীয়া সংস্কৃতিৰ পৰম্পৰা। সুধীজনক সন্মান জনোৱা, বীৰ পুৰুষক পাহৰি নোযোৱা অসমীয়া সংস্কৃতিৰ পৰম্পৰা। অসমীয়া জাতি থাকে মানে অসমীয়া সংস্কৃতি অসমতে নহয় গোটেই বিশ্বত শিৰ উন্নত কৰি চিৰ প্ৰবাহিত হৈ থাকিব।

# জুইশলা বাহ (ছেফ্‌টি মেট্‌চ)

নাৰ্জিনা আহমেদ
ষষ্ঠ যান্মাসিক (বিজ্ঞান শাখা)

ছেফ্‌টি মেট্‌চ বা নিৰাপদ জুইশলা বাহ বৰ্তমান আমাৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য আহিলাত পৰিণত হৈছে। জুই জ্বলাবলৈ, ৰন্ধা-বঢ়া কৰিবলৈ, চাহ বনাবলৈ, ল'ৰা ছোৱালীয়ে স্কুললৈ নিয়া টিফিন বনাবলৈ জুই জ্বলাব লাগে আৰু জুই জ্বলাবলৈ দিয়াশলাই বা জুইশলা বাহৰ প্ৰয়োজন হয়। কিন্তু আমাৰ যুৱ প্ৰজন্মৰ ধাৰণা এনেকুৱা যে জুই জ্বলোৱা লাইটাৰ মেট্‌চ বা দিয়াশলাই বৰ্তমানে আমি যেনেকুৱা পাইছো আৰম্ভণিৰ পৰাই যেন তেনেকুৱাই আছিল। প্ৰকৃততে ঘটনাটো তেনেকুৱা নহয়। আদিম মানুহে শিলৰ ঘৰ্ষণৰ দ্বাৰা জুই জ্বলাইছিল। নৰম কাঠত আন টান কাঠৰ শলা ঘহিও জুই জ্বলাইছিল। ক্ৰমান্বয়ে মানুহৰ জ্ঞানৰ বিকাশ হোৱাৰ লগে লগে জুই সংৰক্ষণ কৰিবলৈ শিকে আৰু বেলেগ বেলেগ পদ্ধতি অৱলম্বন কৰি জুই জ্বলাবলৈ আৰম্ভ কৰে।

পৰৱৰ্তী সময়ত চীন দেশত আৱিস্কাৰ হোৱা বাৰুদৰ ব্যৱহাৰৰ ফলত জুই জ্বলোৱা কাম অতি সহজ হৈ পৰিছিল। চীনা মুনি সকলে প্ৰাকৃতিকভাৱে পোৱা ছালফাৰ আৰু পটাছিয়াম নাইট্ৰেট মিহলাই সঞ্জীৱনী তৈয়াৰ কৰাৰ প্ৰচেষ্টাৰ পৰাই আকস্মিকভাৱে বাৰুদৰ আৱিস্কাৰ হৈছিল। সময়ৰ লগে লগে চীন দেশৰ বাৰুদ প্ৰস্তুত কৰা পদ্ধতি বিশ্বৰ আন আন দেশলৈ সম্প্ৰসাৰিত হয়। সেই বাৰুদ ব্যৱহাৰ কৰি দিয়া চলাই প্ৰস্তুতিৰ চিন্তা মানুহৰ মগজুলৈ আহে। দিয়াশলাই বহু প্ৰকাৰৰ আছে। তাৰ ভিতৰত নিৰাপদ জুইশলাবাহ বা ছেফ্‌টি মেট্‌চ অধিক প্ৰচলিত। এনে জুইশলা বাহ কাঠেৰে বা কাগজেৰে তৈয়াৰ কৰা হয়। আয়তাকাৰ ধৰণে তৈয়াৰ কৰা বাহটোৰ বহল কাষ দুটাত নিৰ্মাণ প্ৰতিষ্ঠান বা কোম্পানীৰ প্ৰতীক বা স্মাৰক খোদিত কৰা হয়। ঠেক কাষ দুটা এক প্ৰকাৰ বাখৰ মিশ্ৰণ সনা থাকে। এই বাখৰ মিশ্ৰণটো এন্টিমনি ট্ৰাই ছালফাইড, ৰঙা ফচফৰাছ, কাঁচৰ গুৰি বা বালি আৰু প্ৰাণীজ এঙাৰ এটা উপযুক্ত অনুপাতত মিহলাই প্ৰস্তুত কৰা হয়। কাঁচৰ গুৰি বা বালি মিহলি কৰাৰ ফলত মিশ্ৰণটো খহটা হয়। জুইশলা অৰ্থাৎ কাঠিৰ মূৰটোত আন এক ধৰণৰ কড়াল লগোৱা থাকে। দাহ্য ছালফাৰ, এন্টিমনি ট্ৰাইছালফাইডৰ লগত অক্সিজেন যোগানকাৰী দ্ৰব্য পটাছিয়াম ক্লৰেট, পটাছিয়াম ডাইক্ৰমেট, ৰেডলেড, মেংগানিজ ডাই-অক্সাইড আৰু প্ৰাণীজ এঙাৰ এটা নিৰ্দিষ্ট অনুপাতত মিহলাই এই বাখৰ মিশ্ৰণটো তৈয়াৰ কৰা হয়। পৰিপূৰক দ্ৰব্য হিচাপে মিশ্ৰণটো চক মাটি মিহলি কৰা হয়। বাখৰ লগোৱাৰ আগতে জুইবাহৰ কাঠিবোৰ সুৰগাৰ দ্ৰব্যত জুবুৰিয়াই লোৱা হয়।

জুই জ্বলাবলৈ শলাডাল জুইবাহৰ ঠেক কাষটোত শলাৰ কাড়াল লগোৱা মূৰটো ঘহি দিয়া হয়। ঘৰ্ষণৰ ফলত যি তাপ উৎপন্ন হয় ৰঙা ফছফৰাছ, পটাছিয়াম ক্লৰেটৰ দ্বাৰা জাৰিত হৈ এক স্ফূলিংগৰ সৃষ্টি কৰে। মিশ্ৰণত থকা পটাছিয়াম নাইট্ৰেট বা পটাছিয়াম ডাই ক্ৰমেটে অতিৰিক্ত অক্সিজেনৰ যোগান ধৰে। লগে লগে শলাৰ মূৰটো জ্বলি উঠে। এইদৰে আমি নিৰাপদ জুইবাহৰ দ্বাৰা জুই জ্বলাব পাৰো। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ জুইশলাবাহ আৰু কিমান কি পৰিবৰ্তন আনে সেয়া সময়ত দেখা যাব।





# মানৱতাৰ সংকট

ইনিয়াৰা খাতুন
পঞ্চম যান্মাসিক

জীৱশ্ৰেষ্ঠ মানুহৰ এক বিশেষ গুণ হৈছে মানৱতাৰ গুণ অৰ্থাৎ মনুষ্যত্ব গুণ। মানুহ বিবেক সম্পন্ন জীৱ আৰু এই গুণবোৰে মানৱক অইন জীৱৰ পৰা পৃথক কৰিছে। কিন্তু লাহে লাহে যেন এই মানৱীয় গুণত ঘূণ পোকে ধৰিছে। মানৱৰ বিভিন্ন কু-কৰ্মত আজি সমগ্ৰ বিশ্বত প্ৰতি খোজে খোজে মানৱতাৰ অৱক্ষয় ঘটিছে। বিনন্দীয়া পৃথিৱীখন আজিৰ তাৰিখত মানৱতাৰ বধ্যভূমিত পৰিণত হৈছে। আজিৰ সমাজ স্বাৰ্থপৰ সমাজ, সম্পত্তিৰ বাবে বা কোনো অজুহাতত সন্তানে ছল পালেই পিতৃ-মাতৃক হত্যা কৰাৰ বাতৰি প্ৰতিদিনেই বাতৰি-কাকত, টি.ভি. আদিৰ পৰ্দাত দেখিবলৈ পোৱা যায়। বৃদ্ধ পিতৃ-মাতৃক আজিৰ সন্তানে বোজা বুলি জ্ঞান কৰি ঘৰত অকলশৰে এৰি আহে, কেতিয়াবা আকৌ কোনো আত্মীয়-কুটুম্বৰ ঘৰলৈ যাব বুলি কৈ ৰাস্তাত অকলশৰে এৰি থৈ আহে। বহুতে আকৌ ব্যস্ততাৰ দোহাই দি হস্পিটালত থৈ খবৰ কৰিবলৈও নাযায়। আন কিছুমানে বৃদ্ধাশ্ৰমত থৈ স্বস্তিৰ নিশ্বাস পেলায়। এনেদৰে দুখজনক ছবি আজিৰ সমাজত তেনেই সুলভ হৈ পৰিছে। বিবাহৰ পিছত যেতিয়া নাৰী এগৰাকীয়ে নমহীয়া সাঁথৰ এটি কঢ়িয়াই লৈ ফুৰে তেতিয়া তাই আকাংক্ষিত মাতৃত্বৰ গুণেৰে আত্মহাৰা হৈ পৰে। পিতৃ-মাতৃয়ে সকলো সুখ জলাঞ্জলি দি নিজ সন্তানক মানুহ কৰাৰ বাবে কঠোৰ জীৱন সংগ্ৰামত ব্ৰতী হয়। প্ৰতিটো পল, অনুপল খৰচ কৰে, নিজৰ সন্তানৰ সুখৰ বাবে। হাঁহিৰে দুখবোৰ ঢাকি এটা এটাকৈ পূৰণ কৰে হিয়াৰ এফাল বুকুৰ আপোনজনৰ কতনা আব্দাৰ। মাতৃৰ মমতাময়ী স্পৰ্শ, পিতৃৰ স্নেহত আলফুলে ডাঙৰ-দীঘল হোৱা সেই সন্তানে আজি পিতৃ-মাতৃৰ প্ৰতি থকা দায়িত্ব, কৰ্তব্যবোৰ দুভৰিৰে গচকি নিজৰ কৰ্মব্যস্ততাৰ দোহাই দি ৰোগগ্ৰস্থ বৃদ্ধ পিতৃ-মাতৃক অকলশৰে এৰি ঢাপলি মেলে বহুদূৰ দিগন্তলৈ। জীৱনৰ শেষ সন্ধিক্ষণত উপনীত হৈ নিসংগভাৱে জীৱন কটাই সিঁহতে যেন জুকিয়াই চাব বিচাৰে জীৱনত পোৱা-নোপোৱাৰ হিচাপবোৰ। জীৱনৰ এনে বিয়লিবেলাত অধীৰ আগ্ৰহেৰে বাট চাই ৰয় এনে দুখ, যন্ত্ৰণাৰ পৰা উপশম পাবলৈ পুনৰ উভতাই লৈ যাব নিজৰ দৰে গঢ়ি তোলা সেই হেপাহৰ ঘৰটিলৈ। য'ত তেওঁলোকৰ জীৱনৰ বহুযুগৰ স্মৃতি জড়িত হৈ আছে। কিন্তু এনে বৃদ্ধ পিতৃ-মাতৃৰ আশাবোৰ আশা হৈয়েই ৰয়। বৃদ্ধাৱস্থাত পোৱা এনে লঘু-লাঞ্চনা, অপমান, নিজ সন্তানৰ ওচৰতে অচিনাকি হৈ নিসংগতাৰে ভৰা এটি আশাহত মন লৈ চিৰদিনৰ বাবে মেলানি মাগে এই স্বাৰ্থপৰ মানুহৰ ভিৰৰ পৰা অচিন, অজনা দেশলৈ। মানৱতাৰ সংকটৰ গৰাহত পৰা এনে বহু উদাহৰণ আজি গাঁৱে-ভূঞে, চহৰে-নগৰে অতিকে সুলভ।

সমগ্ৰ বিশ্বত বিভিন্ন সন্ত্ৰাসবাদী কাৰ্য-কলাপ, গোষ্ঠীগত সংঘৰ্ষ, দুখন দেশৰ মাজত সংঘটিত হোৱা ভয়াৱহ যুদ্ধই আজি এক বিভীষিকাৰ সৃষ্টি কৰিছে। সন্ত্ৰাসবাদীহতে ধৰ্মৰ নামত বা অইন বিভিন্ন কাৰণত গোটেই পৃথিৱীতে ভিন ভিন সন্ত্ৰাসৰ সৃষ্টি কৰিছে। বোমা বিস্ফোৰন ঘটাই, গুলী, মৰ্টাৰ ইত্যাদি অত্যাধুনিক পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ নিক্ষেপ কৰি একো একোটা ঐতিহ্য ক্ষেত্ৰ, মানুহৰ ঘৰ-দুৱাৰ, স্কুল কলেজ, হস্পিটাল ইত্যাদি নানা সম্পত্তি ধ্বংস কৰি নিমিষতে মাটিৰ লগত বিলীন কৰি দিছে। এনে ধ্বংসলীলাত কত নিৰীহ মানুহে অকালতে এই বৰ্বৰ সকলৰ হাতত প্ৰাণ দিবলগা হৈছে তাৰ কোনো লেখ জোখ নাই। সন্ত্ৰাসবাদীসকল নিজ মনুষ্যত্বক বলি দি হিংস্ৰ পশুতকৈও হীন হৈ গৈছে। সিহঁতৰ হাতত বন্দী হোৱা লোকসকলক হত্যা কৰিবলৈ নিত্য নতুন পদ্ধতি অৱলম্বন কৰিছে। পিঞ্জৰাত আৱদ্ধ কৰি পানীত ডুবাই হত্যা কৰিছে, ওচৰৰ পৰা মূৰত গুলিয়াই দেহৰ পৰা মূৰ ছিন্ন কৰি পেলাইছে, শৰীৰত বিস্ফোৰক পদাৰ্থ বান্ধি

সেইবোৰৰ বিস্ফোৰন ঘটাই দেহ ছিন্ন-ভিন্ন কৰি ধোৱা ধূলিৰ লগত মিহলি কৰি দিছে, কেতিয়াবা আকৌ বন্ধ কুঠৰীত আৱদ্ধ কৰি বিযাক্ত ৰাসায়নিক গেছ প্ৰয়োগ কৰি নিৰীহ মানুহক, মৃত্যুৰ পথলৈ ঠেলি দিছে। এনে বিভিন্ন বৰ্বৰ পন্থাৰে নিৰীহ মানুহক হত্যা কৰাৰ বাতৰি প্ৰতিদিনে টি.ভি. বাতৰি কাকত আদিত দেখি গাৰ নোম শিয়ৰি উঠে, মনে আৰ্তনাদ কৰি উঠে। ভাৱো মানুহ কেনে পৰ্যায়লৈ অৱনমিত হলে এনেকুৱা ঘৃণনীয় কাম কৰিব পাৰে ভাবিবলৈ বাধ্য হওঁ সঁচাকৈয়ে সিঁহতৰ শৰীৰত মানুহৰ তেজ বৈছে নে কোনোবা অধম হিংস্ৰ পশুৰ তেজ বৈ আছে। সিঁহততো মানুহ, কেনেকৈ সিহঁতে মনুষ্যত্বক বলি দিব পাৰে? আকৌ কেতিয়াবা স্বেচ্ছাচাৰী ৰাষ্ট্ৰনায়কৰ অদূৰদৰ্শিতাৰ ফলতো চৰকাৰী বাহিনী আৰু বিদ্ৰোহী সকলৰ মাজত পৃথিৱীৰ বহুতো ৰাষ্ট্ৰত গৃহযুদ্ধ সংঘটিত হৈছে। গৃহযুদ্ধত বিধ্বস্ত এনে ৰাষ্ট্ৰবোৰ এতিয়া মানৱতাৰ বধ্যভূমি। এনে দুই বাহিনীৰ মাজত ক্ষমতাৰ বাবে হোৱা ৰক্তক্ষয়ী যুদ্ধত অগণন শিশুৱে পখিলা খেদাৰ বয়সতে পৃথিৱীৰ পৰা অতি নিৰ্দয়ভাৱে বিদায় লবলগীয়া হৈছে। এনে গৃহযুদ্ধৰ বলি হৈয়ে আয়লান কুৰ্দি আদিৰ দৰে কত ফুলকুমলীয়া মৰম লগা শিশুৱে অভাৱনীয়ভাৱে মেলানি মাগিবলগীয়া হৈছে এই ধৰাৰ বুকুৰ পৰা। যুদ্ধবিধ্বস্তৰ এলেকাত বোমাৰ শব্দ, যুদ্ধবিমানৰ শব্দ, আৰ্তনাদ, মানুহৰ মৰণকাতৰ চিৎকাৰে পৰিৱেশ অতি ভয়ানক কৰি তোলে আৰু বোমা, বাৰুদ, মানুহৰ দগ্ধ শৰীৰৰ পৰা ভাঁহি অহা গোন্ধই আকাশ বতাহ কঁপাই তোলে। লাহে লাহে চৌদিশ নিজম, নিস্তব্ধ হৈ মৃত্যু উপত্যকাত পৰিণত হয় এটি জনবসতিপূৰ্ণ অঞ্চল।

সীমান্ত অঞ্চলত সঘনাই হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু সীমামূৰীয়া ৰাষ্ট্ৰবোৰৰ মাজত সংঘটিত হোৱা প্ৰচণ্ড গোলাবৰ্ষণৰ ফলত সৃষ্টি হোৱা অশান্ত পৰিৱেশ পৰিস্থিতি আৰু শব্দ প্ৰদূষণৰ ফলত সীমান্ত লোকসকলৰ বেছিভাগেই সন্ত্ৰস্ত হৈ মানসিকভাৱে ভাৰসাম্য হেৰুৱাই পেলাইছে আৰু এনে অঞ্চলত মানসিক ৰোগীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। মানৱতাৰ ইমানেই অৱক্ষয় ঘটিছে যে কেতিয়াবা এখন দেশৰ সৈন্যই শত্ৰু ৰাষ্ট্ৰৰ সৈন্যক বন্দী কৰিব পাৰিলে তাক টুকুৰা টুকুৰকৈ কাটি পৈশাচিক আনন্দ লভাৰ উদাহৰণো নোহোৱা নহয়।

একবিংশ শতিকাত বিভিন্ন কাৰণত সমগ্ৰ পৃথিৱীত মানৱতাৰ স্খলন ঘটি আছে। এই ভয়াৱহ ব্যাধিৰ ব্যাপকতা ৰোধ কৰিবলৈ হ'লে শিক্ষিত সমাজ আগবাঢ়ি আহিব লাগিব, নৱ-প্ৰজন্ম প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ সমাজ বা দেশৰ বাবে সঁচা অৰ্থত মানৱীয় গুণসম্পন্ন এগৰাকী ব্যক্তি হিচাপে নিজক আত্ম প্ৰতিষ্ঠা কৰিব লাগিব। যুৱ-প্ৰজন্মক অগ্ৰাধিকাৰ দি সকলো শ্ৰেণীৰ লোকৰ মাজত সজাগতা শিবিৰ পাতিব লাগিব। এনেবোৰ পন্থা অৱলম্বন কৰি মানুহৰ হৃদয়ত মানৱতাৰ বীজৰ অংকুৰণ ঘটাই জীৱশ্ৰেষ্ঠ হিচাপে পৰিচয় দিবলৈ প্ৰয়াস কৰিব লাগে যাতে অতি দ্ৰুততাৰে মানৱতাৰ উত্তোৰণ ঘটে।





# বৰ্তমান সময়ত মোবাইলৰ গুৰুত্ব

**জ্যোতিস্মিতা তালুকদাৰ**
তৃতীয় ষান্মাসিক (বিজ্ঞান শাখা)

বৰ্তমান সময় আধুনিক তথ্য-প্ৰযুক্তিৰ যুগ। নতুন নতুন আৱিষ্কাৰে সমাজখনক দিনে দিনে আগুৱাই লৈ যাবলৈ সক্ষম হৈছে উন্নতিৰ উচ্চ শিখৰলৈ। এনেকুৱা যুগত মোবাইলৰ গুৰুত্ব অপৰিসীম। মোবাইলনো আচলতে কি বস্তু? এনেকুৱা প্ৰশ্ন বৰ্তমান কোনেও কৰাৰ প্ৰয়োজন নাই, কিন্তু বহু বছৰ আগেয়ে এনেকুৱা প্ৰশ্ন সৃষ্টি হৈছিল মানুহৰ মাজত। কিন্তু বৰ্তমান সময়ত সকলোৰেই এৰাব নোৱাৰা একমাত্ৰ আপোন বস্তুটোৱেই হ'ল মোবাইল।

সকলোৰে মাজত মোবাইলৰ বহুল প্ৰচাৰ হৈছে যদিও বিশেষকৈ যুৱ-প্ৰজন্মৰ মাজত বৰ্তমানে মোবাইলে আলোৰণৰ সৃষ্টি কৰিছে। প্ৰশ্ন হয়, বৰ্তমান সময়ৰ দ্ৰুতগতিত ন-ন ক্ষমতাশালী মোবাইলৰ আৱিষ্কাৰে যুৱ-প্ৰজন্মক উন্নতিৰ শিখৰলৈ নিব পাৰিছে নে নাই?

বৰ্তমান মোবাইলৰ জৰিয়তে দৃশ্যশ্ৰাব্যৰ সহায়েৰে দূৰৰ মানুহৰ লগত ওচৰতেই বহি কথা পাতিব পৰাকৈ যোগাযোগ কৰিব পৰা যায়। ইন্টাৰনেটৰ সুবিধাৰে বহুতো লাভজনক তথ্য অৰ্জন কৰাৰ উপৰিও বহুতো নজানা কথা জানি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পৰা যায় মোবাইলৰ জৰিয়তে। ইন্টাৰনেটৰ দ্বাৰা সকলো কাম ইমানেই সহজ হৈ পৰিছে যে বৃহৎ পৃথিৱী এখনকো ক্ষুদ্ৰ গাওঁত পৰিণত কৰিব পৰা হৈছে। ঘৰত বহিয়েই ইন্টাৰনেটৰ জৰিয়তে বজাৰ-সমাৰ, চিনেমা চোৱা আদি কামবোৰ কৰা সহজ সাধ্য হৈ পৰিছে। মুঠতে কম সময়ৰ ভিতৰতেই বহুতো লাভ জনক কাম কৰিব পৰা যায়। ইন্টাৰনেটৰ সহায়ত এনেবোৰ কাম কম্পিউটাৰ, লেপ্‌টপতো কৰিব পৰা যায়। কিন্তু এইবোৰৰ আকাৰৰ তুলনাত মোবাইল ক্ষুদ্ৰ আৰু যেনেকৈ তেনেকৈ বা যতে ততে থাকিও মোবাইল ব্যৱহাৰ কৰিব পৰা যায় বাবে বৰ্তমান মোবাইলৰ প্ৰাধান্য বেছি হোৱা দেখা যায়।

মোবাইলৰ পৰা যুৱ প্ৰজন্মৰ বহুতো সুবিধা হোৱাৰ উপৰিও ইয়াৰ পৰা হোৱা অপকাৰৰ কথাও নুই কৰিব নোৱাৰি। এচাম যুৱ প্ৰজন্মৰ বাবে মোবাইল হৈ পৰিছে একমাত্ৰ আনন্দৰ খোৰাক। তেওঁলোকে দিনটো Social Media ত জড়িত থাকি সময়বোৰ নষ্ট কৰি জীৱনটোলৈ বিপৰ্যয় মাতি আনিছে। তাৰোপৰি ৰং-বিৰংৰ চিনেমা, বিভিন্ন ভিডিঅ আদি হাতৰ মুঠিতে চাব পৰাৰ বাবে আনন্দত আত্মহাৰা হৈ নিজৰ বহুমূলীয়া সময়বোৰ নষ্ট কৰি আছে, তাৰ খবৰ ৰাখিবলৈ সিহঁতৰ আহৰিয়েই নাই। সদায় বেছি সময় মোবাইল ব্যৱহাৰ কৰি থাকিলে সেইটো এটা নিচাত পৰিণত হয় আৰু এই নিচাৰ পৰা পৰিত্ৰাণ পোৱাটো বহুত কঠিন হৈ পৰে। এনেকুৱা সমস্যায়ে বৰ্তমান যুৱ প্ৰজন্মক ধ্বংসৰ মাজলৈ ঠেলি দিছে। মোবাইলত তেওঁলোকে ইমানেই সময় অতিবাহিত কৰে যে বহুমূলীয়া জীৱনৰ বাবে অপৰিহাৰ্য অংগ পঢ়াপাতিৰ ফালেও পিঠি দিয়া পৰিলক্ষিত হয়। কম সময়তে ইন্টাৰনেটৰ পৰা সকলো ধৰণৰ তথ্য পাতি গ্ৰহণ কৰিব পৰা হোৱাৰে পৰা কিতাপ পঢ়ি জ্ঞান অৰ্জন কৰাৰ সংখ্যা তাকৰ হৈছে। মুঠতে বেছি সংখ্যক যুৱ প্ৰজন্মৰ মোবাইলৰ দ্বাৰা বহুতো ক্ষতি হোৱা পৰিলক্ষিত হয়।

একবিংশ শতিকাৰ ন-ন আৱিস্কাৰে বিশ্বক আগুৱাই লৈ গৈ আছে উন্নতিৰ শিখৰলৈ। এইটো কথা আমি কোনেও নুই কৰিব নোৱাৰো। কিন্তু উচিত প্ৰশিক্ষণৰ অভাৱত মোবাইলৰ পৰা ক্ষতি হোৱাহে পৰিলক্ষিত হয়। ইয়াৰোপৰি বেছি সময় মোবাইল ব্যৱহাৰ কৰাৰ বাবে চকুৰ বেমাৰ হোৱা পৰিলক্ষিত হয় আৰু দৃষ্টি শক্তিয়ো কমি যায়। কিয়নো মোবাইলৰ পৰা নিৰ্গত ৰশ্মি চকুৰ কাৰণে ক্ষতিকাৰক। যুৱ-প্ৰজন্মৰ যিহতু ভাল বেয়া বিচাৰ কৰিব পৰা ক্ষমতা হৈছে সেয়ে সিঁহতে সকলো দিশ চালি জাৰি চাই মোবাইল ব্যৱহাৰ কৰিব লাগে আৰু যদি কোনোৱে কিছুমান লাগতিয়াল কথা নাজানে তেনেহ'লে ডাঙৰৰ সহায় লোৱা উচিত। সকলো বস্তুৰেই ভাল বেয়া দুয়োটাই দিশ থাকে। ভাল দিশত আমি মোবাইল ব্যৱহাৰ কৰি আৰু বেয়া দিশবোৰ এৰাই চলিলে বৰ্তমানৰ যুৱ-প্ৰজন্মৰ যি যুৱ শক্তি আছে, সেয়াই নিশ্চয় এদিন সমাজখনক আগুৱাই লৈ যাবলৈ সক্ষম হ'ব।

# হাওঁফাওঁত চিগাৰেটৰ ধোঁৱা

মোস্তাফা মোবাৰক মুৰ্শ্বেদ
ষষ্ঠ যান্মাসিক (বিজ্ঞান শাখা)

চিগাৰেটৰ ধোঁৱাত লৈছে
প্ৰেমৰ গোন্ধ
জ্বলিপুৰি ছাই হৈছে
জীৱনৰ ছন্দ
আছেনে ইয়াত কোনো
প্ৰকৃত আনন্দ।
চিগাৰেটৰ ক'লা ধোঁৱাত
ভৱিষ্যত উৰুৱায়
এবাৰো উপলব্ধি কৰা নাই।
চিগাৰেটেও হেনো তেজ পি খায়।।

চিগাৰেট হ'ল এবিধ ধপাঁতযুক্ত নিচা জাতীয় দ্ৰব্য। চিগাৰেটত থকা ধপাঁত বিধ আন ধপাঁত জাতীয় অপদ্ৰব্যতকৈ বেছি প্ৰভাৱশালী। কাৰণ ইয়াত নিকটিন নামৰ এবিধ ৰাসায়নিক হানিকাৰক পদাৰ্থ থাকে; যাৰ বাবে ই বৰ অসক্তিযুক্ত। চিগাৰেট সেৱনকাৰী মানুহৰ প্ৰায় আধা সংখ্যাক মানুহ ধপাঁতজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে।

বৈজ্ঞানিক ধাৰণা মতে, এজন মানুহৰ গড় আয়ুৰ পৰা প্ৰায় ১৪ বছৰ হেৰাই যায় এই চিগাৰেট সেৱনৰ কাৰণে। এই চিগাৰেটৰ ধোঁৱাই প্ৰধানত হাওঁফাওঁত সোমাই লাহে লাহে হাওঁফাওঁৰ বিভিন্ন কোষ সমূহ ধ্বংস কৰে আৰু হাওঁফাওঁখন কলা হৈ যায় যাৰ কাৰণে কেতিয়াবা ফুটা হৈ যায় বা বিভিন্ন ধৰণৰ বেমাৰৰ সৃষ্টি হয়।

ইয়াৰোপৰি চিগাৰেট এৰ'ছল উৎপন্ন কৰে, য'ত ৪০০০ ৰাসায়নিক যৌগ থাকে। যেনেঃ কাৰ্বন মনক্সাইড, এৰ'লিন আৰু আন আন ক্ষতিকাৰক যৌগ থাকে। এইবোৰৰ ভিতৰত ৫০ বিধৰো অধিক কৰ্কট ৰোগজনিত কাৰক আছে; যিয়ে কৰ্কট ৰোগৰ সৃষ্টি কৰে। ইয়াৰে বেছিভাগ ৰোগ হাওঁফাওঁৰ ভিতৰত সৃষ্টি হয়।

এজনী গৰ্ভৱতী মহিলাই যদি চিগাৰেট সেৱন কৰে তেনেহ'লে গৰ্ভত থকা সন্তানটোৰ ক্ষতি হোৱাৰ সম্ভৱনা থাকে। যেনে- স্বাস্থ্যজনিত বিভিন্ন কাৰণ, ওজন কম হোৱা, সঠিক সময় হোৱাৰ আগতেই সন্তান প্ৰসৱ কৰা আদি বিভিন্ন সমস্যা হ'ব পাৰে। এজন মানুহে ধপাঁত সেৱন কৰিলে যিমানখিনি ক্ষতি হয় ঠিক তাৰ ওচৰতে থকা সাধাৰণ মানুহৰো সিমানেই ক্ষতি হয়; যাৰ কাৰণে ৰাজহুৱা ঠাইত চিগাৰেট নিষিদ্ধ।

চিগাৰেট সেৱন কৰাৰ কাৰণে মানুহৰ মানসিক বিকাৰগ্ৰস্ততা দেখা দিয়ে। যাৰ ফলত মানুহে খঙাল প্ৰকৃতিৰ হয় আৰু মগজুৰ ধাৰণ ক্ষমতা লাহে লাহে কমিবলৈ ধৰে।

উপৰোক্ত কথাবোৰৰ পৰা বুজিব পাৰি যে চিগাৰেটৰ ধোঁৱা আমাৰ বাবে অতি হানিকাৰক। তথাপিও আমি হাঁহি হাঁহি নিজৰ উজ্জ্বল ভৱিষ্যৎটোক চিগাৰেটৰ ধোঁৱাত উৰুৱাই দিছো। কিন্তু এবাৰ জানো উপলব্ধি কৰিছো যে এই পৃথিৱীত আমাৰ জীৱনৰ মূল্য কিমান? যদি জানিলোহেতেঁন, তেন্তে নিজৰ জীৱনক ভাল পাবলৈ শিকিলোহেতেঁন আৰু এইবোৰ অপদ্ৰব্য ত্যাগ কৰি এক সুস্থ জীৱন উপভোগ কৰিলোহেতেঁন।

মোৰ প্ৰিয় বন্ধু-বান্ধৱী সকল মোৰ লিখনিৰ মূল উদ্দেশ্য হ'ল- "সুস্থ মানুহৰ দ্বাৰা সুন্দৰকৈ এখন ধপাঁত মুক্ত পৃথিৱী সজোৱা।" বিশেষকৈ আমাৰ যুৱ প্ৰজন্মৰ হিতৰ বাবে মই এই কথাখিনি লিখিবলৈ প্ৰয়াস কৰিছো। কাৰণত, সংগ দোষত পৰি বৰ্তমান যুৱ প্ৰজন্ম মাদক দ্ৰব্যৰ প্ৰতি আকৃষ্ট হয় আৰু নিজৰ সুন্দৰ জীৱনটো ধ্বংস কৰি পেলায়। ফলত কেতিয়াবা জীৱনটো আমনিদায়ক হৈ যায়।

মই আপোনালোকলৈ এটাই অনুৰোধ জনাওঁ যে, আপোনালোকে আজিৰ পৰাই মাদক দ্ৰব্য সেৱন বন্ধ কৰক আৰু নিজকে এজন সুস্থ মন মানসিকতাৰ গৰাকী হিচাপে গঢ় দিয়ক। নিজেই নিজৰ হাতেৰে উজ্জ্বল ভৱিষ্যৎ গঢ়ক আৰু পৃথিৱীখনক সুন্দৰভাৱে সজাই তোলক।

ঃঃ ধূমপান স্বাস্থ্যৰ বাবে হানিকাৰক ঃঃ





# নীলা খামৰ চিঠি

আমিনুল হক ছিদ্দিকি
দ্বিতীয় যান্মাসিক (বিজ্ঞান শাখা)

মৰমৰ আৰোহী, মৰম ল'বা, তোমাৰ প্ৰেমত পগলা মই 'মুন'। কেনে আছা মৰম? হৃদয়ৰ প্ৰতিটো টোপাল ৰঙা তেজ, তোমাৰ প্ৰেমৰ বাবে আকুল।

বহুদিনৰ মূৰত তোমালৈ একলম লিখিম বুলি ভাবিছো মৰম। আৰোহী, আঘোণৰ পকা ধান কেইটা গোটাবলৈ হ'ল। তোমাৰ জানো সংসাৰ পাতিবৰ মন নাই! মই, তুমি একেলগে প্ৰেমৰ ঘৰ সাজিম আৰোহী। তাত ৰঙৰ ফুলেৰে সজাম তোমাৰ খোপা। আৰোহী, তোমাৰ প্ৰেমত পগলা মই! ধান ভঁৰালত উঠাবলৈ কি যে কষ্ট, আৰোহী! আইৰ আধা পেটত থকা দিনৰে পৰা মইয়ো লঘোণত থকাৰ অভ্যাস গঢ়িলো। তুমিতো নোৱাৰিবা মৰমঙ্গ ইমান দুখৰ দিন কটাবলৈ। তোমাৰ মেঘালী চুলি কোছাত মই বিচাৰি পাওঁ নিৰিবিলি ছাঁ, তোমাৰ প্ৰেমময়ী, হৰিণী চকুযুৰিত মই সাগৰ সমান ভাল পোৱা পাওঁ। জানানে মৰম তাতে ডুবি মই মৰিব বিচাৰো। মাথো তোমাৰ প্ৰেমিক মই, আৰোহী মই মাথো তোমাৰ!!!

আৰোহী এবুকু মৰম দিছিলা, জীয়াই থাকিবলৈ প্ৰেৰণা, তৃষ্ণাতুৰ প্ৰেমিকক তুমি কৰাইছিলা পান প্ৰেম সুধা, ইমানৰ পিছতো মৰম, তোমাক হেৰুৱালো মই, আতৰি গ'লা তুমি সকলো নেওঁচি মই চুব নোৱাৰা পৃথিৱীত। আকৌ আহিবা আৰোহী তোমাৰ প্ৰেমত বলিয়া 'মুন'ক জগাবলৈ, অতৃপ্ত হৃদয় বেদনা মচবিলৈ যতেই নাথাকা তুমি মোৰ প্ৰেমৰ এই নীলাম্বৰ চিঠি তুমি পঢ়িবলৈ বাধ্য, কাৰণ মইয়েই একমাত্ৰ অনন্ত প্ৰেমিক তোমাৰ।

আজিলৈ সামৰিছো দেই, চকু চলচলীয়া হ'ল- হৃদয়ৰ উত্তাপ হুমুনিয়াহ তাতেই মৰহিলে হেজাৰ বিজাৰ ভালপোৱাৰ কাৰ্য-কলাপ লগ পাম আকৌ তোমালৈ লিখা দ্বিতীয়খন নীলা খামৰ চিঠিত।

ইতি—
তোমাৰ
'মুন'

# গোলকীয় উষ্ণতা বৃদ্ধি আৰু কৃষি উৎপাদনৰ গোপন বিৰ্তক

হানিফ মোস্তাক আহমেদ
সহযোগী অধ্যাপক
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

বায়ুমণ্ডলত সেউজ গৃহগেছৰ ঘনত্ব বৃদ্ধি আৰু তাৰ পৰিনামত জলবায়ুৰ পৰিৱৰ্তন বৰ্তমান বিশ্বত এক উদ্বেগৰ কাৰণ হিচাপে দেখা দিছে। জলবায়ুৰ পৰিৱৰ্তনৰ ফলত বিশ্বৰ সৰ্বত্র কুপ্রভাৱ পৰিব বুলি বিজ্ঞানী মহলে মতপ্রকাশ কৰিছে। গোটেই বিশ্বত খাদ্য আৰু খোৱা পানীৰ অভাৱ ঘটিব বুলি ইতিমধ্যে বিজ্ঞানী সকলে সদৰি কৰা তথ্য প্রকাশ পাইছে। ভাৰতীয় প্রক্ষেপন অধ্যয়নৰ পৰা বিজ্ঞানী সকলে অনুমান কৰিছে যে, একৈশ শতিকাত ভাৰতীয় উপমহাদেশত বৃষ্টিপাতৰ পৰিমাণ বৃদ্ধি পাব, ২০৪০ চনৰ পাছত বৰ্দ্ধিত উষ্ণতাৰ প্রভাৱ স্পষ্টভাবে ধৰা পৰিব। বায়ুমণ্ডলত সেউজ গৃহ গেছৰ ঘনত্ব বৃদ্ধিৰ প্রভাৱত গ্রীষ্মকাল দীঘলীয়া হ'ব, প্রতিদিন ১-৪ মিঃমিটাৰ বৰষুণ হ'ব, কিন্তু উত্তৰ ভাৰতৰ ঠাই বিশেষত বৰষুণৰ পৰিমাণ হ্রাস পাব।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মতে দেশত বৰষুণৰ পৰিমাণ কম বেছি পৰিমাণে একেই থাকিব কিন্তু আঞ্চলিক পাৰ্থক্য বৃদ্ধি পাব। বায়ুমণ্ডল সেউজগৃহ গেছৰ ঘনত্ব বৃদ্ধি আৰু তাৰ ফলত হোৱা গোলকীয় উষ্ণতা বৃদ্ধিয়ে কৃষি উৎপাদন প্রভাৱিত কৰিব।

বায়ুমণ্ডলত সেউজগৃহ গেছ কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধি যিহেতু বিশ্বৰ মুঠ সেউজ গৃহ প্রভাৱৰ ৫০ শতাংশৰ বাবে দায়ী, গতিকে বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধিয়ে অকল ভাৰতবৰ্ষতেই নহয়, গোটেই বিশ্বৰ কৃষিক্ষেত্রত প্রভাৱ পেলাব। এই প্রভাৱ ধনাত্মক নে ঋণাত্মক হ'ব সেই লৈ বিজ্ঞানী সকলৰ মাজত চলি আছে এক গোপন আৰু দীৰ্ঘ দিনীয়া বিৰ্তক। ইতিমধ্যে এচাম বিজ্ঞানীয়ে পৰীক্ষাৰ দ্বাৰা এই তথ্য সংগ্রহ কৰিবলৈ সক্ষম হৈছে যে, বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ বৰ্তমানৰ ৩৮০ পি, পি, এম,তকৈ বৃদ্ধি কৰিলে উদ্ভিদৰ সালোক সংশ্লেষণৰ হাৰ বৃদ্ধি পায় আৰু জলীয় বাষ্প নিৰ্গমনৰ পৰিমাণ কম হয়, তাৰ ফলত উদ্ভিদ সমূহ দ্রুত হাৰত বাঢ়ি উঠে। কৃষি ক্ষেত্রত বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধিৰ আৰু বহু ধনাত্মক প্রভাৱ বিজ্ঞানী সকলে লক্ষ্য কৰিছে, তাৰ ভিতৰত উষ্ণতাৰ চৰম অৱস্থাৰ প্রতিৰোধ, প্রতিকুল অৱস্থাৰ প্রতিৰোধ, কম পোহৰত বৰ্তি থকা, বায়ু প্রদুষনক সমূহৰ কুপ্রভাব প্রতিৰোধ, অধিক পৰিমাণে নাইট্রজেন স্থিতিকৰণ আৰু সবল শিপাৰ গঠন, মাটিৰ পৰা বৰ্দ্ধিত হাৰত পোযক দ্রব্য আহৰণ আদিয়েই প্রদান। উদ্ভিদৰ উৎপাদন বৰ্দ্ধিত কাৰ্বন ডাই অক্সাইডৰ প্রভাৱত ২৫-৪০ শতাংশ বৃদ্ধি পাব। বিশ্বৰ আটাইতকৈ অধিক সংখ্যক লোকৰ প্রধান খাদ্য শস্য ধানৰ উৎপাদন বায়ুমণ্ডলত বৰ্দ্ধিত কাৰ্বন ডাই অক্সাইডৰ প্রভাৱত আটাইতকৈ বেছি বৃদ্ধি হ'ব।

কুঁহিয়াৰ, ছৰ্গাম, মিলেট, ক্রান্তিয় অঞ্চলৰ কিছুমান ঘাঁহ জাতীয় $C_4$ শ্রেণীৰ উদ্ভিদৰ উৎপাদন তাকৰীয় পানী আৰু শুষ্ক ঋতুতো সন্তোষজনক হ'ব। আনহাতে ক্রেছুলোচিন এচিড মেটাবলিজম (CAM) শ্রেণীৰ উদ্ভিদৰ উৎপাদন বিশেষ কোনো পৰিৱৰ্তন নহ'ব।

১৯৯২ চনৰ এপ্রিল মাহৰ ৩ তাৰিখে ফিনিছ ফৰেষ্ট ইনছ্টিটিউটে 'চাইঞ্চ মেগাজিন'ত প্রকাশ কৰা তথ্য মতে অষ্ট্রেলিয়া, ফিনলেণ্ড, ফ্রান্স, ছুইডেন, ছুইজাৰলেণ্ড আৰু পশ্চিম জাৰ্মানীত ১৯৭১ চনৰ পৰা ১৯৯০ চনলৈ বৰ্দ্ধিত কাৰ্বন ডাই অক্সাইডৰ প্রভাৱত অৰণ্যৰ বৃদ্ধিৰ পৰিমাণ ৩০ শতাংশ অধিক হৈছে আৰু উক্ত সময় ছোৱাত বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ ৯ শতাংশ বৃদ্ধি পাইছে অৰ্থাৎ কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব ৯ শতাংশ বৃদ্ধিৰ ফলত অৰণ্যৰ বৃদ্ধি ঘটিছে ৩০ শতাংশ। বায়ুমণ্ডলত কাৰ্বন





ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধি ফলত উদ্ভিদৰ সালোক সংশ্লেষণৰ পৰিমাণ বৃদ্ধি আৰু জলীয়বাষ্প নিৰ্গমণ কম হোৱাৰ ফলত উদ্ভিদৰ বাঢ়ন দ্রুত হয়, যদিও সকলো শ্রেণীৰ উদ্ভিদে কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব প্রতি সমানে সহাৰি নিদিয়ে। উদ্ভিদৰ প্রধান তিনিটা শ্রেণী $C_3$, $C_4$ আৰু ক্রেছুলোচিন এছিদ মেটাবলিজম (CAM), এই তিনিশ্রেণীৰ প্রত্যেকৰে কাৰ্বন ডাই অক্সাইড আহৰণ পদ্ধতি আৰু সহাৰিৰ মাত্রা বেলেগ বেলেগ হয়। অৰণ্যৰ প্রায়ভাগ সেউজিয়া উদ্ভিদ, শৈলুৰৈ আৰু কৃষিজাত শস্য সমূহ $C_3$ শ্রেণীৰ উদ্ভিদ। $C_3$ শ্রেণীৰ খাদ্য শস্য-ধান, গম, বাৰ্লি, ওট, ৰাই আদিয়ে বৰ্দ্ধিত কাৰ্বন ডাই অক্সাইড ঘনত্বৰ প্রতি ধনাত্মক সহাৰি জনায়। গতিকে এই শ্রেণীৰ বৃদ্ধি দ্রুত হয়।

ৰুছিয়ান বিজ্ঞানী সকলে ৱালনাট, ওক, পাইন, ইউকেলিপটাছ আদি গছৰ ওপৰত পৰীক্ষা চলাই ধনাত্মক ফল পোৱাৰ লগতে এই তথ্যও লাভ কৰিছে যে, অতি কম সময়ৰ ভিতৰত গছৰ পুলি ৰোপন যোগ্য কৰি তুলিবলৈ কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধি এক অমোঘ অস্ত্র। মিছি গান বিশ্ব বিদ্যালয়ৰ বিজ্ঞানী সকলে সকলো অৱস্থা একে ৰাখি মাত্র কাৰ্বন ডাই অক্সাইডৰ গাঢ়তা ১০০০ পিপি এমলৈ বৃদ্ধি কৰি এমাহৰ ভিতৰতে গছৰ পুলি ৰোপণযোগ্য কৰি তুলিছিল।

আমেৰিকাৰ কৃষি মন্ত্রণালয়ৰ জল সংৰক্ষণ পৰীক্ষাগাৰৰ বিজ্ঞানী সকলে লক্ষ্য কৰিছে যে, সুমথিৰা গছৰ বৃদ্ধি পাঁচ বছৰত স্বাভাৱিক হাৰতকৈ ২.৮ গুণ অধিক হয় আৰু প্রথম দুবছৰ স্বাভাৱিক হাৰতকৈ দহ গুণ অধিক সুমথিৰা উৎপাদন হয় কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধিৰ ফলত।

বিজ্ঞানীসকলে পৰীক্ষাৰ দ্বাৰা এই তথ্য লাভ কৰিছে যে, বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ গাঢ়তা ১৫০০-২০০০ পিপি এম লৈ ধানৰ উৎপাদন বৃদ্ধিহৈ থাকে। এককোষীয় শেলুৰৈ সমূহৰ উৎপাদন ১০,০০০ ৰ পৰা ৫০,০০০ পিপি এমলৈ বৃদ্ধি হৈ গৈ থাকে।

১৯৬১ চনৰ পৰা ১৯৯৮ চনলৈ ৰুছিয়াই চলোৱা অধ্যয়নৰ পৰা দেখুৱাইছে যে, অৰণ্যৰ বৰ্দ্ধন কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধিৰ সমান্তৰ ভাবে বৃদ্ধি হৈ গৈ থাকে। কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব ২০০ পিপিএম লৈ বৃদ্ধি পালে গছৰ বৃদ্ধি সাধাৰণ হাৰতকৈ ২০০ শতাংশ অধিক হয়। যিহেতু কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধিৰ ফলত কিছুমান মূল্যবান কাঠ প্রদানকাৰী গছৰ উৎপাদন ১৮-৭৫ শতাংশ বৃদ্ধি ঘটে গতিকে ভৱিষৎলৈ গৃহ নিৰ্ম্মাণ ব্যায় হ্রাস পাব বুলি ৰাছিয়ান বিজ্ঞানী সকলে মত প্রকাশ কৰিছে। ফুলৰ উৎপাদন বৃদ্ধি পায় আৰু গোলাপ ফুল অতিকম দিনৰ ভিতৰতে পূৰঠ হয়, অধিক কাল জীৱিত থাকে আৰু ফুলৰ ৰং অতি উজ্জল হয়, উৎপাদন ১২-১৫ শতাংশ বদ্ধি হয়।

উপৰোক্ত যুক্তি সমূহৰ পৰা এক শ্রেণীৰ বিজ্ঞানীয়ে দাবী কৰিছে যে, বায়ুমণ্ডলত সেউজগৃহ গেছৰ ঘনত্ব বৃদ্ধি মানে গোলকীয় উষ্ণতা বৃদ্ধি আৰু গোলকীয় উষ্ণতা বৃদ্ধি উদ্ভিদ কুলৰ বাবে উপকাৰী, আকৌ উদ্ভিদ কুলৰ বাবে উপকাৰী প্রভাৱ পৰিবেশৰ বাবে মংগলজনক। আচলতে বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ গাঢ়তা বৃদ্ধি পৰিবেশৰ বাবে অপকাৰী বুলি ইমান দিনে বিজ্ঞানী মহলত থকা ধাৰণা এই শ্রেণীৰ বিজ্ঞানী সকলে নুই কৰিছে।

বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধিয়ে আৰু গোলকীয় উষ্ণতা বৃদ্ধিয়ে যে, পৰিবেশৰ ওপৰত কোনো প্রকাৰ ধনাত্মক প্রভাৱ পেলাব সেই বিষয়ে বিজ্ঞানী মহলত দ্বিমত থাকিলেও বিশ্বৰ সকলো শ্রেণীৰ বিজ্ঞানীয়েই এই কথা স্বীকাৰ কৰি লৈছে যে, যেতিয়া বায়ুমণ্ডলত কাৰ্বনডাই অক্সাইডৰ ঘনত্ব বৰ্তমানৰ দ্বিগুণ হ'ব, তেতিয়া কৃষি উৎপাদনো বৰ্তমানতকৈ দ্বিগুণ হ'ব। পৰীক্ষাগাৰত শেলুৰৈ উৎপাদনকাৰী বিজ্ঞানী সকলে সাধাৰণতে কাৰ্বন ডাই অক্সাইডৰ ঘনত্ব বৃদ্ধি কৰি উৎপাদন বৃদ্ধি কৰে আৰু উৎপাদন কাল চুটি কৰি খৰচৰ পৰিমাণ কমায়।

আজিৰ পৰা প্রায় এহাজাৰ বছৰ আগৰ পৰাই বিশ্বৰ নাৰ্চাৰী সমূহৰ গৰাকীসকলে সেউজগৃহ গেছৰ সদ ব্যৱহাৰ কৰি অধিক হাৰত শাক-পাচলি ফলমূল আৰু আলংকাৰীক উদ্ভিদৰ উৎপাদন বৃদ্ধি কৰি আহিছে। নাৰ্চাৰীৰ গৰাকী সকলে সেউজগৃহ সমূহত অধিক হাৰত কাৰ্বন ডাই অক্সাইডৰ যোগান ধৰি উৎপাদন কৰা পাচলি আৰু ফলমূলৰ ভিতৰত বিলাহী, তিয়হ আৰু লেটুছৰ আকাৰ ডাঙৰ হয়, শস্য কাল ছুটি হয় আৰু অধিক হাৰত ফললগাৰ ফলত উৎপাদন ১০-৭০ শতাংশ বৃদ্ধি পায়। কন্দজাতীয় শস্যৰ উৎপাদন ব্যাপক হাৰত বৃদ্ধি পায় আৰু আলু, মিঠাআলুৰ উৎপাদনো একে দৰেই বৃদ্ধি পায়, এতএব এই শ্রেণীৰ বিজ্ঞানী সকলে দাবী কৰে যে একৈশ শতিকাৰ বিশ্ববাসীলৈ এই বাণী দিব পৰা যাব যে,

পৃথিৱীৰ বাস্তব্য তন্ত্ৰৰ উন্নতি ঘটিব, গোলকীয় উষ্ণতা বৃদ্ধি আৰু জলবায়ুৰ পৰিবৰ্তনৰ ফলত খাদ্য শস্য আৰু খোৱা পানী ব্যাপক নাটনি হ'ব বুলি বিজ্ঞানী সকলে যি মত প্ৰকাশ কৰিছিল, সেই শংকাৰ পৰা বিশ্ববাসী মুক্ত থাকিব পাৰিব।

পৃথিৱীৰ বৰ্দ্ধিত জনসংখ্যাৰ বাবে খাদ্য উৎপাদন কৰিবলৈ আৰু অধিক অৰণ্য ধ্বংসৰ প্ৰয়োজন নহ'ব, কাৰণ তাকৰীয়া কৃষিভূমিৰ পৰাই প্ৰয়োজনীয় খাদ্য শস্য উৎপাদন কৰিব পৰা যাব। ইতিমধ্যে অতিপাত কৃষিকাৰ্যৰ বাবে যিবিলাক ভূমি পৰিবেশ সংবেদনশীল হৈ পৰিছে, সেইবিলাক কৃষি ভূমি সংৰক্ষণ কৰিব পৰা যাব। $C_3$ শ্ৰেণীৰ উদ্ভিদৰ বৃদ্ধি $C_4$ শ্ৰেণীৰ উদ্ভিদতকৈ অধিক হোৱা বাবে বৃক্ষশ্ৰেণীৰ কিছু সংমিশ্ৰণ ঘটিব। বৃক্ষ সমূহ $C_3$ শ্ৰেণীৰ উদ্ভিদ হোৱা বাবে সিহতঁৰ বৃদ্ধিৰ হাৰ অতিদ্ৰুত হ'ব তাৰ ফলত ধ্বংস হোৱা অৰণ্য সমূহ পুনঃবননীকৰণৰ সম্ভৱ হ'ব, দ্ৰুত হাৰত অৰণ্যৰ বেছিভাগ উদ্ভিদৰে বৃদ্ধিৰ হাৰ বৰ্তমান হাৰতকৈ দ্বিগুণ হ'ব, আকাৰত ডাঙৰ হ'ব, ঠাল ঠেংগুলি, পাত, ফুল, ফল আৰু শিপাৰ সংখ্যা বৃদ্ধি পোৱ।

তেতিয়া হ'লে বৰ্ত্তমান বিশ্বত মানৱ জাতিৰ প্ৰধান উৎকণ্ঠাৰ বিষয় গোলকীয় উষ্ণতা বৃদ্ধি আৰু জলবায়ুৰ পৰিবৰ্তনৰ ফলত অনাগত দিন বিলাকত আহিবলগীয়া বিপৰ্যয় সমূহৰ অন্তত্ব এটাৰ পৰা মানৱ জাতিয়ে পৰিত্ৰাণ পাব বুলি আশা কৰিব নোৱাৰিনে? অৱশ্যে বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ উচ্চতম সীমা কিমান হ'ব পাৰে আৰু তাৰ ফলত বিশ্বত আন কি কি পৰিবৰ্তন হ'ব পাৰে সেই বিষয়ে মানৱ জাতি বৰ্তমানো অৱগত নহয়। যদি তেনে এটা অৱস্থাৰ সৃষ্টি হয়, তেন্তে এই শতিকাৰ শেষলৈ মানৱ জাতিৰ বাবে ই এটা সুখবৰ যে, মানুহৰ অত্যাৱশ্যকীয় ঐকেশটা খাদ্য শস্যৰ ভিতৰত ১৭ টা হ'ল $C_3$ শ্ৰেণীৰ - ধান, গম, বাৰ্লি, ওট, ৰাই, ছয়াবিন, উৰহী, মাগুমাহ, মটৰমাহ, বুটমাহ, ৰহৰ, আলু, মিঠাআলু, বীট, কল আৰু নাৰিকলৰ উৎপাদন বৰ্তমানতকৈ প্ৰায় দুগুণ বৃদ্ধি পাব। ছৰ্গাম, মিলেট, কুঁহিয়াৰ আদি $C_4$ শ্ৰেণীৰ শস্যৰ উৎপাদন হ্ৰাস পাব মানে তুলনা মূলকভাবে লাভজনক নহ'ব।

আনহাতে শস্য অনিষ্টকাৰী প্ৰধান ১৮ টা অপতৃণ প্ৰজাতিৰ ১৪টা $C_4$ শ্ৰেণীৰ হোৱা বাবে সেইবিলাকৰ উৎপাদন হ্ৰাস পাব আৰু শস্য পথাৰত অপতৃণৰ উপদ্ৰৱ আৰু সমস্যা হ্ৰাস হ'ব, তাৰ ফলত স্বাভাৱিকতে শস্যৰ উৎপাদন অধিক হ'ব আৰু শস্যৰ উৎপাদন ব্যয় কম হ'ব।

যিহেতু বিশ্বৰ খাদ্য ভাণ্ডাৰত উদ্ভিদ কুলে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে ৯০ শতাংশ অৱদান যোগায় আৰু প্ৰাকৃতিক খাদ্য শৃংখলৰ একেবাৰে তলত থকা উদ্ভিদ কুলৰ শ্ৰীবৃদ্ধিৰ ফলত আন আন জীৱকুল পক্ষী, মৎস আৰু স্তন্যপায়ী প্ৰজাতি বিলাকৰো সংখ্যা আৰু শ্ৰী বৃদ্ধি ঘটিব। পৃথিৱী নামৰ গ্ৰহটো মানুহৰ বাস উপযোগী হৈ থকাই নহয়, সুখৰো আলয় হ'ব।





# প্ৰসঙ্গ ঃ আত্ম সমালোচনা কলেজ শিক্ষকৰ কৰ্ম-সংস্কৃতি

এ. কদ্দুচ
সহকাৰী অধ্যাপক
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

শিক্ষক শব্দটোৰ সৰল অৰ্থ হৈছে যিয়ে শিকায় বা শিক্ষাদান কৰে। পিছে শিক্ষাদানৰ বস্তুৰ, কাৰ্য আৰু পৰিসৰৰ বিভিন্নতাৰ কাৰণে শিক্ষকৰ নাম, পদবী-পদমৰ্যদা আদিৰো সলনি হয়। মাষ্টাৰ মশাই, পণ্ডিত বাবু, ৰীডাৰ, অধ্যাপক, প্ৰৱক্তা, বিষয় শিক্ষক ইত্যাদি। শিক্ষাৰ স্তৰ ভেদে স্থানগত মানৰ সকলোতকৈ শীৰ্যত আছে কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষকসকল।

সি যিয়ে নহ'ওক, শিক্ষাদান সকলো শিক্ষকৰে মৌলিক আৰু অনিবাৰ্য কৰ্তব্য। কিন্তু শিক্ষাদানৰ এই কাৰ্যটো আকৌ বিভিন্ন ধৰণে অৰ্থ কৰা হয়। কিছুমানে পাঠদানকে শিক্ষাদান বুলি কয়, আকৌ কিছুমানে কোনো বিষয়ত সীমিত পৰিসৰত দিয়া নিৰ্দেশনাকেই শিক্ষাদান বুলি ক'ব খোজে। এই অৰ্থত শ্ৰেণীত বা বাহিৰত স্থায়ী বা অস্থায়ীভাৱে কোনো বিষয়ত নিৰ্দেশনা বা শিক্ষণ-প্ৰশিক্ষণ দিয়া 'গুৰু' জনা শিক্ষক হ'ব পাৰে। প্ৰচলিত প্ৰবাদমতেও এটা 'অক্ষৰ' শিক্ষা দিয়াজনো আমাৰ শিক্ষক। অৱশ্যে এয়া নিত্যান্তই অসংগঠিত আৰু অনানুষ্ঠানিক কথা। প্ৰকৃত অৰ্থত 'শিক্ষক' এটা ব্যৱসায়িক শব্দ (Professional term) য'ত কৰ্মৰ ধাৰাবাহিকতা আৰু আনুষ্ঠানিক নিয়ম শৃংখলাৰ বেষ্টনীত সেৱা আৰু উৎসৰ্গৰ মনোভাৱ জড়িত থাকে। শিক্ষা, শিক্ষক আৰু শিক্ষাদানৰ ত্ৰিপৰিধীয় ক্ষেত্ৰখনৰ মাজত প্ৰত্যক্ষ যোগসূত্ৰ আছে। শিক্ষাৰ উদেশ্য, বিষয় নিৰ্বাচন, শিকণ-শিক্ষণ, মূল্যায়ন-পৰিমাপন আদি সকলোবোৰ দিশ পাৰস্পৰিক আন্তঃ সম্পৰ্ক আৰু সমন্বয়ৰ আধাৰত পৰিচালিত হয়, য'ত শিক্ষক হৈছে এই বৃহৎ প্ৰক্ৰিয়াটোৰ মুখ্য সমন্বয়ক। সেয়ে এই সকলোবোৰ দিশৰ পটভূমিক জ্ঞান নোহোৱাকৈ 'হঠাৎ বাবু' হোৱদি শিক্ষক হোৱা সহজ কথা নহয়।

আনহাতে 'শিক্ষাদান' কাৰ্যটোৰ গভীৰতা, কৰ্ম আৰু দায়িত্ববোধৰ আদৰ্শগত দৃষ্টিকোণৰ পৰা ইয়াক আকৌ দুটা অৰ্থত ব্যৱহাৰ কৰিব পাৰি। প্ৰথম 'শিক্ষাদান' কৰ্ম (Teaching job) আৰু দ্বিতীয় 'শিক্ষাদান বৃত্তি' (Teaching profession)। যদিও শিক্ষাদান 'কৰ্ম' শিক্ষাদান বৃত্তিৰেই অন্তৰ্ভূক্ত (inclusive) ধাৰণা, তথাপিও দুয়োটা ধাৰণাৰ সুকীয়া আৰু স্বতন্ত্ৰ ব্যাখ্যাৰ যথেষ্ট অৱকাশ আছে। সাধাৰণভাৱে 'কৰ্ম' হিচাবে শিক্ষাদান হৈছে আৰোপিত আৰু নিৰ্দিষ্ট উদেশ্যৰ দ্বাৰা প্ৰেৰিত। ইয়াত শিক্ষকৰ কাম হৈছে নিৰ্দেশনাধৰ্মী, প্ৰত্যক্ষ আৰু অনানুসৰণমূলক। ইয়াত শিক্ষকৰ যোগ্যতা নিৰ্ধাৰণ কৰা হয় স্বকীয় নূন্যতম সাধাৰণ অৰ্হতাৰ ভিত্তিত।

আনহাতে 'বৃত্তি' বা Profession হিচাবে গ্ৰহণ কৰা শিক্ষাদান কাৰ্যত শিক্ষাৰ উচ্চস্তৰীয় প্ৰশিক্ষণ, দক্ষতা, উন্নত কৌশল, শিক্ষাদান কলা আৰু বিজ্ঞানৰ সমূচিত প্ৰয়োগ অপৰিহাৰ্য। বৃত্তি হিচাবে শিক্ষাদান কাৰ্যৰ পৰিসৰ শ্ৰেণী শিক্ষণৰ ঠেক গণ্ডীৰ মাজত সীমিত কৰিব নোৱোৰি। পাঠদানৰ 'মুখ্য' কৰ্তব্যৰ ওপৰিও শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ সামগ্ৰীক উন্নয়ন, শৈক্ষিক পৰিকল্পনা, পৰিচালনা আৰু মূল্যায়নৰ সকলোবোৰ দিশ ইয়াত সামৰি লোৱা হয়। শিক্ষাৰ উদেশ্য অনুধাৱন কৰা আৰু বিষয়-পাঠ্যক্ৰমৰ শিক্ষণ-অনুশীলনৰ জৰিয়তে ইয়াৰ ক্ৰিয়াত্মক ৰূপদান কৰা শিক্ষাদান বৃত্তিৰ অপৰিহাৰ্য কৰ্তব্য। ইয়াৰ বাবে শিক্ষণ পদ্ধতিৰ উদ্ভাৱন কৰা, শিক্ষণৰ আৰ্হি, ডিজাইন, মড্যুল আদিৰ বিকশিত আত্ম নিয়োগ কৰা শিক্ষকৰ প্ৰাত্যাহিক কৰ্মৰ অন্তৰ্ভূক্ত। শিক্ষাদান বৃত্তিৰ সাধাৰণ আচৰণ বিধি, শিক্ষণ সংস্কৃতি, মূল্যবোধ আৰু আদৰ্শই শিক্ষকৰ এনে প্ৰাত্যাহিক

কৰ্মৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰে। তদুপৰি সমাজৰ প্ৰতি দায়বদ্ধতা, সমাজ পৰিবৰ্তন ও উন্নয়নৰ হকে কাম কৰা, নেতৃত্ব আৰু পথ-প্ৰদৰ্শনৰ জৰিয়তে শিক্ষাৰ্থীৰ উত্তৰ দায়িত্ব পালন কৰাটোও শিক্ষাবৃত্তিৰ বহল ক্ষেত্ৰখন সামৰি লয়।

কিন্তু প্ৰশ্নটো হৈছে আমি শিক্ষকসকলে শিক্ষাদান কাৰ্যটো কি হিচাবে গ্ৰহণ কৰিছো, 'কৰ্ম' নে 'বৃত্তি'? আৰু এই ক্ষেত্ৰত আমি কিমান দূৰ সফল হ'ব পাৰিছো। দ্বিতীয়টো প্ৰশ্ন হৈছে শিক্ষকৰ কৰ্ম সংস্কৃতি আৰু বেতন সম্বন্ধীয়। অৱশ্যে বেতন বা দৰমহাৰ বিষয়টো কোনেও খোলাচা কৰিব নুখোজে। বৰং এই বিষয়ে প্ৰশ্ন কৰিলে মানুহে বেয়াহে পায়। হয়তো হ'ব পাৰে আনৰ তুলনাত যথেষ্ট নিম্ন বা কম হোৱা কাৰণে লজ্জাবোধ কৰা হয়। আনহাতে দৰমহাৰ হাৰ উচ্চ বা অতি উচ্চ হোৱা কাৰণে প্ৰকাশ কৰাত দ্বিধা বা প্ৰকাৰান্তৰে কৰা ভয় আৰু আশংকাই বাধা দিয়ে। এই দুয়োটা বিপৰীত অৱস্থিতিৰ এটাই সাধাৰণ কাৰণ হৈছে 'কামৰ' লগত 'মজুৰী'ৰ আনুপাতিক বৈষম্য বা অসামঞ্জস্যতা শিক্ষকসকল বিশেষকৈ কলেজ শিক্ষকসকলে নিজৰ 'মজুৰী' ৰ হাৰ, পৰিমাণ আদি খোলাচা কৰিবলৈ সাহস গোটাব পাৰিলে আত্ম সমালোচনাৰ এধাপ আগুৱাই যাব পাৰে।

সি যিয়ে নহ'ওক, শিক্ষাদানক 'কৰ্ম' বা 'বৃত্তি' যি হিচাবেই গ্ৰহণ কৰা নহ'ওক লাগিলে প্ৰকৃত কৰ্ম ক্ষেত্ৰত শিক্ষাদান বৃত্তিৰ যে সঠিক পৰিপালন হোৱা নাই সেয়া কিন্তু ধ্ৰুৱৰূপ। শিক্ষা বৃত্তিৰ মাজত থাকিও অধিকাংশ শিক্ষকেই শিক্ষাদান বৃত্তিটোক প্ৰকৃত বৃত্তিগতভাৱে (Professionally) গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ এটা মুখ্য কাৰণ হয়তো হ'ব পাৰে শিক্ষাৰ অন্তদৃষ্টিৰ অভাৱ। শিক্ষাদানৰ নিচিনা গুৰু দায়িত্বটোক শ্ৰেণী পৰিসৰত পাঠদান কাৰ্য্যৰ মাজতে সীমিত কৰাৰ লঘূ প্ৰয়াসৰ কাৰণেই হ'ব পাৰে শিক্ষাৰ মানহানি হৈছে। পাঠদানত অনিহা, আন্তৰিকতাহীন প্ৰয়াস আৰু নিৰুৎসাহিত কৰা মানসিকতাই শিক্ষকৰ শিক্ষাদান কাৰ্যৰ ফলপ্ৰসুতা প্ৰায় শুণ্যৰ ঘৰলৈ নমাই আনিছে। কোনো কোনো শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ স্বল্পতা অথবা সামূহিকভাৱে ছাত্ৰ-ছাত্ৰীয়ে কৰা অঘোষিত শ্ৰেণী বৰ্জনৰ ঘটনাই এই কথাৰ প্ৰমাণৰ বাবে যথেষ্ট। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ ব্যংগাত্মক নামাকৰণ কৰা, নামৰ শেষত অশোভনীয় টাইটেল যোগ কৰা আদি কাৰ্যই শিক্ষকজনৰ কোনো নহয় কোনো ক্ষেত্ৰত ব্যৰ্থতাকেই প্ৰতিপন্ন কৰে।

অৱশ্যে শিক্ষক আৰু শিক্ষাবৃত্তিৰ এনে অধঃ পতনৰ কাৰণ সাৰ্বজনীন আৰু সাধাৰণীকৰণ কৰা নাযায়। আমাৰ সামজত এতিয়াও বহু আদৰ্শবান শিক্ষক-অধ্যাপক আছে যি সকলৰ আদৰ্শ আৰু কৰ্ম অনুকৰণীয়। এনে গুণবান শিক্ষকজনক ছাত্ৰ-ছাত্ৰীয়েও আন্তৰিকভাৱে শ্ৰদ্ধা কৰে আৰু ভালতকৈও ভাল নামেৰে পৰিচয় দি গৌৰৱ অনুভৱ কৰে। পক্ষান্তৰে শিক্ষাদান কাৰ্যক পাতল আৰু সস্তীয়াভাৱে গ্ৰহণ কৰা শিক্ষকসকলক নেতিবাচক মূল্যায়নৰ অংশ হিচাবে ছাত্ৰ-ছাত্ৰীয়ে ব্যংগাত্মক উপাধি প্ৰদান কৰে যেনে— 'গাওঁবুঢ়া ছাৰ', 'গোবিন্দ মশাই', 'ভাদাইমা ছাৰ' 'গ'প্পী বাইদেউ'......ইত্যাদি।

শিক্ষাদান কাৰ্যক বৃত্তি হিচাবে গ্ৰহণ কৰা অধিকাংশ নামধাৰী শিক্ষকেই যে উক্ত বৃত্তিটোৰ সঠিক নিৰ্বাহ কৰিব পৰা নাই, সেয়া অপ্ৰিয় হ'লেও সত্য। শিক্ষাদান কাৰ্য আমি ভবাৰ দৰে সহজ আৰু পাতলীয়া নহয়। শিক্ষা কেৱল পাঠ্য বিষয়তে সীমাবদ্ধ কৰিব নোৱাৰি আৰু শিক্ষাদান মানে কেৱল পাঠদান কৰাকে নুবুজায়। জীৱনৰ দীৰ্ঘম্যাদী প্ৰয়োজন আৰু প্ৰত্যাহ্বান সমূহ পাৰদৰ্শিতাৰে মোকাবিলা কৰিবৰ বাবে অৰ্হতাৰ বিকাশ কৰাৰ নামেই শিক্ষা। শিক্ষাই মানুহক আত্ম প্ৰতিষ্ঠাত সহায় কৰিব লাগে। জ্ঞানদান শিক্ষাৰ বুনিয়াদী কৰ্তব্য, কিন্তু 'জ্ঞান' শব্দটোৰ পোনপেটীয়া আৰু সস্তীয়া ধাৰণাই শিক্ষাৰ ক্ষতি কৰে। জ্ঞানৰ বিশ্লেষণ হ'ব লাগে। ই কেৱল তথ্য সমাচাৰ (information) আদিৰ বিমূৰ্ত ৰূপটোক নুবুজায়। জ্ঞানৰ পৰিধি অতি বহল। বিদ্যালয়ৰ শ্ৰেণীৰ ভিতৰত ইয়াৰ সীমা নিৰ্ধাৰণ কৰা আৰু পাঠ্য বিষয়তে সকলো প্ৰশ্নৰ সমাধান বিচৰা সঠিক কথা হ'ব নোৱাৰে। বিদ্যালয় সমূহত, বিশেষকৈ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত পাঠ্যক্ৰমৰ সকলো বিষয়কেই প্ৰাসংগিক (Reference) হিচাবেহে ল'ব লাগে। নিৰ্দিষ্টকৈ বান্ধি দিয়া চূড়ান্ত পাঠ্যক্ৰমৰ ধাৰণা শিক্ষা আৰু জ্ঞানৰ বিকাশ সীমিত কৰে। অনুৰূপভাৱে শ্ৰেণীকক্ষতে শিক্ষকৰ কৰ্তব্যৰ সীমাৰেখা নিৰ্ধাৰণ কৰা আৰু তেওঁলোক জ্ঞান আৰু অৰ্হতাৰ মাপকাঠি হিচাবে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটোকে সৰোগত





কৰাটো আৰু অধিক বিপদজনক কথা। কিন্তু পৰিতাপৰ বিষয় যে আজিৰ শিক্ষা ব্যৱস্থাত এইটোৱেই স্বীকৃত সাধাৰণ নিয়মত পৰিণত হৈছে আৰু সুবিধাবাদীয়ে ইয়াৰ সুবিধা লোৱাত কোনো ত্ৰুটি কৰা নাই। অলপতে বহুসংখ্যক কলেজ শিক্ষক আৰু অধ্যক্ষৰ পি.এইচ.ডি. ডিগ্ৰীৰ বৈধতাৰ অনুসন্ধানৰ কথা কাকতত প্ৰকাশ পাইছিল। কিন্তু কি এই বাঁধতা? কেৱলমাত্ৰ UGC ৰ চৰ্ত মানি ক'ৰ্চ ৱাৰ্ক, ছুটী, বিভাগীয় অনুমোদন আদিয়েই যথেষ্ট নে? গৱেষণাৰ মৌলিকতাৰ প্ৰশ্নত এই 'বৈধতা' কিমান বৈধ সেইটো কিন্তু আমাৰ জনাত নাই। প্ৰশ্ন হৈছে শিক্ষা গৱেষণাই গৱেষক শিক্ষকজনৰ সঁচাই বৌদ্ধিক সমল হয় নে? নে ই কিবা 'শ্ৰীকৌশলী' বুদ্ধিজীৱিৰ বৌদ্ধিক চাতুৰ্যৰ ফল? (প্ৰকৃত আৰু মৌলিক গৱেষকৰ প্ৰতি ক্ষমা প্ৰাৰ্থনাৰে)।

সম্প্ৰতি যুৱ প্ৰজন্মৰ শিক্ষকৰ মাজত ব্যাপক হাৰে গৱেষণাৰ যি সংখ্যা বৃদ্ধি পাইছে তাৰ দ্বাৰা উচ্চশিক্ষাৰ সংখ্যাগত উন্নয়ন হৈছে বুলিয়ে ক'ব লাগিব। কিন্তু ইয়াৰ ফলত শিক্ষক আৰু শিক্ষা জগতখন কিমান দূৰ লাভৱান হ'ব সেইটো কিন্তু নিশ্চিত নহয়। কাৰণ অধিক সংখ্যক গৱেষণাই মৌলিকতা ৰোহিত, গৌণ তথ্যভিত্তিক আৰু তথ্য চুৰি, তথ্য নকল (plagiarism) ৰ অভিযোগত অভিযুক্ত। তদুপৰি গৱেষণাৰ প্ৰকৃত উদেশ্য তল পেলাই কেৱল দৰমহাত ইজাফা অথবা চাকৰিত পদন্নোতিৰ কাৰণেই যেনে-তেনে ডিগ্ৰীটো যোগাৰ কৰিব লাগে বুলি যি অঘোষিত প্ৰতিযোগিতা চলিছে, সেয়া নিশ্চিতৰূপে দেশৰ শিক্ষা জগতত এক সুদূৰ প্ৰসাৰী নেতিবাক প্ৰভাৱ পেলাব তাত সন্দেহ নাই।

সময় সমাগত। শিক্ষা বৃত্তিধাৰীসকলৰ আত্ম-সমালোচনা আৰু পুণৰ মূল্যায়নৰ সময়। শিক্ষাদান কাৰ্যক যি ধৰণেই গ্ৰহণ কৰা নহ'ওক কিয় সকলোতেই শিক্ষকৰ মৌলিক জ্ঞান আৰু কৰ্ম-সংস্কৃতিৰ সৰ্বোচ্চ অনুশীলনৰ আৱশ্যক। ইয়াৰ অবিহনে শিক্ষদান কাৰ্য ল'ৰা ধেমালিৰ বাহিৰে অন্য একো নহয়। কৰ্ম এটা সংস্কৃতি। ইয়াক সাংস্কৃতিকভাৱেই গ্ৰহণ কৰিব লাগে। কৰ্মৰ লগত দায়িত্ববোধ জড়িত থাকে। সংস্কৃতিবিহীন কৰ্মক আপুনি কামৰ বোজা বুলিব পাৰে, য'ত আছে নিৰ্ঘাত শ্ৰম, শ্ৰমজনিত ক্লান্তি, বিৰক্তি আৰু নিৰানন্দ। শিক্ষাদান এটা পবিত্ৰ কৰ্তব্য। পিছে শিক্ষাৰ লগত আনন্দ যোগ কৰা আৰু নিজে আনন্দ উপভোগ কৰাৰ পবিত্ৰ মানসিকতা কিমানজন শিক্ষকৰ আছে সেয়াই এই সময়ৰ গুৰুতৰ প্ৰশ্ন।

আজিৰ সমাজত শিক্ষকৰ স্থান ক'ত? সমাজৰ একোজন দায়িত্বশীল, নেতৃস্থানীয়, মুখীয়াল আৰু সমাজৰ মেৰুদণ্ড বুলি কোৱা এসময়ৰ শিক্ষক আজিৰ তাৰিখত সমাজৰ পিছৰ শাৰীত অৱস্থান লোৱা একোজন পৰাজিত সৈনিক। আত্মবোধ আৰু আত্ম-মৰ্যদাৰ ঠাইত আত্ম-অহংকাৰ আৰু আত্ম-গৌৰৱৰ নেতিবাচক মানসিকতাই শিক্ষক আৰু শিক্ষকতা বৃত্তিৰ গৰিমা ম্লান কৰিছে আৰু সমাজৰ চকুত শিক্ষকজন হৈছে হেয় আৰু ঈৰ্ষাৰ পাত্ৰ। নিজৰ পাণ্ডিত্য, আদৰ্শ আৰু কৰ্মৰ দ্বাৰা শ্ৰদ্ধা আৰু সন্মানলৈ ছাত্ৰ-ছাত্ৰীৰ অন্তৰত প্ৰৱেশ কৰিব পৰাকৈ নিজকে উন্নীত কৰিব নোৱাৰাটোয়ে আজিৰ তাৰিখত শিক্ষকৰ বৃহৎ নৈতিক পৰাজয়।

শিক্ষা আৰু শিক্ষকৰ সমালোচনাত পঞ্চমুখ মানুহৰ অভাৱ নাই। তেওঁলোকে শিক্ষাক এটা উৎপাদন অযোগ্য (Non productive) কামৰ কাৰখানা বুলি ক'ব খোজে আৰু শিক্ষক সকলক কামৰ তুলনাত অধিক দৰমহা আদায় লোৱাৰ অভিযোগ কৰে। কিন্তু তেওঁলোকে নাজানে যে দৈনিক ৭/৮ ঘন্টা কাম কৰা বুলি দাবী কৰা চৰকাৰী কৰ্মচাৰী এজনৰ বিপৰীতে উচ্চ শিক্ষাৰ অনুষ্ঠানত কৰ্মৰত শিক্ষকজনৰ কামৰ কোনো সীমা নিৰ্ধাৰণ কৰা নাযায়। ৰাতি-দিন একাকাৰ কৰি শিক্ষকে আপোন বৃত্তিৰ উন্নয়নৰ হকে কাম কৰে। দেশৰ সম্পদ গঢ়াৰ উদেশ্যে আন্ধাৰ ৰাতি কমাৰশালত জুই জলায়। হয়, এয়া শিক্ষকৰ কথাই কোৱা হৈছে। হ'ব পাৰে কলেজ বা বিশ্ববিদ্যালয়ৰ কোনোবাজন। কিন্তু বাকী সকলো শিক্ষকেই যে এই কৃতিত্বৰ দাবী কৰিব নোৱাৰে, সেই কথাটোও কিন্তু অকপটে স্বীকাৰ কৰিব লাগিব। আৰু এই স্বীকাৰোক্তিয়ে হৈছে আত্ম-সমালোচনাৰ প্ৰথমটো ধাপ। ৬ষ্ঠ দৰমহা আয়োগে কলেজ শিক্ষকজনৰ যিদৰে নামৰ পৰিবৰ্তন কৰি মৰ্যদাসম্পন্ন কৰিলে, তেনেদৰে দৰমহাৰ গাথঁনিও বৃদ্ধি কৰিছে। এতিয়াৰ এজন কলেজ শিক্ষকক আপুনি 'প্ৰফেচাৰ' বুলি মাতিব লাগিব, হয়তো হ'ব পাৰে সহকাৰী বা সহযোগী। নহ'লে বেচেৰা প্ৰফেচাৰ মহোদয়ে আপোনাক বেয়া পাই যাব পাৰে। নামৰ আগত 'প্ৰফেচাৰ' শব্দটোৰ সংযোগ নকৰিলে নামটোকেই যে অস্বীকাৰ

কৰিব বপুৰা অধ্যাপক মহাশয়ে। ডক্টৰ বোলাজনেতো আৰু অধিক চড়া হোৱাৰে কথা, কিন্তু দৰমহা গাঁথনিত সৰ্বোচ্চ বেতন লাভ কৰা শিক্ষকজনৰ এই নামৰ স্বাৰ্থকতা ক'ত? সময়ত শিক্ষকৰ যোগ্যতাক লৈও প্ৰশ্ন উত্থাপিত হ'ব। তাৰো সময় সমাগত। কিন্তু তাৰ আগতেই আমি আমাৰ যোগ্যতাক লৈ নিজেই নিজক প্ৰশ্ন কৰা ভাল হ'ব। অন্ততঃ নাকটো বচাবৰ কাৰণে। (যোগ্যজনলৈ ক্ষমা প্ৰাৰ্থনাৰে)।

আজিৰ সমাজত শিক্ষা আৰু শিক্ষকৰ আদৰ্শগত সংকট দূৰ কৰাৰ দায়িত্ব শিক্ষকেই ল'ব লাগিব। ইয়াৰ বাবে প্ৰথম পদক্ষেপ হিচাবেই শিক্ষকৰ কৰ্ম সংস্কৃতিৰ সংস্কাৰৰ কথা ক'ব লাগিব। নিজ বৃত্তিৰ প্ৰতি দায়ৱদ্ধতা (Accountability), আন্তৰিকতা (Sense of belongingness) আৰু দায়িত্ববোধ (Responsibilities) ৰ এই ASR approach শিক্ষকৰ কৰ্ম সংস্কৃতিৰ মূল্যায়নৰ সঠিক নিৰ্ধাৰক হ'ব পাৰে। তথাকথিত ACR ৰ মাধ্যমত শিক্ষকৰ বিশ্বাসযোগ্য মূল্যায়ন হয় বুলি মনে নধৰে। শিক্ষানুষ্ঠানৰ আনুষ্ঠানিক বিধি মানি 'ৰেকৰ্ড কিপিঙ'ৰ উদেশ্য প্ৰস্তুত কৰা ACR ত উক্ত ASR কিমানদূৰ প্ৰতিফলিত হয় সেয়া নিশ্চিত নহয়। শিক্ষাৰ্থীৰ পৰা গ্ৰহণ কৰা আনুষ্ঠানিক Feed Back ব্যৱস্থাও যে সঠিক মূল্যায়ন দিব পাৰে সেয়াও সন্দেহৰ আৱৰ্তত। কাৰণ ইয়াত শিক্ষাৰ্থীৰ ইচ্ছাকৃত (Voluntary) আৰু উদেশ্য প্ৰণোদিত (Motivation) কিছুমান ভুল বৈ যায়। ইয়াৰ সলনি শিক্ষকে নিজেই নিজৰ মূল্যায়ন কৰিব লাগে। নিজৰ বিবেকৰ ওচৰত জবাব দিহিতাই এজন শিক্ষকক পুনৰ সংস্থাপিত কৰিব পাৰে নিজৰ বৃত্তীয় আদৰ্শৰ মাজত। ইয়াৰ বাবে প্ৰয়োজন শৈক্ষিক মূল্যবোধৰ দৃঢ় সংকল্প (Value comitment) আৰু শক্তিশালী ব্যৱসায়িক মনোবৃত্তি (Professionalism)। ইয়াৰ উপৰি শিক্ষকে নিজৰ 'কৰ্ম ক্ষেত্ৰ' সম্প্ৰসাৰণ কৰিব লাগিব। নিজৰ কামৰ কৌশল, পদ্ধতি আৰু উপকৰণ আদি সলনি কৰা আৱশ্যক। ফলপ্ৰসু শিক্ষাদান পদ্ধতিৰ উদ্ভাৱন কৰা, নতুন চিন্তা আৰু প্ৰত্যাহ্বান সৃষ্টি কৰা আৰু শিক্ষাৰ্থীৰ মনত শক্তিশালী কৌতুহল জগাই তুলিব পৰাকৈ শিক্ষকে নিজকে শক্তিশালী ৰূপত উপস্থাপন কৰিব লাগিব। ইয়াৰ বাবে শিক্ষকসকলে প্ৰাত্যাহিক পাঠদান কাৰ্যৰ লগে লগে হ্ৰস্যম্যাদী Action Research আৰু স্থানীয়ভাৱে ব্যৱহাৰিক Project ৰ কৰ্মসূচী গ্ৰহণ কৰিব পাৰে। ইয়াৰ দ্বাৰা নিজৰ ব্যৱসায়িক যোগ্যতাৰ উন্নতি হোৱাৰ লগতে শিক্ষাৰ বৃহৎ উপকাৰ সাধন হ'ব।





# মহাত্মা গান্ধীৰ "সমাজ দৰ্শনৰ" এটি চমু বিশ্লেষণ

**আব্দুল ওৱাহাব সৰকাৰ**
মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

বিশাল ব্যক্তিত্ব আৰু বৈচিত্ৰময় জীৱনৰ গৰাকী মহাত্মা গান্ধী আছিল এক অনুষ্ঠান স্বৰূপ। তেওঁক নিঃসন্দেহে বিংশ শতিকাৰ প্ৰফেট বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব। তেওঁৰ বৈচিত্ৰময় কৰ্ম জীৱন সঁচাকৈয়ে আমাৰ সকলোৰে বাবে আদৰ্শ স্বৰূপ। মানুহৰ সৰ্বাঙ্গীন কল্যাণৰ বাবে তেওঁ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, আধ্যাত্মিক আদি সকলো ক্ষেত্ৰত নিষ্ঠা আৰু সততাৰে অংশ গ্ৰহণ কৰিছিল। আমি জানো, প্ৰতিজন মানুহৰ জীৱনৰ আভ্যন্তৰীণ আৰু বাহ্যিক দুটা দিশ থাকে আৰু এই দুই দিশৰ পাৰ্থক্যৰ পৰিমাণৰ ভিত্তিত মানুহৰ চৰিত্ৰৰ ভাল-বেয়া সম্পৰ্কে ধাৰণা কৰা যায়। কিন্তু মহাত্মা গান্ধী এনে এক মহান পুৰুষ আছিল যাৰ চৰিত্ৰৰ উভয় দিশত কোনো প্ৰভেদ নাছিল। গান্ধীজীৰ চিন্তা আৰু কৰ্মৰ মাজত থকা সাদৃশ্যই এই কথা প্ৰমাণ কৰে। গতিকে সঁচা অৰ্থত গান্ধীজীৰ চৰিত্ৰ আছিল পৱিত্ৰ পানীৰ দৰে নিৰ্মল। এনে এজন মহান ব্যক্তিৰ বৰ্ণাঢ্য জীৱনৰ যিকোনো এটা দিশত আলোচনা কৰাটো সকলো যুগৰ সকলো মানুহৰ বাবে অতি প্ৰাসংগিক।

মহাত্মা গান্ধী সঁচা দাৰ্শনিক নাছিল বা অধি-বৈজ্ঞানিক চিন্তা চৰ্চাত তেওঁৰ কোনো আগ্ৰহও নাছিল। এক ধৰ্মানুৰাগী ব্যক্তি হিচাপে তেওঁ সত্যৰ আলোকত জীৱন যাপন কৰি ভাল পাইছিল আৰু হিন্দু ধৰ্ম তথা নীতি অনুসৰি জীৱনৰ বাট বুলিছিল। কিন্তু আন সকলো ধৰ্মৰ প্ৰতি গান্ধীজীৰ শ্ৰদ্ধা আৰু ভক্তি আছিল সন্দেহাতীত। এই ক্ষেত্ৰত তেওঁৰ তাৎপৰ্যপূৰ্ণ মন্তব্য হ'ল এনে ধৰণৰ— "All religions are the divergent ways to reach in to the same goal." আৰু এই কাৰণেই গান্ধীজীয়ে ধৰ্মান্তকৰণৰ কোনো প্ৰয়োজন অনুভৱ কৰা নাছিল। তেওঁ আছিল মানৱতাৰ চূড়ান্ত নিদৰ্শন।

গান্ধীজীৰ কোনো দাৰ্শনিক উচ্চাকাংক্ষা নেথাকিলেও যেতিয়াই 'সত্য' বুলি কওঁতে তেওঁ কি বুজে- এই সম্পৰ্কে অনুচিন্তন কৰিছিল, তেতিয়া সঁচাকৈয়ে তেওঁ দাৰ্শনিক বা অধিবৈজ্ঞানিক চিন্তাত প্ৰৱেশ কৰিছিল। প্ৰথম অৱস্থাত, গান্ধীজীয়ে 'সত্য' কি?— এই প্ৰশ্নৰ উত্তৰ হিচাপে কৈছিল- "ঈশ্বৰেই হ'ল পৰম সত্য" কিন্তু এই উক্তিত বিৰ্তকৰ অৱকাশ থকা হেতুকে পিছত তেওঁ "(Truth is God)" বুলি কৈছিল। কাৰণ সত্যই ঈশ্বৰ"— এই উক্তিত কোনো বিৰ্তক থাকিব নোৱাৰে। সত্যই যিহেতু ঈশ্বৰ, এতেকে মানৱ জীৱনৰ পৰম লক্ষ্য হ'ল এই 'সত্য'ক উপলব্ধি কৰা। গান্ধীজীয়ে সত্য বা ঈশ্বৰক যথাৰ্থ উপলব্ধিৰ মাজত মানুহৰ মুক্তি নিহিত আছে বুলি বিশ্বাস কৰিছিল আৰু এই লক্ষ্যত উপনীত হোৱাৰ যথাৰ্থ উপায় হিচাপে তেওঁ 'অহিংসা' আৰু সৰ্বদয় তত্ব (Theory of Non-Violence and Theory of Sarvadaya) ৰ অৱতাৰণা কৰিছে। গতিকে দাৰ্শনিক আলোচনা লক্ষ্য নহ'লেও তেওঁৰ সত্যৰ ধাৰণা অহিংসাৰ ধাৰণা আৰু সৰ্বদয় তত্বত দাৰ্শনিক মূল্য নিহিত আছে।

উল্লেখনীয় যে গান্ধীজীৰ সমগ্ৰ চিন্তা বেদান্ত দৰ্শনৰ পাৰমাৰ্থিক ঐক্যতা আৰু ইংৰাজ মানৱতাবাদী চিন্তাবিদ Jhon Ruskin ৰ "Unto the Last" নামৰ প্ৰখ্যাত গ্ৰন্থৰ দ্বাৰা প্ৰভাৱিত হৈছিল। এই গ্ৰন্থখনৰ পৰা গান্ধীজীয়ে তিনিটা বাৰ্তা (Message) পোৱা বুলি নিজেই উল্লেখ কৰিছে। ইয়াৰ প্ৰথমটো হ'ল— (i) ব্যক্তিকল্যাণ সামূহিক কল্যাণৰ মাজত নিহিত থাকে। (The goal of the indiviual is contained in the good of all) Ruskin ৰ এই ধাৰণাৰ ওপৰত ভিত্তি কৰিয়েই গান্ধীজীয়ে তেওঁৰ 'সৰ্বদয় সমাজৰ কল্পনা কৰিছিল। তেওঁ অনুভৱ কৰে যে, আমি যেতিয়াই বেছি আত্মকেন্দ্ৰীক হওঁ তেতিয়া আমি চিন্তা কৰা উচিত আমাৰ লক্ষ্য আৰু আকাংক্ষা জনিত কৰ্ম স্পৃহা দৰিদ্ৰ আৰু আৰ্তজনৰ কিবা কামত আহিবনে? সিহঁতৰ কাৰণেও

আধ্যাত্মিক বিকাশৰ পথ উন্মোচন কৰিবনে? গান্ধীজীয়ে অনুভৱ কৰিছিল যে এনে চেতনাই আমাৰ মাজত থকা ঈৰ্ষা আৰু স্বাৰ্থপৰ মানসিকতা লাহে লাহে নোহোৱা কৰিব। Ruskin ৰ গ্ৰন্থখনৰ পৰা গান্ধীজীয়ে এই কথাওঁ উপলব্ধি কৰে যে, (ii) লক্ষ্যৰ ফালৰ পৰা এজন উকিল (Lawer) আৰু নাপিত (Barber) ৰ কৰ্মৰ মাজত কোনো পাৰ্থক্য নাই। পাৰ্থক্য হ'ল- প্ৰত্যেকে নিজ নিজ কৰ্ম ক্ষেত্ৰত কিমান নিষ্ঠা আৰু সততাৰে কৰ্তব্য সাধন কৰিছে। "Unto the Last" গ্ৰন্থখনৰ পৰা গান্ধীজীয়ে উল্লেখ কৰা তৃতীয় বাৰ্তাটো হ'ল- শ্ৰমিক, খেতিয়ক, চুইপাৰ আদি প্ৰত্যেকৰে জীৱন আৰু কৰ্ম অতি মূল্যাৱন। এই তিনিটা সত্যৰ অনুভূতিয়ে গান্ধীজীৰ জীৱনত কিদৰে প্ৰভাৱ পেলাইছিল তাৰ উমান পোৱা যায় গান্ধীজীৰ এযাৰ উক্তিৰ পৰা। তেওঁ কৈছিল- "I belived I discovered some of my deepest convictions reflected in the great book of Ruskin and that is why it has so captivated me and made me transform my life."

আনহাতে বেদান্তীয় আধ্যাত্মিকতাৰ দ্বাৰা প্ৰভাৱিত হৈ তেওঁ গভীৰভাৱে বিশ্বাস কৰিছিল যে, সকলো অস্থিত্বৰ মাজত এক পাৰমাৰ্থিক (Spiritual) ঐক্যতা আছে, যি ঐক্যতাৰ কেন্দ্ৰ (Centre) হ'ল— 'সত্য' অৰ্থাৎ পৰম সত্য। এই 'সত' আমি ঈশ্বৰ, আল্লাহ, ভগৱান আদি নানা উপাধিৰে অনুভৱ কৰাৰ চেষ্টা কৰো। দ্বিতীয়তে পৰম সত্যই যিহেতু সকলো কিছুৰ কেন্দ্ৰ বা ভিত্তি, এতেকে সাধাৰণ পৰমাণুৰ পৰা উচ্চ পৰ্যায়ৰ সকলো অস্থিত্বই সত্য বা ঈশ্বৰৰ অন্তৰ্ভূক্ত। গতিকে একেবাৰে নিকৃষ্ট জনেই যিদৰে উৎকৃষ্ট জনৰ পৰা পৃথক নহয়, ঠিক সেইদৰে শ্ৰেষ্ঠজনেও নিজকে নিকৃষ্ট সৃষ্ট সত্বাৰ পৰা সম্পূৰ্ণৰূপে পৃথক কৰিব নোৱাৰে।

এই দিশৰ পৰা গান্ধীজীয়ে সাৰ্বজনীন ভ্ৰাতৃত্ববোধ আৰু ঐক্যক পৰম সত্য বুলি ধাৰণা কৰিছিল আৰু বিশ্বাস কৰিছিল যে সকলো স্তৰৰ জীৱৰ (নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়) ৰ মাজত সূক্ষ্মভাৱে সদগুণ নিহিত আছে আৰু উপযুক্ত পৰিৱেশ ৰচনা কৰি সঠিক প্ৰচেষ্টা বা সাধনাৰে আত্মিক উত্তৰণৰ যোগেদি সকলোৱে সত্য বা ঈশ্বৰ উপলব্ধি কৰিব পাৰিব। গান্ধীজীৰ মতে, এই লক্ষ্য প্ৰাপ্তিৰ গুৰুত্বপূৰ্ণ প্ৰাক-চৰ্ত হ'ল এক সৰ্বব্যাপক নৈতিক পৰিৱেশ বা আদৰ্শ সমাজ প্ৰতিষ্ঠা আৰু এনে এক আদৰ্শ সমাজ প্ৰতিষ্ঠাৰ বাবেই গান্ধীজীয়ে সৰ্বদয় তত্ত্ব আৰু অহিংসা নীতিৰ অৱতাৰণা কৰিছিল।

'Sarvadaya'ৰ আভিধানিক অৰ্থ হ'ল- "good of all" বা Service to all আৰু গান্ধীজীয়েও ইয়াৰ দ্বাৰা সাৰ্বজনীন কল্যাণক বুজালেও তেওঁ সামাজিক কল্যাণ বা উত্তৰণৰ লগতে আধ্যাত্মিক বিকাশৰ ওপৰত সমান গুৰুত্ব আৰোপ কৰিছিল। অৰ্থাৎ গান্ধীজীৰ সৰ্বদয় তত্ত্বৰ মূল উদ্দেশ্য হ'ল- এনে এক উচ্চ নৈতিক আৰু আধ্যাত্মিক সমাজ গঢ়া য'ত সকলোৰে বাবে আৰ্থ সামাজিক আৰু আধ্যাত্মিক উত্তৰণৰ বাট মুকলি হয়। যিহেতু ব্যক্তিগত কল্যাণ সামূহিক কল্যাণৰ ওপৰত নিৰ্ভৰশীল, সেই হেতু গান্ধীজীৰ মতে আনৰ পৰা বিছিন্ন হৈ ব্যক্তিগত শান্তি সমৃদ্ধি তথা আধ্যাত্মিক বিকাশ প্ৰকৃত অৰ্থত সম্ভৱ নহয়। এই বাবেই গান্ধীজীয়ে অসূস্থতাৰ সকলো বাধা নাকচ কৰি দৰিদ্ৰ, আৰ্ত তথা দলিত জনৰ সহায়ৰ বাবে, সিহঁতৰ আৰ্থ সামাজিক তথা ৰাজনৈতিক উত্তৰণৰ পথ মুকলি কৰাৰ বাবে আমৰণ চেষ্টা কৰিছিল। এই ক্ষেত্ৰত গান্ধীজীয়ে কৈছিল, "I am endeavouring to see God through the service of humanity for I know that God is neither in heaven nor in down below, but in every one"। এই কাৰণেই দৰিদ্ৰ নাৰায়ণক উপেক্ষা কৰি পালন কৰা সকলো সামাজিক তথা ধৰ্মীয় আচাৰ অনুষ্ঠানক গান্ধীজীয়ে অৰ্থহীন বুলি মন্তব্য কৰি কৈছিল যে, ঈশ্বৰ মন্দিৰ, মছজিদ বা গীৰ্জাত নাথাকে, ঈশ্বৰ ভোকাতুৰ মানুহৰ পেটতহে বাস কৰে। সেয়ে এনে ভোকাতুৰক খাদ্য দিয়া বা সন্তুষ্ট কৰাৰ অৰ্থই হ'ল ঈশ্বৰক উপহাৰ দিয়া।

গান্ধীজীয়ে কৈছিল লক্ষ লক্ষ মানুহ অন্ন বস্ত্ৰ তথা বাসস্থানৰ অভাৱত ঠিকনা বিহীন জীৱন যাপন কৰিব আৰু মুষ্টিমেয় কিছুমানৰ হাতত সম্পত্তিৰ পাহাৰ পুঞ্জীভূত হ'ব, এইটো কেতিয়াও মানুহৰ সমাজ হ'ব নোৱাৰে। অৰ্তনৈতিক আৰু ৰাজনৈতিক উভয়তে ব্যক্তি স্বাধীনতা আৰু ক্ষমতাৰ বিকেন্দ্ৰীকৰণ অবিহনে এখন সুস্থ সমাজ সম্ভৱ নহয়। গতিকে প্ৰয়োজনাতিৰিক্ত সম্পত্তিৰ সঞ্চয় গান্ধীজীৰ সৰ্বদয় নীতিৰ পৰিপন্থী। এই নীতিমতে ব্যক্তি বিশেষে সম্পত্তিৰ ৰক্ষক হ'ব পাৰে কিন্তু তাৰ সমবিতৰণ কৰা ৰাষ্ট্ৰৰ কৰ্তৃত্ব। গান্ধীজীৰ এই কল্পিত সৰ্বদয় সমাজত প্ৰত্যেক ব্যক্তিয়ে কম বেছি পৰিমাণে কায়িক পৰিশ্ৰম কৰিব লাগিব। তেওঁ যিমান ডাঙৰ পদবীৰ নহওঁক কিয়, ৰাষ্ট্ৰীয় স্বাৱলম্বিতাৰ বাবে গান্ধীজীয়ে স্ব-নিয়োজন আৰু কুটিৰ শিল্পৰ ওপৰত গুৰুত্ব দি সকলোকে আৰ্থিকভাৱে উন্নত কৰিব বিচাৰিছিল। এইদৰে গান্ধীজীয়ে সত্য আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত এক উচ্চ নৈতিক আদৰ্শ সমাজ গঢ়াৰ সপোন দেখিছিল। কাৰণ তেওঁৰ দৃঢ় বিশ্বাস আছিল ঈশ্বৰক পোৱাৰ একমাত্ৰ নিৰ্ভৰযোগ্য উপায় হ'ল সকলো সৃষ্ট সত্বাৰ প্ৰতি সেৱা কৰা আৰু সকলোৰে সৈতে অভিন্নতাৰ উপলব্ধি নিজৰ ভিতৰত উন্নত কৰা আৰু এইটোৱেই আছিল গান্ধীজীৰ সৰ্বদয় সমাজৰ মূল লক্ষ্য।





গান্ধীজীৰ সৰ্বদয় তত্ত্বৰ লগত সমাজবাদৰ কিছু মিল লক্ষ্য কৰা যায়। কাৰণ সমাজবাদৰ লক্ষ্য হ'ল- মানৱতা, সমতা, আৰু ঐক্য। সৰ্বদয় সমাজত যিদৰে সকলোৰে কায়িক শ্ৰমৰ কথা কোৱা হৈছে আৰু প্ৰয়োজন অনুপাতে সমবন্টনৰ দিহা কৰিছে একেদৰে সমাজবাদৰো মূলবাণী হ'ল— "From each according to his ability and to each according to his needs" উভয়তে দৰিদ্ৰ, দুৰ্বলজনৰ প্ৰতি সদয় দৃষ্টি ৰাখিছে আৰু সিহঁতৰ সৰ্বদিশত উত্তৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কিন্তু সমাজবাদত ৰাষ্ট্ৰ ক্ষমতাৰ আৰু শ্ৰেণীসংগ্ৰামৰ ওপৰত প্ৰাধান্য দিয়াৰ বিপৰীতে গান্ধীজীৰ সৰ্বদয় সমাজত ক্ষমতা বিকেন্দ্ৰীকৰণৰ ওপৰত গুৰুত্ব দিছে আৰু শ্ৰেণী সংগ্ৰামৰ পৰিৱৰ্তে অহিংসা পথেৰে সকলো অধিকাৰ আৰু মৰ্যাদা সাৱ্যস্তকৰণৰ ওপৰত প্ৰাধান্য দিছে আৰু সমাজবাদ এটা সম্পূৰ্ণৰূপে বস্তুবাদী দৰ্শনৰ বিপৰীতে গান্ধীজীৰ সৰ্বদয় তত্ত্ব এক আধ্যাত্মিক অতি প্ৰাকৃতিক দৰ্শন।

গান্ধীজীৰ সৰ্বদয় তত্ত্ব Jhon Stuart Mill ৰ উপযোগীতাবাদৰ পৰাও পৃথক। গান্ধীজীৰ মতে, মিলৰ উপযোগীতাবাদ সৰ্বাধিক মানুহৰ সৰ্বাধিক কল্যাণক লক্ষ্য হিচাপে ল'লেও ই মানৱ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্যৰ সঠিক ব্যাখ্যা হয়। কাৰণ ইয়াত মানৱতা আৰু মানুহৰ মৰ্যাদাৰ সঠিক মূল্যায়ন হোৱা নাই। গান্ধীজীৰ 'সৰ্বদয়' উপযোগীতাবাদতকৈ বেছি মহত্বপূৰ্ণ আৰু মানৱীয় আৰ্থসামাজিক আৰু ৰাজনৈতিক কলুষতা নিবাৰণৰ ই এক শক্তিশালী আদৰ্শস্বৰূপ। ইয়াৰ উদ্দেশ্য এটা শ্ৰেণীহীন সমাজ গঢ়া আৰু দলহীন গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা।

গান্ধীজীৰ চিন্তাৰ বিভিন্ন দিশ বিশ্লেষণ কৰি এইটো স্পষ্ট হয় যে এক সৰ্ব্ব্যাপক আধ্যাত্মিক তথা পাৰমাৰ্থিক ঐক্যৰ প্ৰতি গভীৰ বিশ্বাসৰ বাবেই তেওঁ সকলো শ্ৰেণীৰ জীৱৰ মঙ্গলৰ কাৰণে নিজৰ জীৱন উৰ্চ্ছগা কৰিবলৈ অনুপ্ৰাণিত হৈছিল আৰু এটা সৰ্বদয় সমাজৰ কল্পনা কৰি তাৰ বাস্তৱ ৰূপায়নৰ বাবে চিন্তা আৰু কৰ্মৰ যোগেদি প্ৰতিনিয়ত চেষ্টা কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে, এনে এখন সমাজৰ সফল প্ৰতিষ্ঠাই সকলোৰে আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাৰ লগতে জগতৰ অন্তৰালত নিহিত পৰমসত্যক উপলব্ধি কৰাত সকলোকে সুযোগ দিব।

গান্ধীজীৰ 'সৰ্বদয়' সমাজৰ চিত্ৰই এইটো ধাৰণা দিয়ে যে, ই কেৱল এক মহান আদৰ্শই নহয়, ইয়াৰ বাস্তৱ প্ৰতিফলনে সমাজত ঐক্য, সমতা, শান্তি আৰু সমৃদ্ধি আনিব। সমগ্ৰ মানৱ জাতি আৰু সকলো প্ৰজাতিৰ জীৱকূলক প্ৰেম আৰু কৰুণাৰ সুতাৰে বান্ধি পাৰস্পৰিক হিংসা, ঘৃণা, বিদ্বেষ দূৰ কৰি পৃথিৱীখনক এখন ঘৰত পৰিণত কৰাৰ সুপ্ত শক্তি এই সৰ্বদয় তত্ত্বত নিহিত আছে যেন লাগে।

কিন্তু সমাজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি থকা দূৰ্নীতি, অন্যায়, অ-নীতি আৰু সাম্প্ৰদায়িক ঘৃণা, গোষ্ঠীগত বিদ্বেষৰ তীব্ৰতা আৰু ব্যাপকতা প্ৰত্যেক্ষ কৰি 'সৰ্বদয় সমাজ'ৰ দৰে মহান আদৰ্শ যে, কেতিয়াবা বাস্তৱত ৰূপায়ণ হ'ব সেয়া অবিশ্বাস্য। মানুহৰ সামগ্ৰীক আচৰণ প্ৰত্যক্ষ কৰি এনে ধাৰণা হয় যে, সঁচাকৈয়ে গান্ধীজীৰ দৰে এক মহান পুৰুষৰ এইখন ভাৰতবৰ্ষত জন্ম হৈছিল নে? এনে প্ৰেক্ষাপটত 'সৰ্বদয় সমাজ' বা 'সাম্যবাদ' অথবা তেনে কোনো মহান আদৰ্শ বাস্তৱায়িত হোৱা সম্ভৱ নে? অথবা এনে 'আদৰ্শ' মানুহৰ স্বভাৱৰ পৰিপন্থী নহয়তো??

সঁচাকৈয়ে যদি মানুহৰ মস্তিষ্কৰ গঠন প্ৰক্ৰিয়াৰ মাজত জাতি, ধৰ্ম, ভাষা, বৰ্ণৰ বৈষম্যজনিত অভিশপ্ত অ-সহিষ্ণুতা নিহিত আছে, অপৰিসীম লালসা তথা দুৰন্ত ক্ষুধাৰ বীজ তাৰ তেজত সুপ্ত হৈ আছে, তেন্তে গান্ধীজীৰ এই মহান 'আদৰ্শ সমাজ' যে কোনো কালে বাস্তৱত ৰূপায়ন হ'ব তাৰ আশা কৰিব নোৱাৰি। কাৰণ মানুহৰ স্বভাৱ আৰু সহজাত চৰিত্ৰৰ পৰিপন্থী কোনো নীতি বাস্তৱত প্ৰয়োগ অসম্ভৱ? গতিকে বিষয়টোৰ ওপৰত উচ্চ বৌদ্ধিক মহলত বৈজ্ঞানিক অধ্যয়ন আৰু আলোচনা হোৱাটো অতি প্ৰাসঙ্গিক বুলি ভাবো। এই ক্ষেত্ৰত আন্তৰিক আলোচনা আৰু গৱেষণাই হয়তো অনাগত সময়ত প্ৰগতিশীল মানৱ সমাজ গঢ়াৰ নতুন পথ উন্মোচন কৰিব।

# আদৰ্শ পৰিয়াল ঃ এটি পৰ্যালোচনা

এ. আজিজ দেৱান
মুৰব্বী অধ্যাপক, আৰবী বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

পৰিয়াল মানৱ সমাজৰ এটি মূল ভিত্তি। পৰিয়ালগত জীৱন অবিহনে মানৱ সভ্যতা কল্পনা কৰিব নোৱাৰি। মানুহৰ অস্তিত্বৰ বাবে পৰিয়ালৰ গুৰুত্ব অপৰিসীম। পৰিয়াল সকলোৰে এক পৰিচিত চিত্ৰ। "A group consisting of one or two parents and their children" অৰ্থাৎ পিতৃ বা মাতৃ অথবা পিতৃ-মাতৃ উভয়ে আৰু সিহঁতৰ সন্তান সন্ততিৰ সমষ্টিয়েই হৈছে পৰিয়াল। একো একোটি পৰিয়াল মূলতঃ কিছুসংখ্যক হৃদয়ৰ সমষ্টি য'ত আছে জীৱনৰ প্ৰবাহ, স্নেহ ভালপোৱা, মায়া-মমতা, সেৱা পৰিচৰ্যা, অভয়-নিৰাপত্তা, সহনশীলতা, সহমৰ্মিতা পাৰস্পৰিক শ্ৰদ্ধাবোধ, মিলিজুলি থকাৰ প্ৰবল বাসনা আৰু পৰস্পৰক গ্ৰহণ কৰাৰ মানসিকতা। ই এজন মানুহৰ সৰ্বপ্ৰথম আৰু সৰ্বশ্ৰেষ্ঠ বিদ্যাপীঠ, এটা সাৰ্বজনীন পদ্ধতি আৰু সমাজ তথা ৰাষ্ট্ৰৰ দাপোন। মৌলিক মানৱাধিকাৰ সুৰক্ষা, সম-মৰ্য্যাদাৰ নিশ্চয়তা, বৈষম্যহীন পৰিৱেশৰ মাজেৰে সামাজিক অগ্ৰগতি সাধন আৰু জীৱনৰ মানদণ্ড উন্নয়নৰ ক্ষেত্ৰত পৰিয়ালেই সমাজৰ স্তম্ভ হিচাপে কাম কৰে। ই এনে এটি প্ৰতিষ্ঠান য'ত থাকে ভৱিষ্যত জীৱনৰ পথ নিৰ্দেশনা। "এগৰাকী শিক্ষিতা মাতৃ এশজন শিক্ষকতকৈ ভাল" বুলি কোৱা কথাষাৰৰ যথাৰ্থতা য'ত সুন্দৰভাৱে প্ৰতীয়মান হয়, তেনে এটি শিক্ষালয়ৰ নামেই হ'ল আদৰ্শ পৰিয়াল।

শিশু এটিৰ কোমল মনত সম্প্ৰীতি সদ্ভাৱৰ অংকুৰ মেল খায় পৰিয়ালৰ পৰাই য'ত বিশেষ ভূমিকা থাকে মাতৃগৰাকীৰ। সিহঁতৰ পৰস্পৰৰ মাজত গঢ়ি উঠে সু-সম্পৰ্কৰ সুদৃঢ় সেতুবন্ধন। যদি সকলোৱেই নিজ নিজ দায়িত্ব যথাযথভাৱে পালন কৰে তেতিয়াই সেই পৰিয়ালটো সমাজত উত্তম আৰু আদৰ্শ পৰিয়াল হিচাপে প্ৰতিষ্ঠা লাভ কৰে, য'ত বৈ থাকে শান্তিৰ ফল্গুধাৰা। সেই পৰিয়ালৰ প্ৰতিজন সদস্যৰ জীৱন হয় সুখময়, আনন্দময়। ঐশীগ্ৰন্থ 'আল-কোৰাণ' যথাৰ্থই দাবী কৰে— "........আৰু তেওঁ (আল্লাহই) তোমালোকৰ অন্তৰত পাৰস্পৰিক ভালপোৱা আৰু দয়া সৃষ্টি কৰিছে। ইয়াত নিশ্চয় আছে বহু নিদৰ্শন সেই সম্প্ৰদায়ৰ বাবে যিসকলে চিন্তা কৰে।" (ছুৰা ৰূম- ৩০ঃ২১)। পৰিয়াল এক অনন্য শিক্ষাগাৰ। ইয়াতেই পিতৃ-মাতৃয়ে সন্তানক সু-শিক্ষাৰে শিক্ষিত কৰি সুনাগৰিক হিচাপে গঢ় দিয়ে। শিশু আদৰ্শবান হিচাপে গঢ় লৈ উঠে পৰিয়ালৰ পৰাই। এই আদৰ্শবান শিশুটিয়েই অবিচল থাকে আদৰ্শ সমাজ গঢ়াৰ বাবে আদৰ্শ ৰাষ্ট্ৰ গঢ়াৰ বাবে। স্মৰ্তব্য যে, ব্যক্তিৰ পৰাই পৰিয়াল, পৰিয়ালৰ পৰাই সমাজ, সমাজৰ পৰাই এটা দেশ বা ৰাষ্ট্ৰ গঠন হয়। ব্যক্তি ভালেই পৰিয়াল ভাল, পৰিয়াল ভালেই সমাজ ভাল, সমাজ ভালেই ৰাষ্ট্ৰ ভাল। অনন্য সুন্দৰ এটি পৰিয়াল গঢ় দিয়াৰ ক্ষেত্ৰত পিতৃ-মাতৃ উভয়েৰে ভূমিকা অপৰিসীম। কিয়নো পিতৃ-মাতৃৰ লগত সন্তানৰ সম্পৰ্ক অত্যন্ত নিবিড় আৰু চিৰন্তন। সন্তানৰ ভাল বেয়া নিৰ্ভৰ কৰে পিতৃ-মাতৃৰ ওপৰতেই। এটি পৰিয়ালত প্ৰতিজন সদস্যৰ মাজত যেতিয়া নিজ নিজ মৰ্য্যাদা, আত্ম সন্মান, প্ৰমূল্যবোধ বিৰাজ কৰে তেতিয়া তাক আদৰ্শ পৰিয়াল হিচাপে আখ্যায়িত কৰা হয়।

উল্লেখ্য যে, দেশ কাল, সমাজ, পাৰিপাৰ্শিকতা, ইতিহাস ঐতিহ্য, সভ্যতা সংস্কৃতি, দায়িত্ব, কৰ্তব্য আৰু ৰীতি-নীতিৰ কাৰণে পৰিয়ালৰ ৰূপ ভিন্ন হয়। কালৰ বিৱৰ্তনত পৰিৱৰ্তিত হৈ আছে পৰিয়ালৰ পৰিকাঠামো আৰু ইয়াৰ আকাৰ আয়তন। বিশ্বায়নৰ লগে লগে যৌথ পৰিয়াল ভাঙি গঠন হৈছে





একক পৰিয়াল। অৰ্থ মানৱ জীৱনৰ এক মৌলিক প্ৰয়োজন। আনহাতে অৰ্থই অনৰ্থৰ মূল বুলিও কোৱা হয়। বৰ্তমান যিবোৰ পৰিয়ালৰ অভিভাৱক সকল সন্তানৰ প্ৰতি উদাসীন হৈ কেৱল অৰ্থৰ পিছে পিছে দৌৰিছে তেওঁলোকৰ মাজত অধিকাংশই অধিক ধনী অথবা অতি দৰিদ্ৰ শ্ৰেণী। ধনী শ্ৰেণীয়ে বৈধ অবৈধ পন্থাৰে টকা উপাৰ্জন কৰে আৰু ভোগ-বিলাসত মত্ত থাকে অধিকাংশ সময়। সন্তানে লাগ বুলিলেই টকা যোগান ধৰা, দামী পোচাক-পৰিচ্ছদ, দামী মোবাইল, বিলাসী গাড়ী ইত্যাদি কিনি দিয়েই ধনী পিতৃজন যেন দায়মুক্ত হয়। পাশ্চাত্য সংস্কৃতিৰ উত্তাল ঢৌৰ লগত নিজকে বিলাই দিয়ে অতি সংগোপনে। অন্ধ স্নেহত সন্তানৰ কোনো ভুল-ত্ৰুটি অভিভাৱকৰ চকুত ধৰা নপৰে। ফলত সেই সকল সন্তানৰ মাজতেই ব্যাপকতৰ হৈ উঠিছে নৈতিক অৱক্ষয়, অপৰাধ প্ৰৱণতা, ৰুগীয়া মনস্তত্ব, নিচাসক্ত, উশৃংখলতা আৰু ইয়াৰেই বিষবাষ্প বিয়পি পৰিছে সমাজত। ইয়াৰ নেতিবাচক পৰিণতি হিচাপে পাৰিবাৰিক অশান্তিৰ বিস্তৃতি ঘটাৰ লগে লগে সামাজিক অস্থিৰতা, মূল্যবোধৰ অৱক্ষয় দেখা দিছে। দেখা দিছে নানা সামাজিক ব্যাধিৰ উত্তৰোত্তৰ বৃদ্ধি। বহুতো যুৱক-যুৱতীয়ে প্ৰেম বিৰহত ভুগী শেহত গৈ আত্মহননৰ পথ বাচি লোৱা দেখা যায়।

আনহাতে দৰিদ্ৰ শ্ৰেণীৰ সন্তান সকলে অস্বাস্থ্যকৰ পৰিৱেশত এশ এবুৰি সমস্যাৰে জৰ্জৰিত হৈ কেৱল বাচি থকাৰ সংগ্ৰাম চলাই গৈ থাকোতে নৈতিক কৰ্মকাণ্ডৰ পৰা সিহঁতেও বহু দূৰত অৱস্থান কৰে। দাৰিদ্ৰতাৰ কোবাল বা'মাৰলী নেওচি নিজ সন্তানৰ মেধা থকা সত্বেও মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনত অপাৰগ হৈ এই শ্ৰেণীৰ অভিভাৱকজন কেৱল নিৰবে চকুলো টুকে। সমাজ এখনৰ পয়ালগা অৱস্থাৰ উত্তৰোত্তৰ উন্নতিত জড়িত থকা উচিত সেই কথা ভবাৰ আহৰিয়েই নাই আৰ্থিক দৈন্যতাত ডাঙৰ-দীঘল হৈ অহা এই যুৱ শ্ৰেণীৰ। ভোকৰ তাড়না নিবাৰণৰ বাবে এটুকুৰা শুকান ৰুটিৰ ৰোজগাৰৰ পিছে পিছে খেপিয়াই ফুৰিছে এইচাম যুৱকে।

অন্ততপক্ষে মধ্যবিত্ত, নিম্ন মধ্যবিত্ত পৰিয়ালবোৰেই মোটামুটিভাৱে সমাজৰ সজাগ আৰু সচেতন শ্ৰেণী। এইলোকেই সমাজৰ শান্তি-শৃংখলাৰ ভাৰসাম্য ধৰি ৰাখিবলৈ প্ৰাণপনে চেষ্টা কৰে। সমাজত এতিয়াও বহুতো ভাল মানুহ আছে যি সকলে প্ৰকৃত পক্ষে বিচাৰে যে সমাজত ভাল মানুহেই থাকক, মানৱৰূপী দানৱ নাথাকক। সমাজৰ সকলো শ্ৰেণীৰ পৰিয়ালৰ নৈতিকতাৰ মান উন্নয়নৰ মাজেৰে মূল্যবোধৰ অৱক্ষয় ৰোধ কৰি পাৰিবাৰিক শান্তি-শৃংখলা ঘূৰাই আনি পাৰস্পৰিক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ সেতুবন্ধন মজবুত কৰিবলৈ আমি আটায়ে মাৰ বান্ধি থিয় হওঁ আহকঙ্গ সমাজৰ প্ৰতিটো পৰিয়াল হওঁক উত্তম আৰু আদৰ্শবান, দেশ আৰু দহৰ বাবে পৰিগণিত হওঁক উৎকৃষ্ট নিদৰ্শন, এই প্ৰচেষ্টাৰে আগুৱাই আহি সমাজত শান্তিৰ নিজৰা বোৱাই দি শান্তি শীতলতাৰ পানীয়ৰে সকলোকে পৰিতৃপ্ত কৰা আমাৰ আটাইৰে একান্ত কৰ্তব্য।

# জিনীয়ভাৱে ৰূপান্তৰিত উদ্ভিদ ইয়াৰ ধনাত্মক আৰু ঋণাত্মক দিশ

ড° চৈয়দা জাহানাৰা বেগম
সহযোগী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

জিনীয়ভাৱে ৰূপান্তৰিত উদ্ভিদ বৰ্তমান এক চৰ্চাৰ বিষয় হৈ পৰিছে। যিকোনো উদ্ভিদ বিশেষকে অৰ্থনৈতিক গুৰুত্ব থকা উদ্ভিদ এক বিশেষ জিনীয় অভিযন্ত্ৰণ (Genetic Engineering) প্ৰক্ৰিয়াৰ দ্বাৰা ৰূপান্তৰিত কৰি এটা নতুন চৰিত্ৰবিশিষ্ট ভেৰাইটি (Variety) লৈ পৰিৱৰ্তিত কৰিব পাৰি। ই এটা অত্যন্ত ব্যয়বহুল, অতি উন্নত প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই কৃষি ক্ষেত্ৰত এক বিপ্লৱ সৃষ্টি কৰিছে। জেনেটিকভাৱে ৰূপান্তৰিত উদ্ভিদ (GMP) সমূহৰ পৰিৱৰ্তন হয় জিন লেভেলত। উন্নত জাতৰ উদ্ভিদ সেয়া শস্যই বা উদ্যান শস্যই হওঁক, উদ্ভাৱনৰ ক্ষেত্ৰত উদ্ভিদ বিজ্ঞানীসকলে অহৰহ প্ৰচেষ্টা চলাই আহিছে। বিভিন্ন সংকৰ জাতৰ সৃষ্টি তাৰেই ফল। জনসংখ্যা বৃদ্ধিৰ মোকাবিলা কৰিবলৈ হওঁক বা পৰিৱেশৰ লগত মোকাবিলা কৰিবলৈকেই হওঁক উন্নত জাত, উন্নত ভেৰাইটি উদ্ভাৱনৰ ক্ষেত্ৰত উদ্ভিদ বিজ্ঞানীয়ে অবিহণা যোগাইছে। ইয়াৰে কিছুমান পৰিৱেশৰ বন্ধুৰূপে স্বীকৃতি পাইছে আৰু কিছুমানে পৰিৱেশৰ লগত তিষ্টিব নোৱাৰি হাৰ মানিছে।

জিনীয়ভাৱে ৰূপান্তৰিত উদ্ভিদ (Genetically Modified Plants) একবিংশ শতিকাৰ এক নতুন সংযোজন। বায়'টেকন'লজিৰ জয়গানৰ সময়তে উদ্ভিদ বিজ্ঞানীৰ দল এটাই সফল হৈছিল জিনগত পৰিৱৰ্তন সাধি নতুন চৰিত্ৰ, নতুন জিনৰ সংযোজনেৰে মানুহৰ হিতাৰ্থে, পৰিৱেশৰ হিতাৰ্থে, পুষ্টিগত গুণৰ সমাহাৰেৰে এক নতুন উদ্ভিদ জাত সৃষ্টিৰে। উন্নয়নশীল দেশসমূহত এতিয়াও ৮৪০ মিলিয়ন জনসংখ্যা পুষ্টিহীনতাৰ বলি হ'বলগীয়া হৈছে। গ্ৰাম্যঞ্চলৰ কৃষকসকল পুৰণি কৃষি পদ্ধতিৰে জনসংখ্যা বৃদ্ধিৰ লগত মোকাবিলা কৰিবলৈ অপৰাগ। সেয়েহে এক বৃহৎ সংখ্যক জনসাধাৰণ পুষ্টিহীনতা তথা দুৰ্ভীক্ষৰ বলি হৈ আহিছে। এই সকলো দিশৰ লগত ফেৰ মাৰিবলৈকে (GM) উদ্ভিদৰ সৃষ্টি হৈছে।

বৰ্তমানলৈ উদ্ভাৱিত হোৱা GM উদ্ভিদসমূহ হ'ল: চয়াবিন, কপাহ, স্কোৱাচ, আল্ফাল্ফা শাক, বিলাহী, বীট, মাকৈ, কেন'লা (আমেৰিকাত উপলব্ধ এবিধ শাক) ইত্যাদি।

এই GM উদ্ভিদ উদ্ভাৱন এটা অতি উচ্চ মানদণ্ডৰ গৱেষণাধৰ্মী প্ৰক্ৰিয়া। ইয়াত জেনেটিক ইঞ্জিনিয়াৰিং কৌশলৰ সহায়ত ৰূপান্তৰিত কৰিব খোজা শস্য বা ফলমূল বা শাক-পাচলি বিধৰ জিনগত পৰিৱৰ্তন সাধন কৰা হয়। DNA টেকন'লজীৰ সঠিক ব্যৱহাৰ কৰি সেই উদ্ভিদ বিধৰ জিনৰ ৰূপান্তৰণ ঘটাই উন্নত গুণবিশিষ্ট, উন্নত মানদণ্ডৰ জিন সন্নিবিষ্ট কৰা হয়। এই ক্ষেত্ৰত এক বিশেষ অনুজীৱ বিশেষকৈ বেক্টৰিয়াৰ সহায়ত ইন্‌জেকচন পদ্ধতিৰে ৰূপান্তৰিত কৰিব খোজা উদ্ভিদত জিন (DNA) সুমুৱাই দিয়া হয়। এনেদৰে পৰিৱৰ্তিত কৰা উদ্ভিদজোপাৰ ফলসমূহ পূৰ্বৰ তুলনাত পোক পৰুৱা প্ৰতিৰোধী, পুষ্টিদায়ক আৰু সোৱাদযুক্ত হয়। ইয়াৰ উৎপাদন ক্ষমতাও বহুগুণে বৃদ্ধি পায়। GM উদ্ভিদ নতুন বিশ্বৰ এক চমকপ্ৰদ সৃষ্টি। এই GM উদ্ভিদ উদ্ভাৱনৰ কৌশল সি যদিও ব্যয়বহুল ই এবাৰ উদ্ভাৱনৰ পিছত প্ৰাকৃতিকভাৱে গুণ সমূহ পৰৱৰ্ত্তী বংশোদ্ভৱলৈ চলি যায়। সেয়েহে খৰচ এবাৰেহে হয়।

GM উদ্ভিদ (GMP) সমূহৰ ভিতৰত অতি সঘনাই ব্যৱহৃত উদ্ভিদ সমূহৰ নাম আৰু উপকাৰিতা তলত উল্লেখ কৰা হ'ল—





| | GMP | বৈশিষ্ট্য | গুণ |
|---|---|---|---|
| ক) | মাকৈ | কীটনাশক প্ৰতিৰোধী | সোৱাদযুক্ত |
| খ) | কপাহ | অপবন নাশক প্ৰতিৰোধী | নাশকে অকল অপবনহে নাশ কৰে GM কপাহ নহয়। |
| গ) | বিলাহী | সোনকালে পকি নাযায় | অপচয় ৰোধ হয়, এই বিলাহী Lycopersicon বেছিকৈ থাকে |
| ঘ) | তৰমুজ | সৰু আকাৰৰ হয় | খাবলৈ অতি সোৱাদযুক্ত হয়। |
| ঙ) | ষ্ট্ৰ'বেৰী | শীত প্ৰতিৰোধী | ফ্ৰিজিং কৰাৰ পিছতো গুণ অব্যাহত থাকে। |
| চ) | আলু | উচ্চ শ্বেতসাৰযুক্ত | ভজাৰ সময়ত কম তেল শোষণ কৰে। |

ইয়াৰোপৰি USA ত পোৱা যায় GMO স্কোৱাচ যাৰ বৰণ হালধীয়া। এই স্কোৱাচ আকৃতিত সৰু কিন্তু গুণগতভাৱে অধিক উন্নত য'ত প্ৰটিন জিনৰ সমাহাৰ ঘটোৱা হয়। প্ৰটিন জিনে ভাইৰাচ প্ৰতিৰোধ কৰিব পাৰে।

USA ত বহুল চৰ্চিত এবিধ GMP হ'ল চুগাৰ বীট। এই চুগাৰ বীট 2005 ত বজাৰলৈ আহে যদিও কিছু আসোৱাহপূৰ্ণ হোৱাত 2010 ত ইয়াক অবৈধ (banned) ঘোষণা কৰা হয়। পুনৰ সংশোধন কৰি 2012 চনত ইয়াক বৈধ ঘোষণা কৰে। US ৰ 95% চেনি চুগাৰবীটৰ পৰা উৎপাদিত হয়। বৰ্তমানলৈ 2010 ৰ বেছি গৱেষণাপত্ৰত GMP ৰ সুবিধাসমূহ অধ্যয়ন কৰা হৈছে আৰু ইয়াক মানুহৰ স্বাস্থ্যৰ উপযোগী বুলি স্বীকৃতি দিয়া হৈছে। তৎস্বত্বেও সাধাৰণ মানুহখিনি এতিয়াও শঙ্কিত GMP খাদ্য হিচাপে গ্ৰহণ কৰাৰ ক্ষেত্ৰত ফুড চেফটি এণ্ড চিকিউৰিটি আইনে গ্ৰীন চিগনেল দিয়াৰ পিছতো বহুতো মানুহে GM ফুডক স্বাভাৱিকভাৱে গ্ৰহণ নকৰে। অৰগেনিক ফুডতকৈ কোনোগুনে বেলেগ নহয় এই GM ফুড বৰং কোনো কোনো ক্ষেত্ৰত উন্নতহে। এই যুক্তিতৰ্কৰ মাজতে GM উদ্ভিদে অদূৰ ভৱিষ্যতে মানুহৰ হিত সাধনত, অপুষ্টি নিবাময়ৰ ক্ষেত্ৰত তথা জনসংখ্যা বৃদ্ধিৰ লগত খাদ্যৰ জোৰা মাৰিবলৈ সক্ষম হ'ম। ভৱিষ্যত প্ৰজন্মই GM ফুডৰ লগত নিশ্চয় আপোচ নকৰিব। কিয়নো উচ্চ গুণসমৃদ্ধ খাদ্য স্বাস্থ্যৰ উপকাৰিহে। চুইডেনৰ এদল গৱেষকে উলিওঁৱা GMC (Genetically Modified Crop) সোণালী ধান (Golden Rice) ত বিটা কেৰ'টিন থাকে। ই এবিধ এন্টিঅক্সিডেন্ট যি চাল আৰু চকুৰ উপকাৰী। চয়াবিন (GMP) মানুহৰ শৰীৰত প্ৰৱেশ কৰাৰ পিছত বেয়া চৰ্বী (HDL) ক ভাল LDL চৰ্বীলৈ ৰূপান্তৰ কৰিব পাৰে। বিলাহীত GM লাইক'পাৰচিকন বেছি থকা ই কেন্সাৰ প্ৰতিৰোধ কৰিব পাৰে।

গতিকে উন্নত দেশ আমেৰিকা সহজলভ্য হোৱা মানুহৰ স্বাস্থ্যসন্মত GM ফুডলৈ উন্নয়নশীল দেশসমূহেও আগ্ৰহেৰে বাট চাই আছে।

# পৰিৱেশত গধুৰ ধাতু

**হাইদৰ আলী আহমেদ**
সহযোগী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

যোৱা দশক বিলাকত আমাৰ দেশৰ জনসংখ্যা বৃদ্ধি উদ্যোগীকৰণ আৰু নগৰীকৰণৰ ফলত উদ্যোগিক আৱৰ্জনাৰ পৰিমাণ অতিপাত বৃদ্ধি ঘটিছে। এই উদ্যোগিক আৱৰ্জনাসমূহত কিছুমান গধুৰ ধাতু- আৰ্ছেনিক, কেডমিয়াম, ক্ৰমমিয়াম, কপাৰ, নিকেল, লেড আৰু মাকৰী মিহলি হৈ থাকে। গধুৰ ধাতৱ আয়ন মিহলি হৈ থকা আৱৰ্জনাই আমাৰ পৰিৱেশৰ বায়ু, পানী আৰু মাটি প্ৰদূষিত কৰে। উদ্যোগ সমূহৰ দ্বাৰা বৰ্জিত আৱৰ্জনাৰ উপৰিও আন কিছুমান অৰ্থনৈতিক ক্ৰিয়া কলাপ— ধাতু নিষ্কাষণ, ধাতুৰ পৰিশোধন, ইলেকট্ৰপ্লেটিং আদি কামৰ বাবেও গধুৰ ধাতু সমূহ পৰিৱেশত সোমায়। বৰ্তমান আমাৰ গ্ৰাম্য অঞ্চলত চলা দুচকীয়া বাহন- অট'ৰিক্সা, মটৰ, ট্ৰেক্টৰ, পাৱাৰটিলাৰ, পাৱাৰ পাম্প আদিৰ পৰাও পৰিৱেশলৈ গধুৰ ধাতু সমূহ সোমাই পৰে। আমাৰ গ্ৰাম্য সমাজত দৰিদ্ৰলোকৰ বিলাসীতাৰ সামগ্ৰী টেপ ৰেৰ্কডাৰৰ বেটাৰীৰ মাৰফতো পৰিৱেশলৈ গধুৰ ধাতু সমূহ সোমাই আহিব পাৰে। পৰিৱেশত গধুৰ ধাতুৰ গাঢ়তা বৃদ্ধিৰ ফলত মানুহৰ লগতে জীৱ-জন্তু আৰু তৰু-তৃণৰ বাবেও ই যথেষ্ট ক্ষতিকাৰক হ'ব পাৰে।

লেডৰ দ্বাৰা প্ৰদূষিত বায়ুই উদ্ভিদৰ ওপৰত বিষ ক্ৰিয়া কৰাৰ ফলত কিছুমান ঠাইত বাটৰ কাষৰ গছপুলিবোৰ মৰি যায়। সামান্য পৰিমাণৰ লেড মানুহৰ দেহত প্ৰৱেশ কৰিলে মানুহৰ শ্বাস কষ্ট আৰু স্নায়ৱিক দূৰ্বলতাই দেখা দিয়ে। অধিক পৰিমাণে লেডৰ দ্বাৰা প্ৰদূষিত হলে মানুহৰ দেহত হিম'গ্লবিন সংশ্লেষণ নহয়, ভোক নেলাগে, ৰক্তহীনতাই দেখা দিয়ে, কিডনীৰ বেমাৰ হয়, স্নায়ুতন্ত্ৰ ধ্বংস হয় আৰু মগজুৰ ক্ষতি হয়।

মাকৰী বা পাৰা দ্বাৰা প্ৰদূষিত হ'লে বা কিবা কাৰণত মানুহৰ দেহত পাৰা প্ৰৱেশ কৰিলে প্ৰথমে দেহৰন্ধ্ৰ সমূহত প্ৰদাহৰ সৃষ্টি হয়, শাৰীৰিক দূৰ্বলতাই দেখা দিয়ে, ভয় ভাৱ জন্মে কোনো সিদ্ধান্ত লব নোৱাৰা, গা গধুৰ হয়, স্বভাৱ খিংখীঙিয়া হয়, মূৰৰ বিষ, হতাশা অস্থিৰ, অনিদ্ৰা, হাত ভৰিৰ আঙুলিৰ কপনি, দাঁত সৰি যায় আৰু পেটৰ অসুখ হয়।

কেডমিয়ামৰ বিষক্ৰিয়াত বমি হয়, কিডনী নষ্ট হয়, ৰক্তচাপ বাঢ়ে আৰু ৰক্তহীনতাই দেখা দিয়ে। কপাৰৰ বিষক্ৰিয়াৰ ফলত বুকু ধপ-ধপ কৰা, কোষ্ঠ-কাঠিন্য, বাত বেমাৰ, মনৰ স্থিৰতা নোহোৱা, নিৰাশা, আত্মহত্যাৰ প্ৰৱণতা, খোৱা-লোৱাত অসুবিধা, অতি সহজেই ত্ৰাসিত হোৱা, ৰক্তচাপ কমিযোৱা আৰু মনত দুচিন্তাৰ উদ্ৰেক হয়। এইদৰে প্ৰত্যেকবিধ গধুৰ ধাতুৰেই মাত্ৰাধিক্যই বিষক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। আইৰন বা লৌহ আমাৰ শৰীৰৰ বাবে প্ৰয়োজনীয় যদিও মাত্ৰাধিক্যই বিষক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। একেদৰে কপাৰ বা তাম আমাৰ শৰীৰৰ বাবে অতি সামান্য পৰিমাণে প্ৰয়োজন যদিও, মাত্ৰাধিক হ'লে বিষক্ৰিয়াই দেখা দিয়ে। আৰ্ছেনিকৰ কথা ক'বই নালাগে। আমাৰ সমাজৰ বহু অথন্তৰৰ মূলত যে আৰ্ছেনিক সেই কথা উপলদ্ধি কৰাত পলম হলেও সময় উকলি যোৱা নাই। শেহতীয়া তথ্যমতে বৃহত্তৰ কলগাছিয়া অঞ্চলৰ দিগজানী, বালাৰপাথাৰ, বলাইপাথাৰ, বৰডাংগা আদি কেইবাখন গাৱৰ খোৱাপানীৰ উৎসত আৰ্ছেনিক থকাৰ কথা উমান পোৱা গৈছে। আৰ্ছেনিকৰ বিষক্ৰিয়াত অসুস্থ হৈ পৰা কেইবাজনো ৰোগী গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্ত্তি কৰা হৈছে বুলি জানিব পৰা গৈছে। আৰ্ছেনিক আৰু গধুৰ ধাতুৰ বিষক্ৰিয়া সম্পৰ্কে মানুহৰ মাজত সজাগতা গঢ়ি তোলা বৰ্তমান সময়ৰ আহ্বান। এই ক্ষেত্ৰত কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষকসকলে অগ্ৰণী ভূমিকা লোৱাৰ প্ৰয়োজন আছে।





পৰিৱেশৰ গধুৰ ধাতু সোমাই অহাৰ লগে লগে সেই গধুৰ ধাতুৰ জৈৱিক প্ৰক্ৰিয়াৰ পৰিৱৰ্ধন বা গাঢ়ীকৰণ হৈ খাদ্য শৃংখলৰ সৈতে মানুহৰ দেহত প্ৰৱেশ কৰে। এবাৰ মানুহৰ দেহত প্ৰৱেশ কৰাৰ পাছত সেইবোৰ মানৱদেহৰ মূল অংগ সমূহত জমা হয় আৰু তাৰ বিষক্ৰিয়া চলাই থাকে। খোৱা পানীৰ সৈতে মানুহৰ দেহত প্ৰৱেশ কৰা আৰ্ছেনিকৰ বিষক্ৰিয়াৰ ফলত ছালৰ বেমাৰ আৰু কেন্সাৰ হোৱাৰ যথেষ্ট প্ৰমাণ আছে। লেডৰ বিষক্ৰিয়াৰ ফলত প্ৰতি বছৰ বিশ্বত প্ৰায় একলাখ পঞ্চাশ হাজাৰ মানুহৰ মৃত্যু ঘটে। ক্ৰমিয়ামৰ বিষক্ৰিয়াৰ ফলত বমি ভাব, ডায়েৰিয়া, মূত্ৰতন্ত্ৰৰ বিসংগতি, অম্লতা, আলচাৰ আদি হ'ব পাৰে। ইউৰেনিয়ামৰ বিষক্ৰিয়াৰ ফলত কিডনী ধ্বংস হোৱাৰ উপৰিও কেন্সাৰ সৃষ্টি হব পাৰে।

এতিয়া কথা হ'ল এই বিষাক্ত ধাতু সমূহৰ বিষক্ৰিয়াৰ পৰা মুক্তি পোৱাৰ উপায় বা আমাৰ পৰিৱেশৰ পৰা এইবোৰ আতৰাই ৰখাৰ উপায় কি? সাধাৰণতে ধাতু সমূহ প্ৰকৃতিৰ জৈৱিক প্ৰক্ৰিয়াৰে ধ্বংস নহয়। গতিকে সেইবোৰক পৰিৱেশৰ পৰা আতঁৰাই আমাৰ পৰিৱেশ নিকা কৰিবলৈ হয় সেইবোৰ শোষণ কৰিব লাগিব, শোষণযোগ্য যৌগলৈ ৰূপান্তাৰ কৰিব লাগিব নাইবা সিহঁতৰ জাৰণ সংখ্যাৰ পৰিৱৰ্তন ঘটাই নিষ্ক্ৰিয় কৰি পেলাব লাগিব। এইবোৰ হৈছে ৰাসায়নিক পদ্ধতি আৰু বাস্তৱ ক্ষেত্ৰত এই পদ্ধতিসমূহ কাৰ্যকৰী কৰা বৰ টান হয়।

গতিকে বৰ্তমান পৰিৱেশৰ পৰা গধুৰ ধাতুৰ আয়ন নিষ্কাষনৰ বাবে কিছুমান ভৌতিক পদ্ধতিৰ সহায় লোৱা হয়। এই পদ্ধতি সমূহৰ ভিতৰত জৈৱিক পদ্ধতি বা বায়ল'জিকেল মেথড অৱ হেভী মেটেল ৰিমেডিয়েচন অতি উত্তম বুলি বিবেচিত হয়। উদ্ভিদৰ ব্যৱহাৰ— ফাইট'ৰিমেডিয়েচন অণুজীৱৰ দ্বাৰা বা বায়'ৰিমেডিয়েচন, এইবিলাক পদ্ধতি সুলভ স্থলতে সম্পাদনযোগ্য, গৌণ প্ৰদূষকৰ মাত্ৰা কম হয় যাৰ বাবে বৰ্তমান গোটেই বিশ্বত এই পদ্ধতিৰ সমাদৰ বৃদ্ধি পাইছে।

আইৰণ, ইউৰেনিয়াম, টেকনিছিয়াম, ক্ৰমিয়াম আদি গধুৰ ধাতুসমূহ পৰিৱেশৰ পৰা আতঁৰাবলৈ কিছুমান বিশেষ প্ৰকাৰৰ অণুজীৱৰ ব্যৱহাৰ কৰা হয়। একেদৰে কিছুমান বিশেষ প্ৰজাতিৰ তৰু-তৃণ আৰু বৃক্ষ ব্যৱহাৰ কৰি প্ৰদূষিত ভূমিৰ পৰা লেড নিকেল আৰু কপাৰ ধাতুৰ প্ৰদূষণ হ্ৰাস কৰিব পৰা যায়।

বায়ু, পানী আৰু মাটিত গধুৰ ধাতু বা ধাতৱ আয়নৰ উচ্চ গাঢ়তা মানৱ জাতিৰ সুস্বাস্থ্য আৰু নিৰপত্তাৰ প্ৰতি এক ভীতি। কিছুমান ধাতুৰ প্ৰদূষণৰ ফলত জিনিয় উৎপৰিবৰ্তন হয় বুলি বিজ্ঞানীসকলে মতপোষণ কৰে। সেয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত গধুৰ ধাতুৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে যি ব্যৱস্থাই গ্ৰহণ নকৰক কিয় স্থানীয় পৰ্য্যায়ত আমি গধুৰ ধাতু প্ৰদূষণৰ প্ৰতি সাৱধান হ'ব লাগিব। জনসাধাৰণৰ মাজত সজাগতা গঢ়ি তুলিব লাগিব।

# পাকাশয়ৰ বায়ু বা গেছিং সমস্যা আৰু সমাধান

ড° এম. এছ. শ্বেইখ
মুৰব্বী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

শিশু, আবাল বৃদ্ধ সকলোৰে সু-পৰিচিত পাকাশয়ৰ বায়ু। বহুলভাৱে পৰিচিত গেছিং। উৰাজাহাজ, ট্ৰেইন, বাছগাড়ী, পাঠদান শ্ৰেণী, ৰাজহুৱা মেল, শীতৰ ৰাতি লেপৰ ভিতৰত গেছিংৰ উদগুতা সম্ভৱত সৰ্বজনবিদিত। ব্যক্তিৰ আচৰণেই গেছিং বুমেৰাং বুলি কলে অত্যুক্তি কৰা নহ'ব। কফি, চাহ, মদ, অতিমাত্ৰা মচলাযুক্ত খাদ্য, পেকেট খাদ্য, খাদ্য সংৰক্ষণ দ্ৰব্য, চৰ্বী বা তৈলযুক্ত খাদ্য, অত্যাধুনিক ভাবুকতা, আকস্মিক ভয় খোৱা, অতিমাত্ৰা খং বা ক্ৰোধ, বিষাদ, অতিনিদ্ৰা, অতিমাত্ৰা আন্ত্ৰিক অম্লক্ষৰণ, ক্লৰেক্টেল কৰ্কট, আন্ত্ৰিক ঘাঁ, পেপটিক আলচাৰ (ডুঅডেনাম আলচাৰ, ইছফেগাছ আলচাৰ), পিত্তপাথৰ, খাদ্যগ্ৰহণ বা পানী পানৰ সময়ত অধিক বায়ু গিলি খোৱা ইত্যাদি কাৰণত বিশেষকৈ পাকাশয়ৰ বায়ুৰ প্ৰাৱল্য বৃদ্ধি হয়। জিয়াৰ দিয়া নামৰ ৰক্ত চোষক আদ্যপ্ৰাণীৰ দ্বাৰা আক্ৰান্ত হ'লেও গেছিং সমস্যাত ভোগা দেখা যায়। বহু শৰ্কৰাযুক্ত খাদ্যই আটাইতকৈ বেছি বায়ু উৎপন্ন কৰে। ইনুলিন, উৰহী, মচুৰ মাহ, দুগ্ধজাত সামগ্ৰী, পিয়াজ, নহৰু, মূলা, কাজু বাদাম, গুট, গম, ফুলকবি, বন্ধাকবি, পাউৰুটীত থকা ইষ্ট বেক্টেৰীয়া, বেঙেনা, শাক-পাচলি আদিয়েও গেছিংত অৰিহণা যোগায়। পাচন নলীত থকা বেক্টেৰীয়াই লেক্টজ খাদ্য হিচাবে গ্ৰহণৰ সময়ত অধিক হাৰত বায়ু নিৰ্গমন কৰে। অতিমাত্ৰা গৰম আহাৰো গেছিংৰ এটা কাৰণ। বদ হজম বা অন্যান্য কাৰণত পেটত গেছ জমাহে পেটফিকি অজ্ঞান হোৱাৰ পাছত চিৰিঞ্জৰ সহায়ত ভূড়ি ফুটা কৰি ফুটবলৰ পাম্প এৰি দিয়াৰ দৰে গেছ উলিয়াই ৰোগীক সুস্থ কৰাৰ পৰিঘটনা হাস্পাতালত প্ৰায়ে দেখা পোৱা যায়। অত্যাধিক আটিল বায়ু সৰকিব নোৱাৰা ইনাৰওৱেৰ নাইবা টাইট কাপোৰ (লংপেন্ট, জাঙ্গিয়া আদি) পিন্ধি গেছিং কৰিব নোৱাৰাৰ ফলত মূৰ-ঘূৰণী, শ্বাস কষ্ট, অজ্ঞান হোৱাৰ বা মৃত্যু হোৱাৰ উদাৰহণো অলেখ আছে।

ব্যক্তিৰ উৰ্দ্ধত সামাজিক ব্যাধি হিচাবত পাকাশয়ৰ বায়ুৰ আন এক পৰিচয় আছে। প্ৰেম বিচ্ছেদ, বিবাহ বিচ্ছেদ, চাকৰিৰ পৰা নিলম্বন, চাকৰি মকলৰত বাধা, বিদেশ ভ্ৰমণত নিযেধাজ্ঞা, বাছৰ পৰা নমাই দিয়া, আদি বহু কৰুণ তথা মুখৰোচক পৰিঘটনা এই পাকাশয়ৰ বায়ুৰ বৰদানৰ লগত জড়িত।

এই ইতিহাস প্ৰসিদ্ধ আন্তৰ্জাতিক খ্যাতি সম্পন্ন পাকাশয়ৰ বায়ুৰ ধৰ্ম, প্ৰকৃতিৰ বিষয়ে অলপ জনাটোও নিশ্চয় দৰকাৰ। এজন সুস্থ মানুহে প্ৰতি ২৪ ঘন্টাত ৪৭৬-১৪৯১ মিলি. লিটাৰ পাকাশয় বায়ু উৎপন্ন কৰে। প্ৰতিদিন সৰু ডাঙৰ ৮-২০ বাৰ এনে বায়ু নিৰ্গমন কৰে। নিৰ্গমনৰ পৰিমান ৫-৩৭৫ মিলি. লিটাৰ। টোপনিৰ পৰা জাগ্ৰত হোৱাৰ পাছত অৰ্থাৎ পুৱাৰ গেছিংৰ আয়তন আটাইতকৈ বেছি। দিনৰ পাছৰ বায়ু নিক্ষেপনৰ আয়তন সচৰাচৰ ক্ষুদ্ৰবিধৰ।

ঘ্ৰাণ চোকৰ প্ৰাবল্যতাৰ ওপৰত নিৰ্ভৰ কৰি এই বায়ুক গোন্ধবিহীন আৰু গোন্ধযুক্ত এই দুই ভাগত বিভক্ত কৰিব পাৰি। গোন্ধ বিহীন গেছসমূহ হ'ল— অক্সিজেন, নাইট্ৰজেন, কাৰ্বন-ডাই-অক্সাইড, হাইড্ৰজেন, মিথেন আদি। প্ৰায় ৯৯% ই গোন্ধ বিহীন গেছ। এইবোৰৰ ভিতৰত নাইট্ৰজেন আন্ত্ৰিক নলীত উৎপন্ন নহয়; বায়ুমণ্ডলৰ পৰাহে আহৰণ কৰা হয়। পাচন নলীত উৎপন্ন হোৱা হাইড্ৰজেন, কাৰ্বন-ডাই-অক্সাইড আৰু মিথেন গেছে ৭৪% বহন কৰে। হাইড্ৰজেন আৰু মিথেন দহনশীল হোৱা বাবে সিহঁতৰ অতিৰিক্ত পৰিমাণে পাচন নলীক অৰ্ন্তদহন কৰাত সহায় কৰে। এই প্ৰক্ৰিয়াই আন্ত্ৰিক আলচাৰৰ সৃষ্টি কৰে। পৰিণাম স্বৰূপে পেটৰ বিষ, অতিৰিক্ত গেছ নিৰ্গমন, ভূড়িৰ ভিতৰত আখৈফুটাদি শব্দ সঞ্চালন, খাদ্য ও পাচন নলীৰ জ্বলন, বদহজম, অসহ্য পচা গোন্ধযুক্ত বায়ু নিঃসৰণ আদি আনুসঙ্গিক উপসৰ্গৰ বহিঃপ্ৰকাশে গৰাকীক হাৰাশাস্তি কৰাৰ লগতে জীৱনৰ মাধুৰ্য্যতাও নোহোৱা কৰে। উৎপাদিত অক্সিজেনৰ পৰিমাণ সচৰাচৰ ২ শতাংশতকৈও কম হয়।

গেছিং গোন্ধৰ বাবে দায়ী পদাৰ্থসমূহ হ'ল— বেনজ'পাইৰল যৌগ (ইনডল, স্কাটল), এমনীয়া, চুটি শৃংখলৰ ফেটি এছিড আৰু ছালফাৰ যৌগ যেনে- হাইড্ৰজেন ছালফাইড ($H_2S$), মিথাইল মেৰকেপটান (MM), ডাইমিথাইল ছালফাইড (DMS), ডাইমিথাইল ডাই ছালফাইড (DMDS) আৰু ডাইমিথাইল ট্ৰাইছালফাইড (DMTS)। গোন্ধৰ বাবে দায়ী এই যৌগসমূহে মাত্ৰ ১ শতাংশ আয়তন হে বহন কৰে।

গেছৰ গতিবেগ, পাচন নলী আৰু পায়ুছিদ্ৰত থকা স্ফিংটাৰ পেশী, মেদবহুলতা, শৰীৰত থকা পানীৰ পৰিমাণ আদিৰ ওপৰত নিৰ্ভৰ কৰি গেছিং শব্দৰ ধ্বনি, সুৰ আৰু প্ৰকাৰো ভিন্ন হয়। কাঁহ আৰু হাচিৰ লগতো কেতিয়াবা পায়ু ছিদ্ৰয়েদি গেছিং সুৰ বাজি উঠে। পাকাশয়ৰ বায়ুৰ হেঁচা উৰ্দ্ধমুখী হ'লে নাকে মুখেদি উগাৰ উঠিও বিতৃষ্ণাত ভোগা দেখা যায়। এইবোৰৰ উপৰিও কঁকালৰ বিষ, পিঠিৰ বিষ, গাঁঠি বিষ, মূৰ কামোৰণি, চুলি পকা, দাঁত সৰা, স্নায়ু শূল আদি নানান উপসৰ্গই দেখা দিয়ে।

পাকাশয়ৰ বায়ুৰ লগত জড়িত মাৰাত্মক ৰোগবিধ হ'ল— কল'ৰেক্টেল কেন্সাৰ। এইবিধ কৰ্কট বৃহদান্ত্ৰৰ তলৰ অংশ নাইবা কলনত হয়। গেছিং সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে নিম্ন উল্লেখিত পথ্যসমূহ দকৈ চিন্তা কৰা অতিকৈ দৰকাৰ—

- খুউব কমকৈ খাওঁক। তিনিবাৰৰ প্ৰধান আহাৰৰ তুলনাত ঘনকৈ খাওঁক।
- অতিমাত্ৰা চৰ্বীযুক্ত আহাৰ বৰ্জন কৰক।
- ভালকৈ চোবাই খাওঁক। ধীৰে ধীৰে খাওঁক।
- মাংস কমকৈ খাওঁক।
- অতিমাত্ৰা গৰম খাদ্য গ্ৰহণ বন্ধ কৰক।
- আহঁযুক্ত খাদ্য গ্ৰহণ কৰক।
- নহৰু, ধনীয়া, হালধি, গুৱামুড়ী, পদিনা আদি খাওঁক।
- চুইংগাম জাতীয়, ফ্ৰাইফুড আদি মুখৰোচক খাদ্য বন্ধ কৰক।
- মূল খাদ্য গ্ৰহণৰ আগত কিছু পানী পান কৰক।
- গেছৰ সমস্যাত বেছিকৈ ভূগিলে আদাৰ ৰস খাওঁক।
- অমিতাৰ পাতৰ গুড়ি সেউজীয়া চাহৰ লগত সেৱন কৰক।
- কেম'মাইল চাহ সেৱনো সুফলদায়ক।
- মৃদু শৰীৰ চৰ্চ্চা যেনে- খোজ কঢ়া, সাতোৰা, বাগিছাত কাম কৰা, মজিয়া ছাফা কৰা ইত্যাদি কৰাৰ যত্ন কৰক।
- অভিজ্ঞ চিকিৎসকৰ পৰামৰ্শলৈ লেব'ৰেটৰী পৰীক্ষা কৰাৰ লগতে হৃদযন্ত্ৰ আৰু ক'লন অংশৰ এক্সৰে কৰা।
- মানসিক দুঃচিন্তা আঁতৰ কৰাৰ বাবে নিজৰ ধৰ্মানুযায়ী নিয়মিত প্ৰাৰ্থনা কৰা, পৰনিন্দা বা পৰশ্ৰীকাতৰতা, হিংসা-বিদ্বেষ, খং-ক্ৰোধ, লোভ-লালসা আদি বন্ধ কৰি সুস্থ চিন্তাধাৰা আৰু মানসিকতাৰ মাধ্যমেৰে পাকাশয়ৰ বায়ুৰ পৰা নিজকে ৰক্ষা কৰা অতিকৈ প্ৰয়োজন। অন্যথা ভাৰতবৰ্ষত প্ৰতিবছৰে প্ৰতি ১ লাখ মানুহৰ ভিতৰত কলন কৰ্কট আৰু মলাশয় কৰ্কট ৰোগীৰ সংখ্যা ক্ৰমে ৪.৪% আৰু ৪.১% ৰ ভিতৰত অন্তৰ্ভূক্ত হোৱা সম্ভৱনা একেবাৰে নুই কৰিব নোৱাৰি।

স্মৰ্তব্য যে, ICMR ৰ সমীক্ষানুযায়ী বৰ্তমান ভাৰতবৰ্ষত কলৰেক্টেল কৰ্কট ৰোগীৰ সংখ্যা হ'ল পুৰুষ ৬৬৩০০০০ (মুঠ কৰ্কটৰ ১০%) আৰু মহিলা ৫৭১০০০ (মুঠ কৰ্কটৰ ৯.৪%)। সেয়েহে এই লেখনিৰ যোগেদি পঢুৱৈ সমাজৰ প্ৰতি পাকাশয়ৰ বায়ু বা গেছিং সৰ্তকতা অৱলম্বন কৰাৰ বাবে আহ্বান থাকিল।

প্ৰসঙ্গ ঃ
১। www.icmr.nic.in/guide/cancer/colorectal/colorectal%20cancerpdf.
২। Peashealth.com
৩। tropicalgastro.com
৪। en.wikipedia.org/wiki/klatulence

# সপোন

ড° ইমৰুল হুছেইন
সহকাৰী অধ্যাপক, আৰবী বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

'সপোন'— এটা সাধাৰণ শব্দ। তিনিটা আখৰেৰে সু-সজ্জিত এটা অতি স্বাভাৱিক শব্দ। কিন্তু এই স্বাভাৱিক শব্দটোৰ তিনিটা আখৰৰ বিন্দুতে লুকাই থাকে মানুহৰ জীৱনৰ ভৱিষ্যতৰ আশাবোৰ। পৃথিৱীৰ অগণন মানুহৰ মাজত, আজি অতি স্বাভাৱিক ল'ৰা এজনৰ সপোন মই লক্ষ্য কৰিলো। সপোনটো স্বাভাৱিক।

এজন নিঃসহায় ল'ৰা। তেওঁ জীৱনত বহুত কিবা-কিবি কৰিব খুজিলেও কৰিব নোৱাৰে। সমাজৰ দুৰ্নীতি, অন্যায়-অত্যাচাৰ, অবিচাৰ ইত্যাদি তেওঁ সহ্য কৰিব নোৱাৰে। বেচেৰাজনে দুৰ্নীতিৰ বিৰুদ্ধে থিয় দিব বিচাৰে যদিও কোনেও তেওঁক সহাঁৰি নিদিয়ে। অৱশেষত ঘৰলৈ গৈ বিচনাত অকলে অকলে সেই সপোন দেখে। তেওঁ সপোন দেখে যে তেওঁ এদিন লিখা পঢ়া কৰি এজন ডাঙৰ মানুহ হৈ সমাজৰ পৰা এই দুৰ্নীতি, অন্যায়-অবিচাৰবোৰ আঁতৰাই পেলাই এখন সুস্থ সমাজ প্ৰতিষ্ঠা কৰিব। সেই সমাজত নাথাকিব কোনো অন্যায়, নাথাকিব কোনো অবিচাৰ, নাথাকিব কোনো বেইমানী, নাথাকিব কোনো দালাল। সমাজৰ এই অভিশাপস্বৰূপ বস্তুবোৰ আঁতৰাই তেওঁ অকলে সমাজ পৰিস্কাৰ কৰিব। কিয়নো তেওঁ নিজৰ জীৱনত বহুত যন্ত্ৰণা পাইছে। নিজৰ এই যন্ত্ৰণাবোৰ পাহৰিবৰ বাবে তেওঁ বেলেগৰ ওচৰত মৰম ভিক্ষা খুজিছে। কিন্তু যাৰ ওচৰত তেওঁ মৰমৰ ভিক্ষা খুজিছে তেওঁৰেই ল'ৰাজনক আটাইতকৈ বেছি যন্ত্ৰণা দিছে।

অৱশেষত ল'ৰাজনে ভিক্ষাৰ পথ ত্যাগ কৰি নিজৰ অধিকাৰ সাৰস্ত্য কৰাৰ সপোন দেখিছে। তেওঁ সপোন দেখিছে নিজকে এজন মানুহ বুলি পৰিচয় দিবলৈ। নিজৰ বুকুৰ মাজত থকা যন্ত্ৰণাবোৰ হাজাৰ হাজাৰ মানুহৰ ওচৰত দাঙি ধৰিবলৈ। ল'ৰাজনে তেওঁৰ নিজৰ জীৱনত পোৱা প্ৰতিটো যন্ত্ৰণাৰ বিৰুদ্ধে থিয় দিব। সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে জীৱনৰ প্ৰেক্ষাপটত থিয় হৈ চিঞৰি চিঞৰি মানুহৰ মাজত মনৰ ভাৱবোৰ বিতৰণ কৰিব আৰু প্ৰতিজন মানুহে তেওঁৰ এই উচ্চ সুৰত সহাঁৰি দি হাত-চাপৰি দিব। এই হাজাৰ হাজাৰ মানুহৰ হাত চাপৰিৰ প্ৰচণ্ড শব্দত অন্যায়-অবিচাৰবোৰ ভয়তে সমাজৰ পৰা নাইকিয়া হৈ যাব। সমাজৰ প্ৰতিজন মানুহে যেন ল'ৰাজনক মৰম কৰিব। তেওঁৰ লগত দুৰ্নীতিৰ বিৰুদ্ধে সহযোগিতা কৰিব।

বহু আশা আৰু প্ৰচেষ্টাৰ ফলত যেতিয়া এই ল'ৰাজনে এইটো মূহুৰ্তত উপনিত হ'ব তেতিয়া তেওঁক মানুহ বুলি বিবেচনা নকৰা মানুহে নিজৰ নিজৰ ঘৰত বহি নিজকে ঘৃণা কৰিব। তেতিয়া ল'ৰাজনে এই মানুহবোৰলৈ চাই এটা মিচিকিয়া হাঁহি মাৰিব আৰু এই মিচিকিয়া হাঁহিটোৰ মাজত লুকাই থাকিব অগণন মানুহৰ শান্তিৰ সমাৱেশ।

এতিয়া ল'ৰাজনৰ হৈ মোৰ মনত প্ৰশ্ন উঠে যে তেওঁৰ এই সপোনটো বাস্তৱত পৰিণত হবনে? এযাৰ কথা আছে— যাৰ মনত থাকে সততা, যাৰ থাকে সৎ লক্ষ্য, তাৰ সপোন নিশ্চয় পূৰণ হয়।

মই ল'ৰাজনৰ মনত সততা দেখা পাইছো। সেই ল'ৰাজনৰ লক্ষ্যটোৰেই মই সৎ বুলি বিবেচনা কৰো। সেয়েহে মোৰ অন্তৰৰ কোনো এটা ভঙা টুকুৰাই যেন কৈছে— হয় ল'ৰাজনৰ সপোন নিশ্চয় পূৰণ হ'ব।





# বিশ্বাস বিড়ম্বনা

শামছুল আলম
সহকাৰী অধ্যাপক
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

বিশ্বাস, কেৱল ধৰ্ম বিশ্বাসেই মানুহৰ একমাত্ৰ বিশ্বাস নহয়, নাস্তিকতা, গণতন্ত্ৰ, পুঁজিবাদ, কম্যুনিজম, বাক স্বাধীনতা, নাগৰিক অধিকাৰ ইত্যাদি সকলোবোৰ বিশ্বাসৰেই বিষয়। জটিল মানৱজাতি সাধাৰণতে একাধিক বিশ্বাসৰ নানা পাৰ্মুটেছন-কম্বিনেচন লৈয়েই চলে। আমাৰ সমাজৰ বেছিভাগ মানুহেই নিজৰ অভিজ্ঞতাৰে নহয়, বাস্তৱতাৰে নহয়, শুনি হে বিশ্বাস কৰে। মানুহ আৰু মানৱতাৰ বিভিন্ন ইউটোপিয়ান কথাৰ ফুলঝাৰি আমি মাৰিব পাৰো। কিন্তু বাস্তৱতা হ'ল মানুহ এই প্ৰাণীকুলৰ আটাইতকৈ স্বাৰ্থপৰ প্ৰাণী। নিজৰ স্বাৰ্থৰ শঠতাত মানুহে মুখত তেওঁৰ বিশ্বাসৰ গুণানুকীৰ্তন কৰিলেও, তাৰ বিশ্বাস শুদ্ধ নহয় আৰু তেওঁ নিজৰ অশুদ্ধ বিশ্বাস প্ৰয়োগ কৰি নিজৰ স্বাৰ্থ অনুযায়ী বিভিন্ন মাত্ৰাৰ কপটতাত নিমজ্জিত হয়।

মানৱ সমাজত দেশ-কাল নিৰ্বিশেষে সকলোবোৰ প্ৰচলিত বিশ্বাসৰ বিভিন্ন মাত্ৰাৰ প্ৰভাৱ তাৰ সামাজিক আৰু ৰাজনৈতিক পৰিমণ্ডলত অনিবাৰ্য। গণতান্ত্ৰিক সমাজ বা ৰাষ্ট্ৰত সামগ্ৰিক জনসংখ্যাৰ কোন কোন বিশ্বাসৰ প্ৰভাৱ প্ৰৱল হ'ব সেয়া উক্ত সমাজৰ সংখ্যাগৰিষ্ঠ বিশ্বাসবোৰৰ ওপৰত নিৰ্ভৰশীল। এই বাস্তৱতাৰ পৰা মুক্ত এখন দেশো এইখন বিশ্বত নাই। নাই কোনো ইউটোপিয়ান তথাকথিত নিৰ্ভেজাল মানৱতাবাদী দেশ।

আমাৰ বহুতেই শিশুসকলক ৰাতি টোপনি যোৱাৰ সময়ত 'হাউ'ৰ গল্প শুনায়, শিশুটি যাতে সোনকালে শুই পৰে তাৰ প্ৰতি লক্ষ্য ৰাখি কাণে কাণে ফুচফুচাই কয়- "ঘৰৰ বাহিৰৰ আন্ধাৰৰ মাজত হাউ আছে, সি ৰাতি ৰাতি চাৰিওফালে ঘুৰি ফুৰে, যেতিয়া কোনো সৰু বাচ্চাই বহুত ৰাতিলৈ নুশুৱে, ৰাতি ডাঙৰকৈ কান্দি থাকে, তেতিয়াই সেই হাউটোৱে গম পায় আৰু বাচ্চাবোৰক ধৰি লৈ যায়"। শিশুবোৰ ধৰি নি হাউ কলৈ যায়, লৈ গৈ কি কৰে এনেবোৰ প্ৰশ্ন কৰাৰ দৰে সাহসখিনি আৰু সেই শিশুটিৰ নাথাকেহি, শিশুটি মনে মনেই থাকে আৰু এটা সময়ত টোপনি যায়। বিশ্বাসবোৰ এনেকুৱাই এক শিশুসুলভ ধাৰণা। শিশুটিৰ এই 'হাউ' সম্পৰ্কীয় অজ্ঞতাই তাৰ মনত বিস্তাৰ কৰা প্ৰভাৱৰ দৰেই অন্ধবিশ্বাসৰ ধাৰণাৰো জন্ম মানুহৰ অজ্ঞাতাৰ পৰাই। বিজ্ঞানী আইনষ্টাইনে 1954 চনলৈ লিখা এক পত্ৰত ধুনীয়াকৈ বৰ্ণনা কৰিছে- "The word God is for me nothing more than the expression and product of human weakness, the Bible a collection of honourable, but still primitive legends which are neverthless pretty childish".

একো একোটা সময়ত একো একোজন মানুহে নিজা নিজা কল্পনাৰে একো একোটা বিশেষ ধাৰণাক গ্ৰহণ কৰাৰ পিছত সেইটো ধাৰণা সঁচা বুলি প্ৰসাৰ আৰু প্ৰচাৰ ঘটায়, জন্ম লাভ কৰে বিভিন্ন মতবাদ, বিভিন্ন বিশ্বাস। কোনোবাজনে এই ধাৰণাৰ পক্ষে কিবা যুক্তি আছে নে নাই, কিবা প্ৰমাণ আছেনে নাই; সেই বিষয়ে সন্দিহান নহৈ গভীৰভাৱে তেনে ধাৰণাৰ ভিতৰলৈ সোমাই যায়। সেয়ে এই ধাৰণাবোৰ চলিয়েই থাকে অবিৰাম। এনেকৈয়ে এটা সময়ত এই সৰল বিশ্বাসৰ চিন্তাই মানুহৰ মগজুক এনেদৰে প্ৰভাৱিত কৰে যে সেই বিশ্বাসৰ বিৰোধিতাকাৰীক আনকি হত্যা পৰ্যন্ত কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেতিয়া আৰু ভাল বেয়াটো বাচ-বিচাৰ কৰি গ্ৰহণ বৰ্জন কৰাৰ সুবুদ্ধিখিনিও

হেৰুৱাই পেলায় মানুহে। সাধাৰণতে ফেচিষ্টসকলৰ মাজত এই প্ৰৱণতা বেছি।

প্ৰায়েই ধৰ্ম আৰু বিজ্ঞানৰ সমন্বয়ৰ কথালৈ বহুতেই ক'ব খোজে যে ধৰ্মীয় বিধি-বিধানবোৰৰ মাজত বিজ্ঞানসন্মত কাৰণ আছে যদিও বিজ্ঞান আৰু ধৰ্ম বিশ্বাসৰ ইতিহাস সমন্বয়ৰ নহয়, ইয়াৰ ইতিহাস ৰক্তাক্ত। খ্ৰীঃ জন্মৰ ৫০০ বছৰ পূৰ্বেই পাইথাগোৰাছ, এনাকু চাইমণ্ডৰ দৰে অনুসন্ধিৎসু দাৰ্শনিকসকলে যেতিয়া সত্যৰ প্ৰতি পতিয়ান নিয়াবলৈ চেষ্টা কৰিছিল যে অইনবোৰ গ্ৰহৰ দৰেই পৃথিৱীয়েও সূৰ্যক প্ৰদক্ষিণ কৰে, তেতিয়াই ধৰ্মবিৰোধী মত প্ৰকাশৰ বাবে তেওঁলোকে সহিবলগীয়া হৈছিল ধৰ্মবিশ্বাসীসকলৰ কঠোৰ নিৰ্যাতন। পৰৱৰ্তীকালত বাইবেল বিৰোধী সূৰ্যকেন্দ্ৰিক তত্ব প্ৰচাৰৰ বাবেই ক'পাৰ্নিকাছ, গেলেলিও বা ব্ৰুণোক কিদৰে অত্যাচাৰ কৰা হৈছিল তাৰ সাক্ষ্য ইতিহাস। আনকি ঈশ্বৰৰ এই পুত্ৰসকলে জুইত পুৰি ব্ৰুণোক হত্যা কৰিছিল। ইয়াৰ পিছতো কিন্তু পৃথিৱীখনক সূৰ্যৰ চাৰিওকাষে প্ৰদক্ষিণ কৰাৰ পৰা বিৰত ৰাখিব নোৱাৰিলে ধৰ্মবিশ্বাসীসকলে। যোড়শ শতিকাত চুইজাৰলেণ্ডৰ বেচেন বিশ্ববিদ্যালয়ৰ ৰসায়ণ শাস্ত্ৰৰ অধ্যাপক ফিলিপ্ৰাছ পাৰাছেলছাচে ঘোষণা কৰিছিল যে পাপৰ ফল বা কিবা অশুভ শক্তিৰ প্ৰভাৱত মানুহৰ ৰোগ নহয়, অসুস্থতাৰ প্ৰকৃত কাৰণ হ'ল জীৱাণু, সঠিক দৰৱ প্ৰয়োগৰ দ্বাৰা যাক নাশ কৰিব পাৰি। অধ্যাপকৰ এই 'উদ্ভট' তত্ব শুনি ধৰ্মবিশ্বাসীৰ ধ্বজাধাৰীসকল স্বাভাৱিকভাৱেই তেখেতক 'বিচাৰ' নামৰ এক প্ৰহসনৰ আগত হাজিৰ কৰোৱা হ'ল। য'ত ধৰ্মান্ধ বিচাৰকসকলে ব্ৰুণোৰ দৰেই পাৰাছেচাছকো দণ্ডিত কৰিলে মৃত্যুদণ্ডেৰে। সেইদিনাই পাৰাছেলচাছে জীৱনৰ মায়াত জন্মভূমি এৰি পলাই যাবলৈ বাধ্য হ'ল। আচলতে ধৰ্মবিশ্বাসীসকল এনেকুৱাই। প্ৰচলিত ধাৰণাৰ পৰা তিলমানো ইফাল-সিফাল হ'ব নোখোজে। আজিৰ দিনলৈকেও এই মানসিকতাৰ লেখতল'বলগীয়া পৰিবৰ্তন হোৱা নাই। ১৮ আৰু ১৯ শতিকাত ভাৰতীয় উপমহাদেশৰ একশ্ৰেণীৰ লোকৰ বিশ্বাস আছিল যে ইংৰাজী পঢ়িলে মানুহ নাস্তিক হয়।

কোনো এটা ধাৰণাত বিশ্বাসী আৰু অবিশ্বাসীসকলৰ মাজত যুক্তিযুদ্ধ আৰু তৰ্কা-তৰ্কি বিশ্বৰ সকলো সমাজতে সততে থকা দেখা যায়। যিবোৰ তৰ্কৰ ধাৰণা প্ৰায় এক ভূতখেদা দাবীৰ লগত এজন ভূতত বিশ্বাস নকৰা ব্যক্তি বিশেষৰ তৰ্কৰ দৰেই। সেই তৰ্কবোৰ সাধাৰণতে এনে ধৰণৰ ব্যক্তি বিশেষ- আপুনি যে আমাক বিশ্বাস কৰিবলৈ কৈছে আপোনাৰ লগত ভূত থাকে.... এতিয়া প্ৰমাণ দিয়কচোন? ওজা- আপুনি যে কৈছে মোৰ লগত ভূত নাথাকে.... আপুনি সেয়া প্ৰমাণ কৰিব পাৰিব? পাৰিলে প্ৰমাণ কৰি দেখুৱাই দিয়ক। ব্যক্তি বিশেষ- যিহেতু আপুনিহে ভূত থকাৰ দাবী কৰিছে সেয়ে আপুনিয়েই তাৰ প্ৰমাণ দিব লাগিব। ওজা- কিন্তু আপুনিতো এতিয়াই দাবী কৰিছে যে ভূত নাই.... আগতে আপুনি তাৰ প্ৰমাণ দিয়ক। এই ওজাজনৰ দৰেই অনেকেই কোনো এটা বিশ্বাস আৰু অবিশ্বাসৰ তৰ্কৰ মাজতো এনে ধৰণৰ যুক্তি উত্থাপন কৰে। তেওঁলোকে পিছে বুজিবই নোখোজে যে সেই একেই যুক্তিত বহুতে সহজতেই ভূত-প্ৰেত, দেও-দানৱ আদি সকলোবোৰ আছে বুলি দাবী কৰা যায়। আচলতে বিশ্বাসীসকলেও ভালদৰেই জানে যে তেওঁৰ ভূত-প্ৰেত কেৱল বিশ্বাসতহে, যুক্তিত নহয়। ইয়াৰ বিপৰীতে বিজ্ঞানে কেৱল প্ৰমাণৰ ওপৰতহে কিবা আছে বা নাই বুলি দাবী কৰিব পাৰে। যিহেতু বিজ্ঞানে অতি প্ৰাকৃত বিষয় অৰ্থাৎ যি প্ৰকৃতিৰ বিভিন্ন নিয়মৰ বহিৰ্ভূত পৰিঘটনা তাক অস্বীকাৰ কৰে সেয়ে ভূত-প্ৰেত নাই বুলি প্ৰমাণ দিয়াটো বিজ্ঞানৰ কাম নহয়।

আজিৰ সমাজত স্বামী বিবেকানন্দ, লালন ফকিৰ বা আজান ফকিৰৰ মানৱতাবাদী বাণীবোৰহে অধিক প্ৰাসংগিক। আজিৰ তাৰিখত ধৰ্মতকৈ গুৰুত্বপূৰ্ণ ইচ্ছু হ'ল মানৱিকতা। মানৱিকতাক ধৰ্ম-অধৰ্ম সকলো বিবাদত উৰ্দ্ধত ৰখাটো আটাইতকৈ যুক্তি সংগত। ধৰ্মগ্ৰন্থবোৰেও মানৱিকতাৰ শিক্ষা দিয়ে যেনে- ১। সমাজক ভাল পোৱা, ক্ষুধাৰ্তক অন্ন দি সহায় কৰা, দুৰ্গতিত ভোগাজনক সাহায্য কৰা। সত্য আৰু ন্যায়ৰ সংগ্ৰামত সাহসী ভূমিকা ৰখাৰ শক্তি অৰ্জন কৰা (ঋকবেদ-৬.৭.৯), ২। তুমি তোমাৰ ধৰ্ম পালন কৰা, মই মোৰ ধৰ্ম পালন কৰো (ক্লোৰাণ- ১০৯ ঃ ৬ ছুৰা কাফিৰূণ)।

সকলোৱে যদি অনুধাৱন কৰিব পাৰে যে কোনো ধৰ্মই হিংসা, হত্যা, লুণ্ঠন, অসহিষ্ণুতা নিশিকায় বৰং প্ৰেম আৰু মানৱতাহে শিকায় তেন্তে পৃথিৱীত ধৰ্মীয় বিবাদ থাকিব নোৱাৰে। যিদিনালৈকে ধৰ্মীয় বাণীৰ ভ্ৰান্ত ব্যাখ্যাৰে ধৰ্মৰ নামত হিংসা-হত্যা চলাই নিয়া তথা কথিত ধৰ্মবিশ্বাসীসকল এইখন বিশ্বৰ পৰা বিদায় নল'ব সিদিনালৈকে মানৱ জাতিৰ বাবে ধৰ্মীয় বিশ্বাস বা মঙ্গল বা কল্যাণকৰ নহ'ব।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে বিশ্বাস কেৱল ধৰ্ম বিশ্বাসেই নহয়। কিছুমানে একনায়কত্ববাদী শাসনত বিশ্বাস কৰে আকৌ কিছুমানে আভিজাত্য শ্ৰেণীৰ শাসনত বিশ্বাস কৰে আকৌ কিছুমানে গণতন্ত্ৰ বা শ্ৰমজীৱি মানুহৰ মুক্তিকামী শাসনত বিশ্বাস কৰে। নাৎছি জাৰ্মানিত নিৎছিৰ আভিজাত্য আৰু অতিমানৱতাবাদী তত্বত বিশ্বাস কৰি হিটলাৰৰ নাজি বাহিনীয়ে প্ৰায় যাঠি লাখ ইহুদীক হত্যা কৰিছিল। তাৰ বিপৰীতে চীনত সম্ৰাট কেইছেখৰ বিৰুদ্ধে গণতন্ত্ৰ আৰু শ্ৰমজীৱিৰ যুদ্ধ ঘোষণা কৰা মাউচেতুঙৰ নেতৃত্বত বিশ্বাস কৰি আৰু তেওঁৰ পৰামৰ্শত অনুপ্ৰাণিত হৈ মাউচেতুঙৰ অনুগতসকলে খোজকাঢ়ি ১২,০০০ মাইল ৰাস্তা অতিক্ৰম কৰিছিল। এই বিশ্বাস কোনো ধৰ্মীয় তত্বৰে অনুপ্ৰণিত হোৱা বিশ্বাস নাছিল। সেই বিশ্বাস আছিল নিৰ্যাতিত, নিষ্পেষিত, লাঞ্চিত, বঞ্চিত মানুহে মুক্তিৰ বাবে মাউচেতুঙে জনোৱা আহ্বানৰ ওপৰত বিশ্বাস আৰু তেওঁৰ ত্যাগৰ প্ৰতি আনুগত্য।

এটা সময়ত মোল্লা ওমৰৰ নেতৃত্বত তালিবানসকলে বিশ্বাস কৰিছিল যে আফগানিস্থানত জনসাধাৰণে সুখ-শান্তিত বসবাস কৰিব পাৰিব। ধৰ্মীয় অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত তালিবান যোদ্ধাসকলে মানুহ আৰু মানৱতাৰ হকে কাম নকৰি তেওঁলোকৰ বিশ্বাসক মাত্ৰ পৰলোকৰ সুখ-শান্তি প্ৰাপ্তিৰ বিশ্বাসলৈ ৰূপান্তৰিত কৰি গোটেই বিশ্বত মানৱতাৰ শত্ৰু হিচাপে অভিধা লাভ কৰিছে। মাউচেতুঙৰ নেতৃত্বত চীনাসকলৰ বিশ্বাস আৰু মোল্লা ওমৰৰ নেতৃত্বত তালিবানসকলৰ বিশ্বাস একে নহয় (পাৰ্থক্য বিচাৰ্য)। বৰ্তমানে মধ্যপ্ৰাচ্যৰ স্বঘোষিত খলিফা আবু বক্কাৰ আল-বাগদাদীৰ নেতৃত্বত বিশ্বাসীসকলৰ (তেওঁলোকৰ মতে) যি যুদ্ধ চলি আছে সেই যুদ্ধও পৰলোকত সুখ-শান্তি প্ৰাপ্তিৰ সুগম পথ সন্ধানৰ যুদ্ধহে। বিশ্বৰ মানুহৰ মানৱতাৰ, মানুহৰ সুখ সমৃদ্ধি লাভৰ বাবে এই যুদ্ধ নহয় বুলি ইতিমধ্যেই জ্ঞানীলোকসকলে প্ৰকাশ কৰিছে। ধৰ্মবিশ্বাসৰ সৈতে ৰাজনৈতিক ক্ষমতা লাভৰ সমীকৰণ সদায়ে বিছিন্নবাদী, ধ্বংসাত্মক আৰু মানৱতাৰ পৰিপন্থী, যিটো বৰ্তমান ভাৰতীয় উপমহাদেশৰ দেশসমূহত প্ৰৱলভাৱে প্ৰচলিত হৈ পৰিছে। সেয়ে সাক্ষ্য প্ৰমাণ নোহোৱাকৈ কোনো কথা নিজে বিশ্বাস কৰি আনৰ ওপৰত সেই বিশ্বাস জাপি দিয়াৰ মানসিকতা দেশৰ বাবে আৰু সমাজৰ বাবে ক্ষতিকাৰক, মানৱতাৰ পৰিপন্থী।

# অসমীয়া ফকৰা-যোজনা, ডাকৰ বচন আৰু লোকবিশ্বাসত খাদ্য তথা স্বাস্থ্যৰ দিহা

নিতু চহৰীয়া
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

অসমীয়া ভাষাৰ সৌন্দৰ্যবৰ্দ্ধনকাৰী তথা লোকসাহিত্যৰ অমূল্য সম্পদ ফকৰা-যোজনা, ডাকৰ বচন আদি মানুহৰ অভিজ্ঞতাৰ পুঞ্জীভূত ৰূপ তথা অগাধ বৈচিত্ৰময় জ্ঞানৰ ভাণ্ডাৰ। প্ৰকৃততে কোনো জাতিৰ সুদীৰ্ঘ ব্যৱহাৰিক অভিজ্ঞতা সংক্ষিপ্ত তথা ৰসময় ৰূপত প্ৰবাদত প্ৰকাশ হয়। যুগ যুগ ধৰি চলি অহা এই ফকৰা-যোজনা, ডাকৰ বচন আৰু লোকবিশ্বাস আদি গভীৰভাৱে বিশ্লেষণ কৰিলে এইবোৰৰ মাজত যথেষ্ট বৈজ্ঞানিক তত্বৰ সন্ধান পোৱা যায়। লোকসমাজে ব্যৱহাৰিক জীৱনত অৰ্জন কৰা অভিজ্ঞতাৰ বৰ্হিপ্ৰকাশ স্বৰূপ ফকৰা-যোজনা, ডাকৰ বচন আদি বিশেষভাৱে মৌখিক ৰূপতে চলি আহিছে যদিও বৰ্তমান ইয়াক লিখিত ৰূপত সংৰক্ষণ কৰাৰ বাবে গুৰুত্ব প্ৰদান কৰা হৈছে। লোকসমাজ আৰু তেওঁলোকৰ সৰল জীৱন প্ৰবাহত আজিও বিভিন্ন লোকবিশ্বাস, ফকৰা-যোজনা, ডাকৰ বচনে জ্ঞানদায়িনী ভূমিকা পালন কৰাৰ লগতে জ্ঞাত বা অজ্ঞাতভাৱে দৈনন্দিন জীৱনৰ বিভিন্ন সমস্যা সমাধান কৰি আহিছে। আমাৰ এই আলোচনাত স্বাস্থ্যৰ লগত জড়িত খাদ্য তথা অন্যান্য বিধান সম্বন্ধীয় কেতবোৰ ফকৰা-যোজনা, ডাকৰ বচনৰ বিষয়ে আলোচনা কৰাৰ লগতে এইবোৰত নিহিত কেতবোৰ যুক্তিপূৰ্ণ দিশো ফহিয়াই চাবলৈ যত্ন কৰা হৈছে।

অসমীয়া সমাজত ভোক নিবাৰণৰ উত্তম আহাৰ হিচাপে সকলোৱে ভাতকে গ্ৰহণ কৰে। সেয়ে ফকৰাত কোৱা হৈছে—

"ভোকৰ সমান ব্যাধি নাই
ভাতৰ সমান ঔষধ নাই।"

একেদৰে, আন এটা ফকৰাত কোৱা হৈছে—

"ভোকৰ ভাত, পিয়াহৰ পানী
তাক নাখালে দেহা হয় হানি।"

অৱশ্যে ভাত অসমীয়া মানুহৰ প্ৰধান খাদ্য হ'লেও সৰহকৈ ভাত খোৱাটো কিন্তু স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক। ফকৰা-যোজনাত সেই বিষয়েও কোৱো হৈছে—

"অলপ ভাতে বাহুবল
সৰহ ভাতে ৰসাতল।"

আকৌ,

"ঊনা ভাতে দুনা বল
অধিক ভাতে ৰসাতল।"

ডাকৰ বচন মতে সদায় গৰম অৰ্থাৎ (সতেজ) ভাত খাব পাৰিলে স্বাস্থ্যৰ বাবে ভাল। সেয়েহে ডাকৰ বচনত কোৱা হৈছে—

"পইতা পালমৰা, কৰ্কৰা লৰমৰা
তপত দিনটোলৈ গাটো শকত।"

বিজ্ঞানসন্মতভাৱেও তপত ভাতে দেহত শক্তি প্ৰদান কৰে। সেয়ে দিনটোলৈ শৰীৰে কাম কৰাৰ শক্তি পায়। কিন্তু পইতা বা কৰ্কৰা ভাতে গালৈ আলচ্যভাৱ আনে। তদুপৰি তপত ভাতত যিমান গুণাগুণ থাকে ভাত পুৰণি হ'লে সেই গুণাগুণ কমি যায়। অৱশ্যে পানী দি খোৱা পইতা ভাতৰ আদৰ ঠাই বিশিযে যথেষ্ট বেছি। বিশেষকৈ আলু পোৱা, বেঙেনা পোৱা, মাছ পোৱাৰ লগত কেঁচা তেল, নিমখ, জলকীয়া সানি খোৱা পইতা ভাত বহুতৰে প্ৰিয় খাদ্য। ইয়াৰোপৰি নামনি অসমত—

"মাঘত পইতা বাঘৰ বল
পুহত পইতা ৰসাতল।"

বুলি কথা এষাৰ আছে বাবে গৰম দিনৰ বাহিৰেও মাঘ মাহত এতিয়াও বহুতে পইতা ভাত খায়। ঠাণ্ডাৰ দিনত পইতা ভাত খাই হজম কৰিব পাৰিলে তেনে ব্যক্তিৰ হজমী শক্তি বাঢ়ে বুলি বিশ্বাস। অৱশ্যে পুহ মাহত পইতা ভাত খাব নালাগে।

নদী মাতৃক দেশ অসমত মাছ প্ৰায় সকলোৱে প্ৰিয় খাদ্য। অসমৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকেও মাছ খায়। মাছ সম্পৰ্কীয় যথেষ্ট বিধি-বিধান অসমীয়া ফকৰা, ডাকৰ বচন আদিত পোৱা যায়। গোৱালপৰীয়া ফকৰাত মাছ খোৱাৰ বিধান আৰু মাছ খোৱাৰ সুফলৰ কথা এনেদৰে কোৱা হৈছে—

"ঘৰ বান্ধিবি মৃধা নামাৰিবি
মাছ, গংগাৰ পানী খাবি।
তিনি মাথাৰ বুদ্ধি নিবি,
মাছেৰ মূৰা নিত্যে খাবি।"

অৱশ্যে মাছ সদায় ভালকৈ ধুইহে খাব লাগে। সেই বিষয়েও ডাকৰ বচনত উল্লেখ আছে—

"মাংস ধোৱে মানে সিঠা
মাছ ধোৱে মানে মিঠা।"

ইয়াৰোপৰি মাছ সম্পৰ্কে কেইটামান নপায় বোলা কথাও অসমীয়া সমাজত প্ৰচলিত হৈ আছে।

ক) বাকলি নোহোৱা মাছ পুৰি খাব নাপায়।

কিয়নো বাকলি নোহোৱা মাছ পুৰিলে মাছৰ খাদ্য হিচাপে থাকিবলগীয়া গুণাগুণ কমি যায়। লগতে এনে মাছৰ চৰ্বী বেছি সেয়ে পুৰিলে সেই চৰ্বী ফুটি কোনোৱে আঘাতো পাব পাৰে। আৰু সাধাৰণতে ভাল ঠাইত নুপুৰিলে খাদ্য বস্তুত ধূলি-বালি জাতীয় বস্তু সোমাই খাদ্য লেতেৰা হোৱাৰ সম্ভাৱনাও থাকে।

খ) মাছৰ টেঙা আঞ্জা আৰু খাৰ একেলগে খাব নাপায়।

কিয়নো বিজ্ঞানসন্মত দিশেৰে টেঙা আৰু খাৰ একলগ হ'লে খাদ্যৰ গুণাগুণ নোহোৱা হয়। লগতে ই দেহত অতিৰিক্ত পানী উৎপন্ন কৰে যি দেহৰ কাৰণে ক্ষতিকাৰক।

মাছৰ দৰে হাঁহ-কুকুৰা, চৰাই-চিৰিকতি, ছাগলী, পহুৰ কথা অৰ্থাৎ মাংসৰ ব্যঞ্জন তথা শাক-পাচলি খোৱাৰ বিষয়েও কেতবোৰ কথা অসমীয়া সমাজত আছে। যেনে—

"মাংসত মাংস বাঢ়ে, ঘৃতত বাঢ়ে বল,
এৰাঁ গাখীৰে চন্দ্ৰ বাঢ়ে, শাকত বাঢ়ে মল।"

অৰ্থাৎ মাংস খালে শৰীৰত চৰ্বী বাঢ়িব, ঘি খালে দেহত বল হয়, এৰাঁ গাখীৰ খালে দেহৰ উজ্জ্বলতা বৃদ্ধি পায় আৰু শাক (আহঁজাতীয় খাদ্য) খালে পেট খোলোচা হয়। এনে ফকৰাই স্বাভাৱিকতেই স্বাস্থ্য সম্পৰ্কীয় দিহা দিয়ে।

আনহাতে, পালো বুলিয়েই যিহকে তিহকে খোৱাটো উচিত নহয়। সেয়ে ডাকৰ বচনত আছে—

"বাছি খাবা জাগি শুৱা।"

অৰ্থাৎ ডাকৰ মতে নিজৰ ৰুচি আৰু শৰীৰৰ অৱস্থা বুজিহে ভোজন কৰা উচিত। অন্যথা যিহকে তিহকে খালে স্বাস্থ্যৰ পক্ষে ই ক্ষতিকাৰক। অৱশ্যে ইয়াৰ বিপৰীতে অন্য এফাঁকি ফকৰাও আছে—

"শাকে শোকোতাই ভক্ষণ, সেইহে পুৰুষৰ লক্ষণ।"

—ইটো নাখাও সিটো নাখাওকে থকা মানুহ কেতিয়াও সু-স্বাস্থ্যৰ অধিকাৰী হ'ব নোৱাৰে।

ইয়াৰ উপৰিও অসমীয়া লোকবিশ্বাসত কেতবোৰ বস্তু খাব নাপায় বা কেনেকৈ খাব নালাগে তাৰো নিৰ্দেশ পোৱা যায়। যেনে—

ক) থিয় হৈ কোনো বস্তু খাব নাপায়, জীণ নাযায়।

দৰাচলতে, থিয় হৈ খাদ্য খালে আমাৰ শৰীৰত পাচক ৰস কমকৈ নিগৰণ হয়, ফলত হজম কমকৈ হয়। আকৌ থিয় হৈ লৰালৰিকৈ খাদ্য খালে খাদ্যবস্তু ভালদৰে চোবাই খোৱা নহয় ফলত খাদ্য সহজে হজম নহয়।

খ) তিতা, টেঙা, জ্বলা একেলগে খাব নাপায়।

চিকিৎসা বিজ্ঞানৰ মতেও তিতা, টেঙা আৰু জ্বলা একেলগ হ'লে শৰীৰত গেছ উৎপন্ন হয় আৰু শৰীৰ অসুস্থ হ'ব পাৰে।

গ) আকৌ টেঙা খাই পানী খাব নালাগে।

"টেঙা খাই নাখায় পানী
যমে মানুহে টনাটনি।"

একেদৰে—

ঘ) পোৱা বস্তু ধুই খাব নাপায়।

ঙ) ৰাতি তিতা খাব নাপায়। ইত্যাদি।

আনহাতে, কেতিয়া কি খাদ্যবস্তু খালে শৰীৰৰ উপকাৰ হয় তাকো ডাকৰ বচনত আছে—

'জেঠত দৈ, আহাৰত খৈ, শাওনত মৰাপাট (শোকোটা),

ভাদত ওলকচু, আহিনত কল, কাতিত কচু, আঘোণত চৰাই, পুহত পিঠা, মাঘত কৰাই, ফাগুণত মৌ, চ'তত ঔ টেঙা, ব'হাগত বৰ (ডালি বাটি পিঠা ভজা)' খালে দেহা শক্তিশালী আৰু নিৰোগী হয়। লগতে পুৱা-ৰাতি পানী খালে আয়ুস বৃদ্ধি হয়। শিলিখা, শুকান আদা, লোণ, যোৱানী (এবিধ ঔষধি গছ) খোৱাৰ পিছত পানী খাব লাগে। ডেৰ প্ৰহৰৰ মূৰতহে ভাত খোৱা উচিত। শুকান আদা, গুৰুচি (ঔষধি গছ), ভেকুৰীৰ শিপা সম পৰিমাণে লৈ পিপলীৰ লগত বটি পুৱা খালে ৰোগ তিলমানো নাথাকে। ধনীয়া, পুৰণিলতা, তেজপাত, সম পৰিমাণৰ লৈ পটাত খুন্দি ইয়াৰ পানী খালে জ্বৰ গুছে। ভোগজিৰা, পওৰীয়া মূল (ঔষধি পাচলি) আৰু বেলপাত একেলগে খালে শূল বেমাৰ ভাল হয়, ৰাতিপুৱা খালে অৰুচি ভাৱ নাইকিয়া হয়। ঘিউ, গুড়, তেঁতেলি, লৱণ সমপৰিমাণৰ লৈ খালে অৰুচি নাশ হয়। জামিৰ ৰসত নিমখ মিহলাই পুৱা খালেও অৰুচি নাশ হয়।

খাদ্য সম্পৰ্কীয় দিহা দিবলৈ গৈ অসমীয়া সমাজত কোৱা হৈছে— 'মধুৰেণ সাময়ে কিয়নো নিমখ, অম্ল, কটু আৰু উৰ্যত দ্ৰব্য শেষত খালে পেট জ্বলা-পোৰা কৰে। সেয়ে এনে দোষ নিবাৰণৰ কাৰণে মিঠা বস্তুৰে আহাৰ শেষ কৰিব লাগে। আকৌ গুৰুপাকী আহাৰ খোৱাৰ পিছত দৈ খালে খাদ্য হজম হোৱাত সহায় কৰে।

ভোজনৰ পিছত মুখ শুদ্ধি বা মহুদি হিচাপে তামোল বা কিবা এবিধ ফল খোৱা পৰম্পৰা অসমীয়া সমাজত যুগ যুগ ধৰি চলি আহিছে। তামোল নাথাকিলে আমলখি, শিলিখা, কৰ্পূৰ, গুৱামূৰি আদিৰেও মুহুদি কৰা হয়। এই বিষয়ও ডাকৰ বচনত এনেদৰে উল্লেখ আছে—

"আদা এ ভোজন, শিলিখাত মুহুদ্ধি
তেবেসে জানিবা দেহৰ শুদ্ধি।"

অৰ্থাৎ আদাৰে খাদ্য গ্ৰহণ কৰি নিয়মীয়াকৈ শিলিখাৰে মুখ শুদ্ধি কৰিলে দেহত ৰোগৰ বৃদ্ধি হ'ব নোৱাৰে।

ৰোগ দূৰ কৰাৰ অন্য কেতবোৰ বিধানো অসমীয়া ফকৰা-যোজনা, ডাকৰ বচন আদিত পোৱা যায়। যেনে—

ক) 'ভাত খাই খাবা তিনি শিলিখা,
তাক কি কৰিব ৰোগ পিলিকা।'

খ) 'জালুক পিপলী আদা খায়,
ডাকে বোলে তাৰ কাহ পলায়।'

গ) 'মাছৰ অজীৰ্ণ হ'লে পইতা পানী পিবা,
মাংসৰ অজীৰ্ণ হ'লে দৈ গাখীৰ খাবা।'

এইবোৰৰ উপৰিও অসমীয়া সমাজত আৰু বহুতো সু স্বাস্থ্য সম্পৰ্কীয় কথাৰ উল্লেখ আছে। যেনে- আঠ দিনৰ মূৰত তিতা খাব লাগে আৰু দাঁত নিমখেৰে মাজিব লাগে। পেটত ধৰা খাদ্যৰ চাৰিভাগৰ তিনিভাগহে খাব লাগে। চকুত পানী আৰু নাভিত তেল ল'লে বৈদ্যৰ প্ৰয়োজন নহয়। কাতিমাহত ৰাতি লঘোণ দিয়া আৰু চ'ত মাহত গুৰ খোৱা উচিত নহয়। গাত মিঠাতেল ঘঁহি চাৰিদণ্ড যোৱাৰ পিছত গা-ধুলে শৰীৰ সুস্থ হয়। পৰিস্কাৰ বস্ত্ৰ পৰিধান, নিৰ্মল বায়ুসেৱন আৰু সুগন্ধি পুষ্প শিৰত ল'লে শৰীৰত ব্যাধি নহয়। ত্ৰিফলা (শিলিখা, আমলখি, ভোমোৰা) নেমুৰ ছালেৰে গাখীৰৰ লগত মিশ্ৰণ কৰি ৰাতি তাক নিয়ৰত থৈ পিছদিনা পুৱাতে মূৰত সানি ভালকৈ শুকোৱাৰ পিছত গা-ধুলে দৃষ্টি শক্তি বৃদ্ধি পায়।

শেষত ইয়াকে কৈ সামৰিব বিচাৰিছো যে আজি বহু বছৰৰ আগতেই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা ফকৰা-যোজনা, ডাকৰ বচন আদিত উল্লেখ থকা কথাবোৰৰ অধিক গৱেষণাৰ দ্বাৰা ইয়াৰ বৈজ্ঞানিক তত্ত্বৰ ব্যাখ্যা বিশ্লেষণ কৰি ৰাইজক জনাব পাৰিলে যথেষ্ট উপকাৰ হোৱাৰ লগতে অসমীয়া সমাজ উন্নতিৰ পথত আৰু এধাপ আগুৱাই যাব। আৰু সেয়ে অসমীয়া ভাষাৰ এই মহামূল্যৱান সম্পদৰাজিক সংৰক্ষণ কৰাটো প্ৰতিজন অসমবাসীৰে কৰ্তব্য।





# শিক্ষাৰ্থীৰ অনুশাসনহীনতা এক সামাজিক ব্যাধি

**মোস্তাফিজুৰ ৰহমান**
সহযোগী অধ্যাপক, শিক্ষা বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

সামাজিক জীৱনৰ সকলো দিশৰে প্ৰয়োজনীয় অৱস্থাটো হ'ল অনুশাসন ব্যৱস্থা। ইয়াৰ লগত শিক্ষক, শিক্ষাৰ্থী, অভিভাৱক শিক্ষা কৰ্তৃপক্ষ আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক পৰোক্ষভাৱে জড়িত হৈ থাকে। যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তাধাৰা সলনি হয়। পুৰণি যুগৰ অনুশাসন চিন্তাধাৰা আজি সলনি হৈ গৈছে, আকৌ আজি যি কাৰ্য্যত অনুশাসনহীনতাৰ পৰিচয় আছে কালিলৈ হয়তো সেই কাৰ্য্যই সামাজিক স্বীকৃতি পালেই অনুশাসন সম্বন্ধে আমাৰ ধাৰণা সলনি কৰিব লাগিব। আজি আমাৰ সামাজিক আৰু ব্যক্তিগত উভয় জীৱনতে অনুশাসনহীনতাৰেই উদাহৰণ অধিক। এই কথা আমি ক'ব পাৰো এই কাৰণেই যে আমাৰ অধিক সংখ্যক কাৰ্যতেই আমাৰ আচৰণ সম্বন্ধে পৰম্পৰাগতভাৱে চলি অহা কিম্বা সামাজিকভাৱে স্বীকৃত ধাৰণাৰ পৰিপন্থী আচৰণ দেখা পাওঁ, যাক আমি চমুকৈ অনুশাসনহীনতা বুলি ক'ব পাৰো।

অনুশাসনহীনতা বুলিলে শাসনৰ গণ্ডিত নাথাকি বিশৃংখল আচৰণ কৰাকে বুজায়। অৰ্থাৎ অনুশাসনৰ বিপৰীত অৰ্থই হ'ল অনুশাসনহীনতা। সমাজৰ বা কোনো অনুষ্ঠান বা উদ্যোগ আদিৰ উচ্চ মানবিশিষ্ট ৰীতি নীতিৰ প্ৰতি আনুগত্যই হ'ল অনুশাসন। ইয়াৰ আভিধানিক অৰ্থ হ'ল মানুহৰ চিন্তা ভাৱনা, আশা-আকাংক্ষাক সংযত কৰা আৰু আনৰ অধীনস্থ কৰা। সামাজিক পৰিৱেশত থাকি আনৰ কৰ্মৰাজি বা আচৰণ ব্যৱহাৰ অনুকৰণ কৰি নিজৰ প্ৰবৃত্তিজাত কাৰ্য্যৰ পৰিৱৰ্তন সাধন কৰি যি সংশোধিত আচৰণ শিকে সাধাৰণ অৰ্থত তাকেই অনুশাসন বুলি কোৱা হয়।

Alfalobiar ৰ মতে এজন ব্যক্তিৰ ভদ্ৰ আচৰণ গঢ়ি তোলা, কৰ্তৃপক্ষক সন্মান কৰা, নিজ কৰ্তব্য আৰু দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ যি আগ্ৰহ বা ইচ্ছা তাকে অনুশাসন বোলে।

Pringle (প্ৰিংগল) নামৰ শিক্ষাবিদৰ মতে অনুশাসনক বাহিৰৰ ব্যৱস্থাৰ লগত খাপখুওৱা, দমন কৰা, কৰ্তৃপক্ষৰ তলতীয়া হোৱা আৰু নীতি নিয়ম মানি চলা ব্যৱস্থা বুলি কব নোৱাৰি। ইয়াক প্ৰধানতঃ এক মনৰ অৱস্থা বুলি কব পাৰি। ব্যক্তিয়ে লাহে লাহে আনৰ শাসনৰ দ্বাৰা শাসিত নহৈ যুক্তিৰ দ্বাৰা নিজে নিজকে শাসন কৰাটো প্ৰকৃতাৰ্থত অনুশাসন বুলিব পাৰি।

বহল অৰ্থত শিশুৰ প্ৰবৃত্তি, আৱেগ-অনুভূতিক উপযুক্তভাৱে পৰিচালনা কৰি ব্যক্তিৰ আৰু সমাজৰ উন্নতিৰ বাবে শিশুয়ে নিজ ইচ্ছাৰে যি উন্নত আচৰণ শিকে তাকে অনুশাসন বুলিব পাৰি। ব্যক্তিৰ ইচ্ছা শক্তি প্ৰৱল হলে নিজেই নিজৰ কাৰ্য্যাৱলী নিয়ন্ত্ৰণ কৰিব পাৰে আৰু সমাজত স্বীকৃত কাৰ্য্যাৱলী গ্ৰহণ কৰি নিজেই উপকৃত হব।

ছাত্ৰ-ছাত্ৰীৰ শৃংখলাহীনতা অথবা অনুশাসনহীনতা বুলি কোৱা কথাষাৰৰ দ্বাৰা বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় অথবা শিক্ষানুষ্ঠানত অধ্যয়ন কৰি থকা বিভিন্ন বয়সৰ ল'ৰা-ছোৱালী সকলৰ মাজত বিধি বিধানহীনতাৰ কথাকে বুজোৱা হয়। অৰ্থাৎ শিক্ষাৰ কোনো এক বিশেষ পৰ্যায়ত অধ্যয়ন কৰি থকা কিছু সংখ্যক ল'ৰা-ছোৱালীয়ে যেতিয়া শিক্ষানুষ্ঠানৰ সামগ্ৰীক পৰিৱেশ অথবা সমাজ জীৱনৰ নানা ক্ষেত্ৰত সামাজিক বিধি ব্যৱস্থাৰ বিপৰীতে গৈ নিজৰ স্বাৰ্থ সিদ্ধিৰ প্ৰচেষ্টা চলায় তেতিয়া তেনেকুৱা আচৰণকে ছাত্ৰ-ছাত্ৰীৰ অনুশাসনহীন আচৰণ অথবা আন পৰিভাষাত

শৃংখলাহীন আচৰণ বুলি কোৱা হয়।

সাধাৰণতে ক'বলৈ হ'লে যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ নীতি নিয়মৰ বিৰুদ্ধাচৰণ কৰে, সেই বিলাক ছাত্ৰ-ছাত্ৰীকে অনুশাসনহীন বা শৃংখলাহীন ছাত্ৰ বোলা হয়। যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় সু-শৃংখলা, নীতি নিয়ম তথা অনুশাসন অমান্য কৰি সামাজিকভাৱে স্বীকৃত আচৰণৰ পৰিপন্থী আচৰণ দৰ্শন কৰি বিশৃংখলতাৰ সৃষ্টি কৰে, সেইবোৰ ছাত্ৰ-ছাত্ৰীক অনুশাসনহীন ছাত্ৰ আখ্যা দিব পাৰি।

যেতিয়া শিক্ষানুষ্ঠানত শিক্ষাৰ্থী সকলে বিদ্যালয়ৰ নিয়ম কানুন মানি চলে, কৰ্তৃপক্ষক সন্মান কৰে, শিক্ষকৰ নিৰ্দেশ অমান্য নকৰে, নিজৰ কৰ্তব্য সূচাৰুৰূপে পালন কৰে তেতিয়াই অনুশাসন উপস্থিতি বিদ্যালয়খনত থকা বুলি ধৰা হয়। কিন্তু তাৰ পৰিৱৰ্তে শিক্ষকৰ আজ্ঞা পালন নকৰা, শিক্ষানুষ্ঠানৰ নীতি নিয়ম মানি নচলা, নিজৰ দায়িত্ব আৰু কৰ্তব্য ঠিক মতে পালন নকৰিলে বিদ্যালয়ত বিশৃংখলতাৰ সৃষ্টি হয়। এনে পৰিৱেশত শিক্ষকে শিক্ষাদান কৰাত আৰু ছাত্ৰ-ছাত্ৰীয়েও শিক্ষা গ্ৰহণ কৰাত বাধাৰ সৃষ্টি হয়।

বৰ্তমান শিক্ষানুষ্ঠানত শ্ৰেণীত পাঠদান কৰি থকা সময়ত হাই উৰুমি কৰা, বিদ্যালয় চৌহদত ধূমপান কৰা, নিচাজাতীয় দ্ৰব্য সেৱন কৰা, বিদ্যালয়ৰ সা-সম্পত্তি ধ্বংস কৰা, শ্ৰেণী চলি থকা সময়ত হোষ্টেলৰ কোঠাৰ ভিতৰত সোমাই থকা, অনুমোদনহীন সাজ-পোছাক পৰিধান কৰি বিদ্যালয়লৈ অহা, সাধাৰণ কাৰণতে কৰ্তৃপক্ষৰ বিৰুদ্ধে সমদল বাহিৰ কৰি শ্লোগান দিয়া, পৰীক্ষা বৰ্জন কৰা ইত্যাদি বৰ্তমান শিক্ষানুষ্ঠান বিলাকত সাধাৰণ ঘটনাত পৰিণত হৈছে।

ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দেখা দিয়া এনেধৰণৰ শৃংখলাহীনতাই ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক কৃতকাৰ্য্যতাত বাধা প্ৰদান কৰাৰ লগতে সামাজিক পৰিৱেশো বিনষ্ট কৰে। ছাত্ৰ-ছাত্ৰী এনে অনুশাসনহীনতাৰ ফলত সমাজত চোৰ-ডকাইত, অপহৰণ, ধৰ্ষণকে আদি কৰি সামাজিক বিশৃংখলতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

অনুশাসনহীনতা অথবা উশৃংখলতাৰ অন্তৰালত মানসিক অসন্তুষ্টি, বিৰক্ত, হতাশা আদিয়ে শক্তিশালীভাৱে কাম কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দেখা দিয়া উশৃঙ্খলতাৰ সমস্যা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ধৰ্মীয় আদি নানা কাৰণত হ'ব পাৰে। এনে কাৰণ সমূহৰ মাজত জাতীয় চেতনা, তথাকথিত দেশপ্ৰেমৰ মনোভাৱ, হিংসা, বিদ্বেষ, ঘৃণা, ক্ষুদ্ৰস্বাৰ্থ আদি কাৰণ নিহিত হৈ থাকিব পাৰে।

ছাত্ৰ-ছাত্ৰীসকলৰ শৃংখলাহীন আচৰণৰ অন্তৰালত ক্ৰিয়া কৰা নানা ধৰণৰ উপাদান আৰু কাৰক আছে। এনে উপাদান বা কাৰকবোৰক সাধাৰণ দৃষ্টি ভংগীত শৃংখলাহীন আচৰণৰ কাৰণ হিচাবে অভিহিত কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীৰ শৃংখলাহীন আচৰণ অথবা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুশাসনহীনতাৰ যিবোৰ কাৰণৰ বিষয়ে সমাজ বিজ্ঞানী সকলে আঙুলিয়াই দিছে তেনে কাৰণবোৰ মূলত সমাজ জীৱনৰ নানা দিশ আৰু ৰীতি নীতিৰ লগত সম্বন্ধযুক্ত হৈ আছে। সাধাৰণ আৰু সৰল দৃষ্টিভংগীত ছাত্ৰ-ছাত্ৰী সকলক যিবোৰ কাৰকে শৃংখলাহীন আচৰণ প্ৰদৰ্শন কৰিবলৈ অথবা শৃংখলা নষ্ট কৰিব পৰা কাৰ্য্য-কলাপত লিপ্ত হ'বলৈ উৎসাহ উদ্দীপনা যোগায় তেনে কাৰক আৰু উপাদান সমূহকে শৃংখলাহীনতাৰ কাৰক অথবা কাৰণ হিচাবে অভিহিত কৰিব পাৰি। এনে কাৰণবোৰ সমাজ জীৱনৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, মনস্তাত্তিক আদি দিশৰ লগত জড়িত।

আধুনিক শিক্ষা, সমাজ ব্যৱস্থা তথা শিক্ষা ব্যৱস্থাৰ এটি জলন্ত সমস্যা হ'ল শৃংখলাহীনতা। এই শৃংখলাহীনতাৰ মূল কাৰণ বিচাৰিবলৈ গ'লে পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা আহি পৰে। বিশেষকৈ বিদ্যালয়ত অনুশাসনহীনতা আৰু বিশৃংখলতাই নানা ধৰণে প্ৰভাৱ বিস্তাৰ কৰি সমগ্ৰ শিক্ষা ব্যৱস্থাটো বিভ্ৰান্তিকৰ কৰি তুলিছে। এই অৱস্থাৰ বিস্তৃত অধ্যয়ন কৰিলে দেখা যায় যে অনুশাসনহীনতাৰ কাৰণসমূহ হ'ল—

➢ বিদ্যালয়ত নিৰ্দেশনাৰ অভাৱ।
➢ আসোঁৱাহপূৰ্ণ শিক্ষণ পদ্ধতি।
➢ নেতৃত্বহীনতা।
➢ আসোঁৱাহপূৰ্ণ পাঠ্যক্ৰম।
➢ সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ অভাৱ।
➢ ত্ৰুটিপূৰ্ণ পৰীক্ষা পদ্ধতি।
➢ শিক্ষক অভিভাৱকৰ উদাসীনতা।





➢ শাস্তি আৰু পুৰস্কাৰৰ অপ-ব্যৱহাৰ।
➢ আধ্যাত্মিক শিক্ষাৰ অভাৱ।
➢ অৱসৰ সময়ৰ সৎ ব্যৱহাৰৰ অভাৱ।
➢ শিক্ষাৰ মাচুল বৃদ্ধিৰ সমস্যা।
➢ জলপানী লাভৰ সমস্যা।
➢ শিক্ষানুষ্ঠানত নামভৰ্ত্তিকৰণৰ সমস্যা।
➢ সা-সজুলিৰ অভাৱ।
➢ বিদ্যায়তনিক পৰিৱেশৰ খেলিমেলি পূৰ্ণ অৱস্থা।
➢ বিশুদ্ধ খোৱাপানীৰ সু-ব্যৱস্থাৰ অভাৱ।
➢ অপৰ্য্যাপ্ত ছাত্ৰাবাস, ছাত্ৰী নিবাসৰ অভাৱ আৰু তাৰ অনুপযুক্ত পৰিৱেশ।
➢ ছাত্ৰ শিক্ষকৰ মাজত সংঘাতপূৰ্ণ সম্পৰ্ক।
➢ মবাইলফোন আৰু ইন্টাৰনেটৰ অপ-প্ৰয়োগৰ প্ৰভাৱ।
➢ কামোদ্দীপক সাহিত্য আৰু কথাছবিৰ প্ৰভাৱ।
